# এলচিবিয়ান

ত্ৰয়োবিংশতিতম সংখ্যা ঃ
২০১৬-১৭ শিক্ষা বৰ্ষ

# ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয় আলোচনী



তত্ত্বাৱধায়ক ঃ ড° প্ৰাঞ্জল শৰ্মা
সম্পাদক ঃ বিতম শৰ্মা

# মহাবিদ্যালয় সংগীত

ধ্যান-গম্ভীৰ এই জ্ঞান মন্দিৰ আমাৰ পুণ্য তীৰ্থ
উৎকৰ্ষ-সাধন লক্ষ্যত ব্ৰতী সমূহ আমি সতীৰ্থ।।২।।

নীলাচলৰ চৰণ ধন্য এই মন্দিৰৰ ভেটি
আদিমগিৰিৰ গৰ্বিত শিৰে ঘোষিছে আদিম কীৰ্তি।।২।।
অমিত বিক্ৰমী আহোম ৰাজৰ প্ৰাচীন পশ্চিমৰ দ্বাৰ
এতিয়া ইয়াত পাহাৰে ভৈয়ামে চেনেহৰ নিছিগা ধাৰ।
ইয়াতে আমাৰ জ্যোতিৰ যাত্ৰা অনন্ত অব্যৰ্থ।।২।।

আহা সঙ্গী আমি ইয়াতেই থাপোঁ আমাৰ জীৱন ৰথ।।২।।
সংস্কৃতি সাৰথি আমাৰ সংগ্ৰাম আমাৰ পথ।
এই মন্দিৰ জ্ঞানেৰে দানেৰে চিত্ত কৰোঁ নিৰ্ভয়
শান্তি-প্ৰীতি মিলনেৰে আহা দুষ্কৃতি কৰোঁ জয়।

অচল পুৰণি ভাঙি উলিয়াওঁ যুগৰ সচল অৰ্থ।।২।।

ৰচনা ঃ **কেশৱ মহন্ত**

সুৰ ঃ **ৰমেন বৰুৱা**

# এলচিবিয়ান

## ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয় আলোচনী

ত্ৰয়োবিংশতিতম সংখ্যা ঃ ২০১৬-১৭ শিক্ষা বৰ্ষ

প্ৰতি

.................................................................................

.................................................................................

তত্ত্বাৱধায়ক ঃ ড° প্ৰাঞ্জল শৰ্মা

সম্পাদক ঃ ৰিতম শৰ্মা

# ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয় আলোচনী

# এলচিবিয়ান

ত্ৰয়োবিংশতিতম সংখ্যা ঃ ২০১৬-১৭ শিক্ষা বৰ্ষ

**ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত**

মালিগাঁও, গুৱাহাটী-৭৮১০১১

## সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° এডিচন আলি |
| তত্ত্বাবধায়ক | ঃ | ড° প্ৰাঞ্জল শৰ্মা |
| শিক্ষক সদস্য/সদস্যা | ঃ | ড° দীপক গোস্বামী<br>ড° ৰত্নেশ্বৰ মিলি<br>ড° ধীৰাজ পাটৰ<br>ড° লিভি দত্ত বৰুৱা |
| সম্পাদক | ঃ | ৰিতম শৰ্মা |
| ছাত্ৰ সদস্য | ঃ | অলকেশ শৰ্মা<br>অংকুৰজ্যোতি শৰ্মা |
| বেটুপাত | ঃ | হিমাংক চৌধুৰী |
| স্কেচ আৰু অলংকৰণ | ঃ | মৃণ্ময় শৰ্মা<br>জয়া জয়ছ্বাল<br>মেহবুব আলম |
| অক্ষৰ বিন্যাস আৰু মুদ্ৰণ | ঃ | জেনেচিছ প্ৰিণ্টাৰ্চ এণ্ড পাব্লিচাৰ্ছ প্ৰাঃলিঃ<br>বৰবাৰী, গুৱাহাটী-৩৬<br>ফোন ঃ ৯৮৬৪৩৫১০০৮ |

ড° হিমন্ত বিশ্ব শৰ্মা, এলএলবি
মন্ত্ৰী, অসম

সত্যমেৱ জয়তে

বিত্ত, শিক্ষা, পৰিকল্পনা আৰু উন্নয়ন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, গুৱাহাটী উন্নয়ন, পৰ্যটন, সমবায়, হস্ততাঁত আৰু বস্ত্ৰ শিল্প (খাদী আৰু গ্ৰামোদ্যোগ), পেঞ্চন আৰু ৰাজহুৱা অভিযোগ



## শুভেচ্ছাবাণী

ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'এলচিবিয়ান'ৰ ২০১৬-১৭ বৰ্ষৰ সংখ্যাটি প্ৰকাশৰ যো-জা কৰা বুলি জানিবলৈ পাই অতিকৈ আনন্দিত হৈছো আৰু এনে উদ্যোগৰ শলাগ লৈছো।

ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, সাহিত্যিক আৰু বৌদ্ধিক উত্তৰণতশিক্ষানুষ্ঠান এখনৰ বাৰ্ষিক আলোচনী এখনে প্ৰভূত অৰিহণা যোগায়। আশা ৰাখিছো ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে 'এলচিবিয়ান'ৰ জৰিয়তে সৃষ্টিশীল চিন্তাধাৰা আৰু প্ৰতিভা বিকাশৰ সুযোগ লাভ কৰিব। আলোচনীখনিৰ সৌষ্ঠৱ বৃদ্ধিত শিক্ষানুষ্ঠানখনৰ শিক্ষক সমাজেও নিজ নিজ লিখনিৰ দ্বাৰা অৰিহণা আগবঢ়াব বুলি আশা প্ৰকাশ কৰিলোঁ।

সৰ্বৌ শেষত ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰাৰ লগতে শিক্ষানুষ্ঠানখনৰ শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাৰ্থী তথা কৰ্মচাৰীবৃন্দলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

ই-ব্লক, তৃতীয় মহলা, অসম সচিবালয়, দিছপুৰ, গুৱাহাটী-৭৮১০০৬, অসম
দূৰভাষ নং ঃ (০৩৬১) ২২৩৭৩১৫, ফেক্স ঃ ০৩৬১-২২৩৭০১২
ই-মেইল ঃ himantab@hotmail.com / himantabsarmaoffice@gmail.com

# অধ্যক্ষৰ একলম...

সাহিত্যই এটা জাতিক পৰিচয় কৰোৱাত বিশেষভাৱে অৰিহণা যোগায়। এই সাহিত্যৰ পৰাই আমি সমাজৰ সামগ্ৰিক দিশৰ বিষয়ে অৱগত হওঁ। লিখিত বা মৌখিক উভয় সাহিত্যই এটা জাতিক সমৃদ্ধিশালী কৰি তোলে। সেয়ে প্ৰাচীন কালৰ পৰা সাম্প্ৰতিক সময়লৈ সকলোবোৰ দেশতে বিভিন্ন ধৰণৰ সাহিত্যৰ সৃষ্টি আহিছে।

সাহিত্য সৃষ্টিত বিভিন্ন কাৰকৰ প্ৰয়োজনীয়তা থাকিলেও মূলতঃ সাধনা অবিহনে ভাল সাহিত্য সৃষ্টি সম্ভৱ নহয়। শিক্ষানুষ্ঠানৰ প্ৰাচীৰ পত্ৰিকা, বাৰ্ষিক মুখপত্ৰসমূহে এই দিশত বিশেষ ভূমিকা গ্ৰহণ কৰে। এনে পত্ৰ বা আলোচনীসমূহৰ যোগেদি ছাত্ৰ-ছাত্ৰীক বৌদ্ধিক তথা মানসিক উৎকৰ্ষ সাধন কৰাৰ লগতে সুস্থ সামাজিক বাতাবৰণ সৃষ্টি কৰাতো অৰিহণা আগবঢ়ায়। আজিৰ ছাত্ৰসমাজেই পৰৱৰ্তী সময়ত দেশৰ ধৰণীস্বৰূপ। গতিকে ছাত্ৰ সমাজৰ বাবে শিক্ষানুষ্ঠানৰ আলোচনীখন হৈ পৰে মনৰ ভাৱ-চিন্তাক প্ৰকাশ কৰাৰ উপযুক্ত মাধ্যম।

কথাতে কয় বোলে—অভ্যাস কৰিলে কাণৰ বিন্ধাটোৰেও কাঁড় নিক্ষেপ কৰিব পাৰি। কেৱল মাথো একাগ্ৰতা আৰু সাধনাৰ প্ৰয়োজন। বিদ্যালয়, মহাবিদ্যালয়ৰ আলোচনীৰ পাতত সাহিত্য চৰ্চা কৰি পৰৱৰ্তী সময়ত বহুতো লেখক মহান সাহিত্যিক হিচাপে পৰিচিত হৈছে। ইয়াৰ উদাহৰণ বহুতো ওলাব। ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যপুথিৰ জ্ঞানৰ লগতে সাহিত্য চৰ্চাত নিজকে মনোনিৱেশ কৰি জীৱনৰ নতুন পথৰ সন্ধান কৰিব পাৰে।

সাম্প্ৰতিক সময়ত প্ৰযুক্তিবিদ্যাৰ চমকেৰে গোটেই বিশ্বক নতুন নতুন দিশৰ সন্ধান দিছে। যাৰ ফলত গ্ৰন্থ অধ্যয়ন তথা সাহিত্য চৰ্চা কৰা ক্ৰমাৎ হ্ৰাস পাইছে যেন অনুমান হয়। আনফালে আকৌ ঘৰতে বহি বিভিন্ন ধৰণৰ গ্ৰন্থৰ খোৰাদ এই প্ৰযুক্তিবিদ্যাৰ যোগেদিয়েই সুলভ হৈছে। নেতিবাচক দৃষ্টিভংগীৰে নাচাই যদি আমি ইতিবাচক দৃষ্টিভংগীৰে চাওঁ তেন্তে ক'ব পাৰো যে বিভিন্ন ধৰণৰ চ'চিয়েল মেডিয়া—ফেইচবুক, হোৱাট্চএপ, টুইটাৰ, ব্লগ আদি মাধ্যমসূহৰ যোগেদিও সাহিত্য সাধনা আৰু ইয়াৰ ৰুচিবোধ সম্পৰ্কে বিভিন্ন কথা আলোচনা হৈ আছে। কিন্তু ছাত্ৰ অৱস্থাত শিক্ষানুষ্ঠানৰ আলোচনীখনৰ গুৰুত্ব সদায় থাকিব। হয়তো শিক্ষানুষ্ঠানত এনে ছপা আলোচনীৰ সমান্তৰালকৈ পৰৱৰ্তী সময়ত সময়োপযোগীকৈ ই-আলোচনীৰ প্ৰয়োজনীয়তাও আহিব; তথাপি এটা কথা ক'বই লাগিব যে এই  আলোচনীসমূহেই হৈছে সাহিত্য চৰ্চাৰ আখৰা থলী। ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ সকলোৰে এই আলোচনীত সাহিত্য চৰ্চাৰ বাবে হাত উজান দিয়ে। ই হৈ পৰে অনুষ্ঠানটোৰ লগতে সেই অঞ্চলটোৰে এক দলিল স্বৰূপ। ইয়াৰ পৰাই পৰৱৰ্তী সময়ত সেই অঞ্চলটোৰ অতীত ইতিহাসৰ লগতে সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক দিশৰ বিষয়ে অৱগত হ'ব।

বিগত বছৰবোৰৰ দৰে এই বছৰো ২০১৭-১৮ বৰ্ষৰ ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'এলচিবিয়ান' প্ৰকাশৰ দিহা কৰিছে। বৰ ভাল কথা। এই আপাহতে সমূহ কৰ্মকৰ্তাক মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। সাহিত্যৰ জগতত 'এলচিবিয়ানে'ও অনাগত দিনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰক, এই 'এলচিবিয়ান'ৰ পাতৰপৰাই একোজন মহান সাহিত্যিক জন্মলাভ কৰি অসমীয়া ভাষা-সাহিত্যক বিশ্বদৰবাৰত উজ্বলাই তোলক তাকেই কামনা কৰিলোঁ।

**ড° এডিচন আলি**

অধ্যক্ষৰ একলম...

আমাৰ অধ্যক্ষ





শ্ৰদ্ধেয় ড° এডিচন আলি

আমাৰ মহাবিদ্যালয়



অধ্যক্ষৰ সৈতে শিক্ষক-শিক্ষয়িত্ৰীসকল



অধ্যক্ষৰ সৈতে গ্ৰন্থাগাৰিক আৰু আন আন কৰ্মচাৰীসকল

# আমাৰ মহাবিদ্যালয়ৰ আলোচনী 'এলাচিবিয়ান'ৰ সম্পাদনা সমিতি



**অধ্যক্ষ ড° এডিচন আলি**
সভাপতি



**ড° প্ৰাঞ্জল শৰ্মা**
তত্ত্বাবধায়ক



**ড° দীপক গোস্বামী**
সদস্য



**ড° ৰত্নেশ্বৰ মিলি**
সদস্য



**ড° ধীৰাজ পাটৰ**
সদস্য



**ড° লিপি দত্ত বৰুৱা**
সদস্যা



**অংকুৰ জ্যোতি শৰ্মা**
ছাত্ৰ সদস্য



**ৰিতম শৰ্মা**
আলোচনী সম্পাদক



**অলকেশ শৰ্মা**
ছাত্ৰ সদস্য

# আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যসকল



**ডাম্বৰ উপ্ৰেতি**
সভাপতি



**দীপক বৰ্মন**
উপ-সভাপতি



**অংকুৰ জ্যোতি শৰ্মা**
সাধাৰণ সম্পাদক



**কৃতি প্ৰধান**
সহকাৰী সাধাৰণ সম্পাদক



**ৰিতম শৰ্মা**
আলোচনী সম্পাদক



**আলোক ঝা**
ক্ৰীড়া বিভাগৰ সম্পাদক



**জয়া জৈছৱাল**
সাংস্কৃতিক বিভাগৰ সম্পাদিকা



**মণিকা দাস**
তৰ্ক বিভাগৰ সম্পাদিকা



**ধ্ৰুৱজ্যোতি কলিতা**
ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক



**ৰূপালী দাস**
সমাজ সেৱা বিভাগৰ সম্পাদিকা



**মধুস্মিতা দাস**
ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা

# সম্পাদকীয়



## "এজন ভাল ছাত্ৰ দেশৰ সম্পদ"

সম্পাদকীয়ক আৰম্ভণিতে ললিত চন্দ্ৰ ভৰালীক শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মকৰ্তা, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলক মোৰ সশ্ৰদ্ধ প্ৰণাম আৰু শুভেচ্ছা জ্ঞাপন কৰিছো। সম্পাদকীয় প্ৰতিবেদন লিখিবলৈ লওতে মোৰ অজানিতে কৰি যোৱা ভুল ত্ৰুটীৰ মাৰ্জনা বিচাৰিছো। শলাগ লৈছো আলোচনী খন প্ৰকাশ কৰি উলিওৱাত কৰা সহযোগিতাৰ বাবে সকলো শ্ৰেণীৰ মোৰ হিতাকাংক্ষীসকলক। আকৌ "এলচিবিয়ান" ৰ সম্পাদক হোৱাত যিসকলৰ অৰিহণা আছিল, সেই সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু হিয়াভৰা কৃতজ্ঞতা যাচিলোঁ।

এখন আলোচনী নিখুঁত সুন্দৰ হ'বলৈ হলে বহু জ্ঞান আৰু অভিজ্ঞতাৰ প্ৰয়োজন। মোৰ এধানীমান সম্যক জ্ঞানৰ প্ৰচেষ্টাৰে এই গুৰু দায়িত্ব বহন কৰিব লৈছিলো। কৰবাত কৰবাত উজুটি খাইছো, ৰৈ গৈছো। পুনৰ চেষ্টাৰ ত্ৰুটী নকৰি আৰু আগবাঢ়িছো।

মহাবিদ্যালয় এখনৰ আলোচনীখন মহাবিদ্যালয়খনৰ দাপোন স্বৰূপ। যিখন দাপোনত চকু ফুৰালে পৰিস্ফুট হৈ উঠে সেই মহাবিদ্যালয় খনৰ আচল ছবিখন। সেয়েহে আলোচনীখন অধিক সুন্দৰ আৰু বাস্তৱ সত্য প্ৰতিচ্ছবিৰে প্ৰকাশিত হোৱাতো বাঞ্ছনীয়।

"गुरुर्ब्रहमा गुरुर्विष्णु
गुरुर्देवो महेश्वर:
गुरुसाक्षात परब्रह्मा
तस्मै श्रीगुरुवे नम:"

মই এই মহাবিদ্যালয়ৰ এজন ছাত্ৰ হিচাপে নিজকে গৌৰৱ বোধ কৰো। শিক্ষাগুৰু-শিক্ষায়িত্ৰী বাইদেউসকলৰ পৰা পোৱা মৰম স্নেহ বহুমূলীয়া পৰামৰ্শ মোৰ দেহৰ শিৰাই শিৰাই প্ৰবাহিত। সেই পৰামৰ্শ আৰু জ্ঞানৰ সমলবোৰ অনাগত জীৱনত ডাঙৰ অস্ত্ৰ হ'ব। এই তীক্ষ্ণ জ্ঞানৰ অস্ত্ৰ লৈ আমি আগবাঢ়িম। আমাৰ জীৱন নিশ্চয় তেতিয়া উন্নতিৰ শিখৰত আগবাঢ়ি যোৱাত ফলপ্ৰসু হ'ব।

সময়ৰ আহ্বানক সকলোৱে মানিব লাগিব। সেই সময়ৰ গতিত হাত মিলাই আমি এবছৰ-দুবছৰকৈ তিনিটা বছৰ পাৰ কৰিব লৈছো। মহাবিদ্যালয়ৰ পৰা আমাৰ স্নাতক বৰ্ষ সমাপ্ত কৰি কেতিয়া যাব লগা হ'ল গমকে নাপালো। হাঁহি আনন্দত বুৰ গ'লো নীলাচলৰ বহু ঘটনা-পৰিঘটনাৰ মাজত। মহাবিদ্যালয়ৰ উত্তৰ দিশত থিয় হৈ থকা মাঁ কামাখ্যা মন্দিৰৰ পৰা মালিগাঁওলৈ যি বৃহৎ অংশ আবৰি আছে এই অংশখিনিত উচ্চ জ্ঞানৰ কেন্দ্ৰ আমাৰ মহাবিদ্যালয়খন। মহাবিদ্যালয়ত পঢ়া ছাত্ৰ/ছাত্ৰীৰ মাজত যি ভাতৃত্ব বন্ধুত্বৰ বান্ধোন গঢ়ি উঠে সেই দিশতো সচাকৈয়ে প্ৰশংসনীয়।

মোৰ কাৰ্যকালত মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ ফালৰ পৰা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ মৃত্যুদিন উপলক্ষে ৫ নৱেম্বৰত তেখেতৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ৫০০ গছি বন্তি প্ৰজ্বলন কৰিছিলো। আকৌ ২০১৭ বৰ্ষৰ জানুৱাৰী মাহত অসম চৰকাৰৰ উদ্যোগত অনুষ্ঠিত হোৱা “ব্ৰহ্মপুত্ৰ সাহিত্য মহোৎসৱ” উপলক্ষে সাংস্কৃতিক শোভাযাত্ৰাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে অংশ গ্ৰহণ কৰিছিল। উল্লেখ্য যে এই মহোৎসৱত দেশ-বিদেশৰ সাহিত্যিকে ভাগ লৈছিল, বহু কেইজন সাহিত্যিকৰ সৈতে কথা পাতিবলৈ আমাৰ সৌভাগ্য হৈছিল।

ইয়াৰ পিছতে সময় হৈছিল মহাবিদ্যালয় সপ্তাহৰ। মহাবিদ্যালয় সপ্তাহ হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ খেল-ধেমালি, বিভিন্ন কলা-সাহিত্য আদি ক্ষেত্ৰত অনুষ্ঠিত হোৱা প্ৰতিযোগিতা নিজৰ দক্ষতা প্ৰদৰ্শন আৰু বিকাশৰ সুযোগ আমি ইং ০৮ ফেব্ৰুৱাৰীৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ মহাবিদ্যালয় সপ্তাহ অনুস্থিত কৰিছেলো। “মহাবিদ্যালয় সপ্তাহ” উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° এডিচন আলি মহোদয়ে। মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগীতাসমূহত ছাত্ৰ-ছাত্ৰীসকলে উৎসাহ আৰু আগ্ৰহেৰে অংশ গ্ৰহণ কৰিছিল যেনে কবিতা, গল্প লিখা, কবিতা আবৃতি, বেটুপাত অংকন, প্ৰাচিৰ পত্ৰিকা ইত্যাৈদি। মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী আৰু মুকলি সভাত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰিছিল; অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰেছ উপদেষ্টা হৃষিকেশ গোস্বামীদেৱে। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিছিল বিশিষ্ট গায়ক ভৃগু কাশ্যপে।

মোৰ কাৰ্যকালৰ সময়চোৱাতে বিধ্বংসী বানত আক্ৰান্ত লোকসকলক গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ-সন্থাৰ সহযোগত সহায়ৰ হাত আগবঢ়াইছিলো। আমি ২০১৭ বৰ্ষৰ ৬ ছেপ্তেম্বৰত নৱাগত ছাত্ৰ-ছাত্ৰীসকলকস্বাগতম তথা উৎসাহ যোগোৱাৰ উদ্দেশ্যে ‘নৱাগত আদৰণি সভা অনুষ্ঠান কৰিছিলো। উক্ত সভাত মুখ্য অতিথি হিচাপে যোগদান কৰিছিল অসমৰ প্ৰাক্তন শিক্ষামন্ত্ৰী ৰমণী বৰ্মনে আৰু সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে অসমৰ জনপ্ৰিয় গায়িকা বৰ্ণালী কলিতাই।

ইয়াৰ মাজতে আমাৰ মহাবিদ্যালয়ৰ বহু ছাত্ৰ-ছাত্ৰীয়ে যুৱ মহোৎসৱত বিভিন্ন কলা আৰু সাহিত্যৰ প্ৰতিযোগিতাত যোগদান কৰে আৰু তাৰ মাজতে মোৰ সহপাঠী আৰু আমাৰ সময়ৰ সাংস্কৃতিক সম্পাদক জয়া জয়ছৱালে "Cartooming" প্ৰতিযোগিতাত প্ৰথমস্থান পাবলৈ সক্ষম হয়।

শেষত আলোচনীখন প্ৰকাশ কৰি উলিয়াই দিয়াত জেনেচিছ প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী তথা সমূহ কৰ্মচাৰীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছো। ধন্যবাদ জ্ঞাপন কৰিছো মোৰ তত্বাৱধায়ক মাননীয় ড° প্ৰাঞ্জল শৰ্মাক আৰু আলোচনীখনৰ লেখক-লেখিকাসকলক। সকলোৰে সহযোগিতাৰ শলাগ লৈ আলোচনীখন দীৰ্ঘ দিনলৈ প্ৰকাশ হৈ থাকি মহাবিদ্যালয়ৰ যশ-মান অটুট থাকক তাৰেই কামনা কৰি মোৰ লেখাৰ সামৰণি মাৰিছো।

জয়তু এলচিবিয়ান
জয়তু এল.চি.বি
জয় আই অসম

**ৰিতম শৰ্মা**
আলোচনী সম্পাদক

# সূচীপত্ৰ


**অতিথি শিতান ঃ**

| | | | |
|---|---|---|---|
| ❖ | কত বছৰৰ পাছত আজি এই সন্ধিয়া | নীলমনি ফুকন | ৩ |
| ❖ | খালী ঘৰ | নীলিম কুমাৰ | ৪ |
| ❖ | ভাৰাঘৰত স্মৃতি ফুকন | সৌৰভ শইকীয়া | ৫ |

**প্ৰবন্ধ ঃ**

| | | | |
|---|---|---|---|
| ❖ | সুখকৰ সমাজৰ ভাবনা | ড° দীপক গোস্বামী | ৯ |
| ❖ | ড° ভূপেন হাজৰিকাৰ গীতত মানৱতা | ড° বিজয়া বড়া | ১২ |
| ❖ | ৰাষ্ট্ৰীয় সেৱা আঁচনি আৰু ইয়াৰ লক্ষ্য | হীৰাবালা দাস | ১৬ |
| ❖ | ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ দৰ্শন আৰু শিক্ষক দিৱস | পল্লবী শৰ্মা | ১৯ |
| ❖ | মানৱ সভ্যতা বিকাশত সাজ-পাৰ আৰু অসমীয়া সাজ-পাৰৰ চানেকিঃ এটি আলোক পাত | প্ৰিয়ংকা ডেকা | ২৩ |
| ❖ | বৰ্তমান সমাজত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা | নিতোপম মেধি | ২৫ |
| ❖ | শিক্ষাগুৰু | শাশ্বতী কুমাৰী | ২৭ |
| ❖ | অসমৰ জনজাতি সমস্যা আৰু বিষ্ণু ৰাভা | পঞ্চমী বড়ো | ২৪ |
| ❖ | দুঃ সাহসিকতাৰ অন্য নাম বিয়েৰ গ্ৰিলছ | সিদ্ধাৰ্থ বৰ্মন | ৩০ |
| ❖ | নাৰী শিক্ষাৰ প্ৰাসংগিকতা | বৰষা লহকৰ | ৩২ |
| ❖ | বিচৰণশীল আকাশী বাষ্পপিণ্ড ঃ ধুমকেতু | হিমাংশু হাজৰিকা | ৩৩ |
| ❖ | আত্মসমালোচনা আৰু আত্মোৎকৰ্ষ | হিমাংক চৌধুৰী | ৩৪ |
| ❖ | আমি নাৰী | অৰ্চনা বৰদলৈ | ৩৫ |

**কবিতা ঃ**

| | | | |
|---|---|---|---|
| ❖ | ধৰিত্ৰীৰ বিশালতা | চন্দ্ৰমোহন কলিতা | ৩৯ |
| ❖ | সেউজীয়া প্ৰকৃতিৰ স্বাৰ্থত | ৰাহুল ৰাভা হাকাচাম | ৪০ |
| ❖ | প্ৰেমৰ অনুভৱে অনুভৱে প্ৰকৃতি | গোবিন্দ দাস | ৪১ |
| ❖ | এলচিবিয়ান | নাৰগিছ চৌধুৰী | ৪২ |
| ❖ | তুমিতো আকাশ | নীলাঞ্জনা মিশ্ৰ | ৪৩ |
| ❖ | শাৰদীয় ৰাণী | পূজা দাস | ৪৪ |
| ❖ | অনুভূতি | প্ৰণালী বৰ্মন | ৪৫ |

| | | |
|---|---|---|
| ❖ কবিতাৰ এটা নাম সেউজীয়া | ৰাহুল কুমাৰ ৰাভা | ৪৬ |
| ❖ দেশৰ কান্দোন | পৰিণীতা দাস সেনাপতি | ৪৭ |
| ❖ বানে ধোৱা সত্তা | হিমাংশু হাজৰিকা | ৪৮ |
| ❖ প্ৰকৃতিৰ চত্ৰছাঁয়াত নাৰী | মৰ্লিনা দাস | ৪৯ |
| ❖ সপোনবোৰ নিঠৰুৱা কৰি থৈ গ'ল বানে | ধনজিৎ ঠাকুৰীয়া | ৫০ |
| ❖ অনুভৱৰ সপোনজাক | বিজুলী বৰদলৈ | ৫১ |
| ❖ অৰ্থহীন জীৱন | মধুস্মিতা দাস | ৫২ |

**গল্প ঃ**

| | | |
|---|---|---|
| ❖ টুনটুনি আৰু ৰজাৰ কথা | ড° নীলিমা গোস্বামী শৰ্মা | ৫৫ |
| ❖ শাস্তি | শিবানী দে | ৫৮ |
| ❖ অনাদৃত পুৱা | ৰিতম শৰ্মা | ৬৪ |
| ❖ ব্যৰ্থতা | নিলোৎপল বৰুৱা | ৬৮ |
| ❖ জীৱন বনাম প্ৰেম | ৰাহুল ৰাভা হাকাচাম | ৭০ |
| ❖ ভিত্তিহীন অহংকাৰ | হিমাংশু হাজৰিকা | ৭২ |
| ❖ এক আধৰুৱা প্ৰেম | ৰাহুল বসুমতাৰী | ৭৩ |
| ❖ মানৱতাৰ অৱগমন | অংকুৰ জ্যোতি শৰ্মা | ৭৪ |
| ❖ মৌচুমী, মৌচুমী নাম তাইৰ | ৰাহুল বসুমতাৰী | ৭৬ |
| ❖ জীৱনৰ এটা দিন | দেবপ্ৰতীম তালুকদাৰ | ৭৭ |
| ❖ গোপণ সেন্দুৰকণ | কুলদিপ পাঠক | ৭৯ |

**ARTICLE :**

| | | |
|---|---|---|
| ❖ Prasanta Chandra Mahalanobis: Father of Indian Statistics | Dr. Rijusmita Sarma | ৭৯ |
| ❖ Cohabitation | Dr Manisha Phukan | ৮৮ |
| ❖ Mahi Chandra Miri : The Man Behind Kaziranga National Park | Dr. Mitamoni Sarma | ৯০ |
| ❖ Cosmic Inflation | Bishal Das | ৯২ |
| ❖ Self Confidence : First Step to Success | Damber Uprety | ৯৫ |
| ❖ Universe of Multiversity | Jyotirmoy Bharali | ৯৬ |
| ❖ Amazing Facts | Martina Ahmed | ৯৯ |
| ❖ The Future of online voting (E -Voting) | Royal Siddik | ১০০ |
| ❖ The Missile Man : Dr. Kalam | Rahul Sharma | ১০১ |
| ❖ What modernity means and what we make it | Amit Khanjan Sarma | ১০২ |

- Life is action not contemplation — Debasish Nath — ১০৩
- Feminist or Anti-Feminist — Limakshi Devi — ১০৪
- Entrepreneurship Promotion and Economic Development — Dr. Jublee Goswami — ১০৫
- God is One — Rupsing Barman — ১০৭

**POEM :**

- Pride — Tina Mazumdar — ১১১
- Maths Exam — Mriganka Medhi — ১১২
- Beholder — Parinita Das Senapati — ১১৩
- The Fall — Limakshi Devi — ১১৪
- Tearful Flood — Amit Khanjan Sarma — ১১৫
- A life Drowned — Deepa Medhi — ১১৬
- The Betrayal — Parinita Das Senapati — ১১৭
- My Dream — Krity Pradhan — ১১৮
- Teacher — Rahul Sharma — ১১৯

**STORY :**

- What if — Limakshi Devi — ১২৩
- Abandoned — Deepa Medhi — ১২৫
- A lesson to be cherished — Parinita Das Senapati — ১২৭

**প্ৰতিবেদন ঃ** — ১৩১

**বাৰ্ষিক ফলাফল ঃ** — ১৪৫

**বৰ্তমানলৈকে 'এলচিবিয়ান'ৰ সম্পাদক আৰু তত্ত্বাৱধায়কসকল ঃ** — ১৪৯

# অতিথি শিতান

# কত বছৰৰ পাছত আজি এই সন্ধিয়া

নীলমনি ফুকন

কত বছৰৰ পাছত আজি এই সন্ধিয়া
অকলে ৰঙা নৈত নামিলোঁ।
পানীত জোবোৰা মাৰোঁতে কঁকিলা মাছ এটাই
ওঁঠত খুঁটিয়ালে
বুকুত উক দিলে পুৰণি বিষটো
যি দুজনে দি গ'ল মোক বিষটো
তেওঁলোক এতিয়া নাই
হাড়ৰ মাজে মাজে এজনে লৈ ফুৰিছিল
পিতৃ-পিতামহৰ শোক আৰু সূৰ্যৰ শস্যকণা
তেজত গলি যোৱা জোন এটা লৈ এজনে
ভ্ৰমি ফুৰিছিল গাঁও চহৰ ধূলি ধোঁৱা
আৰু কুঁৱলীৰ মাজত

কত বছৰৰ আগতে নৈখনৰ পাৰৰ
এইডোখৰ ঠাইতে পানী-সেউতী ফুল শুঙি
আমি পানী-যুঁৱলিত বহিছিলোঁ
তিনিজন নগ্ন
তিনিজন বিষণ্ণ উদ্ভ্ৰান্ত
ৰঙাৰ প্ৰেমিক

কত বছৰৰ পাছত আজি এই সন্ধিয়া
অকলে ৰঙা নৈত নামিলোঁ
মোৰ চকুৰ মাজেদি ৰঙা হৈ উৰি গ'ল
দুটা লৰিয়লি চৰাই
পানীৰ তলৰ পৰা ওলোৱা এক অদ্ভুত নিস্তব্ধতাত
ৰঙা হৈ উঠিল নিস্ত



# খালী ঘৰ

**নীলিম কুমাৰ**

তল মাৰি মানুহ যেতিয়া
ঘৰৰ পৰা ওলাই যায়
খালী ঘৰে কান্দে

ঘৰৰ মানুহখিনিক লৈয়ে
ঘৰৰ সংসাৰ
ঘৰৰ ভিতৰতে

কিন্তু মানুহৰ সংসাৰখন
ঘৰৰ বাহিৰতহে বেছি

ঘৰখনে তাৰ সৰু হৃদয়েৰে
আৰু সৰু বাহুৰে বিচাৰে
তাৰ ভিতৰত মানুহৰ অহৰহ কথা-বাৰ্তা
হাঁ-কান্দোন ভৰিৰ শব্দ ভালপোৱাৰ গুঞ্জন
নীৰৱতা মৈথুন সংগীত

এইবোৰৰ বাবেইতো
মানুহে ঘৰ সাজে
এইবোৰক ঢাকি ৰাখিবলৈকে
ঘৰ সাজে মানুহে
খালী ঘৰে তাৰ সৰু মগজুৰে বাবে

তাৰ ভাবনাৰে
মোৰ অন্যমনস্ক আকাশত
বৰষুণ নহয়



সেয়ে এদিন
তলা মাৰি মই
ওলাই যাব খোজোতে
খালী ঘৰটোও মেৰি লগত
যাবলৈ ওলাল

ক'লৈ
মোকো লৈ যোৱা
তোমাক এই মই
থাকিব নোৱাৰোঁ

দেখিছেনে
মোৰ পিছে পিছে এতিয়া
এটা খালী ঘৰ আহি আছে

দেখিছেনে
এটা খালী ঘৰ
মোৰ ভিতৰলৈ
সোমাই গৈছে।

# ভাৰাঘৰত স্মৃতি ফুকন

সৌৰভ শইকীয়া

স্মৃতি ফুকনৰ ভাৰাঘৰত থাকি যোৱাৰ এক প্ৰবল বাসনা থাকি যায়
স্মৃতি ফুকনৰ খিৰিকী খুলি ঢিমিক্-ঢামাক্ সন্ধিয়াৰ তৰাটিলৈ চাই চাই
খুব কথা পাতিবলৈ মন যায় মোৰ
এই খিৰিকীৰেই মোৰ প্ৰিয় আকাশ
এই খিৰিকীৰেই মোৰ প্ৰিয় আলাপ
স্মৃতি ফুকন। কি কৰি আছে আপুনি?

বাৰাণ্ডাত নহয়,
পিছ চোতালৰ মূঢ়াত বহি শীতৰ ৰ'দৰ চছ্মা পিন্ধা স্মৃতি ফুকনে
এয়া 'অসম বাণী' মেলিছে। জুমি জুমি 'অসম বাণীৰ'ৰ হৰেক ৰকম ৰেচিপি
স্বাস্থ্য আৰু গৃহিণী, ঘৰুৱা দিহা আনকি ফেংছুয়ো যোৱা নাই হাৰি
স্মৃতি ফুকনে আজিকালি খৰকৈ খোজকাঢ়িবলৈ লৈছে। তেওঁৰ অকণমান
পিঠিৰ প্ৰব্লেম আছে, বিষৰ....।
কিন্তু সেইবোৰ যায় উৰি
হে'ৰা সৌৰভ খবৰ আছে তোমাৰ... কি কৰিছা শুই শুই, আহাঁ বেগতে
ধুনীয়া কাষ্টাৰ্ড বনাই তেওঁ ডাইনিঙলৈ মাতিছে।
চকচকীয়া গিলাচত চকচকীয়া ৰুচি ঢালি তেওঁ গেছষ্ট'ভত থিতাতে চাহ বহাই দিলে
বাৰ্বন বিস্কিট, অমলেট আৰু
বাঃ! ফুচ্‌কা নে ঝালমুড়ি
পাকিজা নে মীনাকুমাৰী?? স্মৃতি, স্মৃতি...
প্ৰায়ে লেকচাৰ মাৰোঁ
তেওঁৰ বাথৰুমত চিঞৰোঁ, কাপোৰ ধুওঁ, 'উজলা' বেছিকৈ দিওঁ বগা কাপোৰত
উচ্চগ্ৰামত মই ষ্টেৰিঅ' বজাওঁ, জুবিনে চিঞৰে, মই আৰু চিঞৰি দিওঁ
ফোন আহিলে স্মৃতি ফুকনে দৰ্জাত ঢকিয়া
ছোৱালীৰ ফোন হ'লে ক'ব গধুৰ গধুৰ কৰি—অঁ। তেওঁ শুই আছে
জগালে খং কৰিব, তুমি কোনে ক'লা ... কাট্।
স্মৃতি ফুকনলৈ তেতিয়া মোৰ খং উঠি যায়
প্ৰকৃততে মোৰ মাৰ নিচিনা তেওঁ
কোনো নাৰীৰ পাল্লাত পৰিবলৈ নিদিয়ে, আচৰিত ধৰণেই
মোৰ মাৰ লগত তেওঁৰ আচৰিত মিল
তেওঁৰ ডাঙৰটো ল'ৰা বাহিৰত। মোৰ দৰেই হেনো। বতাহে উৰুৱাই নিয়া
নাখায়, নহয়...
স্মৃতি ফুকনৰ পৰিষ্কাৰ চৌহদ। ট্ৰিম কৰা ল'ন
পিছফালে নিমগছ আৰু তেজপাত, আগফালে ওখ কেক্‌টাছ আছে
স্মৃতি ফুকনৰ ধুনীয়া ভাৰাঘৰ, ধুনীয়া কোঠালি মোৰ মন ধুনীয়া হৈ থাকে
কিয়নো এইখন হৈছে নিজৰাপাৰ



এলাচিবিয়ান ২০১৬-২০১৭ শিক্ষা বৰ্ষ

নিজৰাপাৰত গানে আনে
নিজৰাপাৰত জোনাকী উৰে
ময়ো ওলাই যাওঁ জোনাকী পৰুৱা হৈ জয়ন্ত হাজৰিকাৰ ঘৰৰ কাষেৰে হেলনীয়া
হেলনীয়াকৈ
এডাল ৰাধাচূড়াত মই সপোন আঁকি দিওঁ
স্মৃতি ফুকনে নহৰু বেছিকৈ দিছে, মলমলাইছে। তেওঁ বাত বিষৰ মাষ্টাৰ
ধকধকীয়াকৈ ধুই কাপোৰ মেলিছে তাঁৰত স্মৃতি ফুকনে
সৌৰা, সৌজনী। হেঙাৰবোৰত এটা এটাকৈ 'পিটাৰ ইংলেণ্ডৰ' ছাৰ্ট ওলোমাই দিছে
ৰ'দ ওলাইছে ৰাতিপুৱা
টোপ টোপকৈ পানী পৰিছে।
স্মৃতি ফুকন !
এদিন উদাস পৰত তেওঁ মোক সঁচা কথা কৈছিল—
আমি চব অঘৰী, জীৱন দুদিনীয়া জীৱনটোৰেই ভাৰাঘৰ
অনিল ফুকনৰ ঘৰলৈ বিয়া হোৱাৰ বাবেই গোলাঘাটৰ পৰা
তেওঁ ইয়ালৈ আহিবলগা হ'ল সংসাৰৰ দায়িত্ব হ'ল
ডাঙৰ ল'ৰালৈ তেওঁৰ মনত পাৰে, সি ফোন-চোন নকৰে, এইবাৰ আহিলে...
স্মৃতি ফুকন এতিয়া বিষাদ
স্মৃতি ফুকন এতিয়া উদাস
গছৰ পাত সৰিলেও যেন এই সাৰ পাব
গীটাৰ বজোৱা তেওঁৰ সৰু ল'ৰা উজ্জ্বলে বেল টিপে দুপৰ নিশা
স্মৃতি ফুকনৰ টোপনি নাই—অ' আহিলা, মই বাগৰ দিছিলোঁহে
প্ৰায়েই মোৰ মাৰ ছায়া দেখো তেওঁৰ মুখত
প্ৰায়ে মই মাক দেখা পাওঁ তেওঁৰ কামত
তেওঁৰ কথাত
তেওঁৰ ধাৰণাত
তেওঁৰ সীমাবদ্ধতাত
খং আৰু সন্দেহত
ভয় আৰু আশংকাত চবতেই মোৰ মা জুৰি আছে
নাৰীৰ থাকিবলগীয়া গুণ আৰু গোপন চকুপানীৰে
স্মৃতি ফুকন এগৰাকী সহজাত নাৰী
সংবেদনশীল...
এই নাৰী মোৰ প্ৰিয় শীত য'ত ডাঠ ক্ৰীম কালাৰ চকল চকল বুটা বছা
সেই ডিজাইনবোৰ নানা ঋতুৰ নানা ফুলৰ
তেনেকুৱা এখন মৰমলগা শ্বল মেৰাই বাৰাণ্ডাৰ চেয়াৰত সৌৰা যেন মা
মোক মাতিছে কাষলৈ
মোক মাতিছে কাষলৈ

স্মৃতি ফুকন !
স্মৃতি ফুকনৰ ভাৰাঘাৰত থাকি যোৱাৰ প্ৰবল বাসনা থাকি যায় মোৰ
যদিও সেই ঘৰ মই এৰিছোঁ।



# প্রবন্ধ

# সুখকৰ সমাজৰ ভাবনা

**ড° দীপক গোস্বামী**
সহযোগী অধ্যাপক
অৰ্থনীতি বিভাগ

মই লিখিব লোৱা বিষয়টোৰ ওপৰত আগতে বহু আলোচনা হৈছে। বিষয়টোৰ পৰা সৃষ্টি হোৱা সমস্যা আৰু সমাজৰ বিভিন্ন ক্ষেত্ৰত পৰা ইয়াৰ কুপ্ৰভাৱৰ ওপৰত বহু বিশ্লেষণ বিভিন্নজনে সময়ে সময়ে আগবঢ়াইছে। আনকি সমাজত ইয়াক পুনৰ প্ৰতিষ্ঠিত কৰাৰ পক্ষত বহুখিনি সমাধানো বা পৰামৰ্শ দিয়া হৈছে। সমাজৰ সৰ্বাঙ্গীন উন্নয়নত এই বিষয়টোৰ এক অভুতপূৰ্ব ভূমিকাৰ কথা মনলৈ অহাৰ বাবেহে আন কিছু দিশৰ ওপৰত আলোকপাত কৰি আলোচনা কৰাৰ মনৰ হেঁপাহখিনিক প্ৰকাশ কৰাৰ কাৰণে মই হাতত কলম লৈছো।

সকলো মানুহেই জীৱনটোক অতিবাহিত কৰিব লাগে সুখ-দুখক কোলাত লৈ। কিন্তু মানুহৰ এক বিশেষ বৈশিষ্ট্য হৈছে আপেক্ষিকতাৰ প্ৰতি অপৰিসীম মোহ। সেয়ে মানুহ এজনে আনজনৰ লগত তুলনা কৰাৰ প্ৰয়াসত ব্যস্ত হৈ থাকে সুখ আৰু দুখবোৰক। এই তুলনাই শোকৰ বোজা বেছি গধুৰ কৰি তোলাতহে অপৰিসীম অৰিহণা যোগায়, পাতল কৰাত নহয়। মানুহৰ মনত তেতিয়া ঈৰ্ষাই বাহ সাজে। ঈৰ্ষাৰ প্ৰকোপে ক্ষতিৰ বাট মুকলি কৰে, বিষাদগ্ৰস্ততাক সমীপলৈ আমন্ত্ৰণ কৰে আৰু জীৱনটো হৈ পৰে দুৰ্বিসহ। এটা কথা চিৰসত্য যে সৃষ্টিকৰ্তাই সমগ্ৰ মানৱক সৃষ্টি কৰাৰ সময়ত হয়তো একে মানৱীয় বৈশিষ্ট্যৰ গৰাকী কৰি সৃষ্টি কৰিছিল। সেই বৈশিষ্ট্যবোৰক লালন পালন কৰি ডাঙৰ দীঘল কৰোতে সৃষ্টিকৰ্তাই নহয় মানুহে নিজেই নিৰ্বাচনত নামি পৰে— শুদ্ধ আৰু অশুদ্ধ যিকোনো এটাক বা তাৰ সংমিশ্ৰণক আদৰি লোৱাত। এই ক্ষেত্ৰত অৱশ্যে পৰিয়ালৰ সংস্কৃতি, সংস্কাৰ ইত্যাদিৰ প্ৰভাৱে বিশেষভাৱে প্ৰভাৱান্বিত কৰে এনে নিৰ্বাচন প্ৰক্ৰিয়াত। বৰ্তমান অৱশ্যে সামাজিক পৰিৱেশে এই ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। সামাজিক পৰিৱেশ বিনষ্ট হোৱা, বৰ্তমান যুৱ প্ৰজন্মৰ মাজত মূল্যবোধৰ অৱক্ষয় হোৱা ইত্যাদিৰ কথা বিভিন্নজনে বিভিন্ন লিখনিত উল্লেখ কৰিছে। কিন্তু এই ক্ষেত্ৰত কেৱল যুৱ প্ৰজন্মক দোষাৰোপ কৰিয়েই বহুতে তেওঁলোকক মুখ্য জগৰীয়া বুলি চিহ্নিত কৰি একপক্ষীয় মন্তব্য আগবঢ়ালে সত্যক অৱমাননা কৰা হ'ব। বৰ্তমান সময়ত প্ৰযুক্তিবিদ্যাৰ ব্যাপক উন্নয়নে বহু কাৰ্য সহজ, কম সময় আৰু কম খৰচত কৰিব পৰাৰ সুবিধা প্ৰদান কৰিছে। নতুন নতুন বস্তুৰ আৱিষ্কাৰ হৈ থাকিব আৰু এইবোৰে কষ্টৰ বোজা লাঘৱ কৰাৰ উপৰিও ব্যয় তথা সময়ৰো হ্ৰাসত সহায় কৰিব। কিন্তু প্ৰত্যেক বস্তুৰে ব্যৱহাৰৰ দুটা দিশ থাকে— সঠিক ব্যৱহাৰ আৰু অপব্যৱহাৰ। সঠিক ব্যৱহাৰে উন্নয়নৰ গতি ক্ষিপ্ৰ কৰে আৰু অপব্যৱহাৰে বিকাশৰ গতি ৰুদ্ধ কৰে। উন্নয়ন বা বিকাশে কেৱল অৰ্থনৈতিক দিশটোকে সামৰি নলয়। ই সামৰি লয় সামাজিক, আনুষ্ঠানিক, সাংস্কৃতিক, মানসিক বিকাশৰ দিশবোৰকো। এইবোৰ প্ৰত্যেকটো দিশৰ বিকাশেই কঢ়িয়াই আনে প্ৰকৃত বিকাশৰ জীয়া ছবি। এই ছবিখন অংকন কৰাৰ বাবে অনুজসকলক শিক্ষা বা প্ৰশিক্ষণ প্ৰদান

কৰে অগ্ৰজসকলে। অগ্ৰজসকলৰ পদ্ধতিসমূহ দোষমুক্ত হ'লেহে অনুজসকল দোষযুক্ততাৰ কবলৰ কৰাল গ্ৰাসৰ পৰা মুক্ত হ'ব। বৰ্তমান সমাজত এনে অগ্ৰজ বহুসংখ্যক ব্যক্তিৰ প্ৰকৃতি, চৰিত্ৰ ইত্যাদিয়ে ইতিবাচক দিশত কিমান বৰঙণি যোগাইছে সেইটোও এটা চিন্তাৰ বিষয়। নিজৰ ল'ৰা-ছোৱালীয়ে নিজৰ পিতৃ-মাতৃক নানা অসামাজিক কামত লিপ্ত হোৱাৰ চাক্ষুষ প্ৰমাণ পোৱাৰ পিছত তেনে ল'ৰা-ছোৱালীৰ পৰা সমাজে সঠিক পথৰ সন্ধান ল'ব বিচৰাটো সমাজৰ বাবে এক বৃহৎ ভুল। গতিকে সামাজিক পৰিৱেশৰ অৱনমনৰ বাবে অগ্ৰজ বহুতৰে যুৱ প্ৰজন্মক দোষাৰোপ কৰাৰ অধিকাৰ নাই। বৰং যুৱপ্ৰজন্মক বেঁকা পথত খোজ দিয়াৰ শিক্ষা প্ৰদান কৰি অগ্ৰজ সকলে ৰুদ্ধ কৰিছে নৱচাম যুৱক যুৱতীৰ প্ৰকৃত পথত খোজ দিয়াৰ দুৱাৰখন।

মানুহ প্ৰকৃততে মানৱ সম্পদলৈ ৰূপান্তৰিত হয় সু-শিক্ষা আৰু প্ৰশিক্ষণৰ জ্ঞান লাভ কৰি সেই জ্ঞানৰ আলোকেৰে সমাজ আলোকিত কৰাত। বহুসংখ্যক বিদ্বান ব্যক্তিয়ে প্ৰচলিত শিক্ষা ব্যৱস্থাটোক দোষেৰে আবৃত এক শিক্ষা ব্যৱস্থা বুলি অভিহিত কৰিছে। তেখেতসকলৰ মতে কেনেকুৱা শিক্ষা ব্যৱস্থা গ্ৰহণ কৰিলে সমাজৰ বৌদ্ধিক আৰু নিয়োগ এই দুয়োটা ক্ষেত্ৰতে উন্নয়ন হ'ব তাৰ ওপৰত মুঠেই নজৰ দিয়া নহয়। উল্লেখযোগ্য যে এনে শিক্ষা ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত শিক্ষাৰ লগত নিবিড়ভাৱে জৰিত ব্যক্তিৰ মতামত লোৱাৰ কাৰ্যকো বহু সময়ত আওকাণ কৰা হয়। শিক্ষাবিদ, বুদ্ধিজীৱীক বাদ দি ৰাজনৈতিক উদ্দেশ্য সাধনৰ বাবে শিক্ষাৰ লগত সম্পৰ্ক নথকা ব্যক্তিৰ দ্বাৰা শিক্ষাৰ নীতি গ্ৰহণ কৰিলে তেনে শিক্ষাই সমাজক সঠিক দিক নিৰ্ণয়ত অকৃতকাৰ্য হোৱাটো নিশ্চিত। ৰাজনৈতিক নেতা বা আমোলা বিষয়াৰ দ্বাৰা গৃহীত আৰু ৰূপায়িত শিক্ষা ব্যৱস্থাই সমাজৰ কোনো লোকৰেই কল্যাণ সাধন কৰিব নোৱাৰে। বিশিষ্ট অৰ্থনীতিবিদ সকলেও এই বিষয়ত তেখেত সকলৰ মন্তব্য প্ৰকাশ কৰিছে। অৰ্থনীতিবিদ সকলৰ মতে শিক্ষানুষ্ঠান, প্ৰশিক্ষণ কেন্দ্ৰ আৰু অন্যান্য নিয়োগ ক্ষেত্ৰৰ মাজত সমন্বয়ৰ অভাৱ ঘটাৰ ফলতেই বৰ্তমান শিক্ষা ব্যৱস্থাই নিয়োগ সৃষ্টিত বাধাৰ সন্মুখীন হৈছে। ফলস্বৰূপে এহাতে কৰ্মহীন লোকৰ সংখ্যা বৃদ্ধি পাইছে আৰু আনহাতে বিশেষভাৱে কাৰিকৰী বা প্ৰযুক্তিবিদ্যাৰ জ্ঞান নথকা লোকৰ যোগান বাঢ়িছে। অৰ্থনীতিবিদ সকলে নিয়োগমুখী শিক্ষাৰ প্ৰসাৰৰ ওপৰত অধিক গুৰুত্ব প্ৰদানৰ সপক্ষে মত পোষণ কৰিছে। অৰ্থনীতি এখনৰ বৰ্তমান আৰু ভৱিষ্যৎ প্ৰয়োজনীয়তাৰ ওপৰত পদক্ষেপ গ্ৰহণ কৰিহে জনশক্তি উৎপাদন কৰাত শিক্ষা ব্যৱস্থাই চকু দিয়া উচিত।

অৰ্থনীতিবিদ সকলৰ এই দিশটোৰ গ্ৰহণযোগ্যতা আছে যদিও শিক্ষা ব্যৱস্থাই আন আন বেলেগ কিছুমান দিশকো সামৰি লয়। শিক্ষা ব্যৱস্থাৰ মূল ভেঁটি যদি কেৱল প্ৰকৃত মানুহ সৃষ্টি কৰাটোৱেই হয়, তেনেহলে কেৱল নিয়োগৰ বৃদ্ধিয়েই ইয়াৰ সফলতাৰ মূল মাপকাঠি হ'ব নোৱাৰে। দেশখনৰ স্থিৰতা কেৱল শিক্ষিত লোকৰ হাৰ বৃদ্ধি আৰু উপযুক্ত কৰ্মসংস্থানৰ সৃষ্টিয়ে প্ৰতিফলিত নকৰে। নৈতিকতাৰ দিশটোক এই ক্ষেত্ৰত এৰাই চলিব নোৱাৰি। সেই কাৰণে শিক্ষা ব্যৱস্থাই হৃদয়ক প্ৰভাৱিত কৰিব পৰা শিক্ষাৰ প্ৰৱৰ্তনৰ ওপৰত বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগে। নৈতিকতাবিহীন শিক্ষাই এখন সমাজৰ বাবে ভয়ংকৰ বিপদৰ পথ মুকলি কৰে। উচ্চ শিক্ষিত হৈ বিভিন্ন ডিগ্ৰী গ্ৰহণ কৰি উপযুক্ত নিয়োগ লাভ কৰিলেও নৈতিকতাক বিসৰ্জন দিলে তেনে শিক্ষাই সমাজৰ কল্যাণ সাধনত ব্যৰ্থ হয়। সকলোতকৈ উল্লেখযোগ্য কথাটো হ'ল ইয়ে পিছৰচাম যুৱক-যুৱতীক নৈতিকতাৰ স্খলনৰ প্ৰতি অধিক আকৰ্ষিত কৰিব। ভৱিষ্যতে এনে শিক্ষাৰ বহল প্ৰসাৰে কিন্তু সমাজৰ মঙ্গল সাধনত প্ৰধান হেঙাৰ হিচাপে থিয় দিব।

বৰ্তমান সকলো ব্যক্তিৰ ক্ষেত্ৰতেই মৰম, ভালপোৱা, আন্তৰিকতা, দয়া, সহানুভূতি ইত্যাদি গুণবোৰৰ ভয়ংকৰ অভাৱ পৰিলক্ষিত হৈছে। অত্যাধিক আত্মকেন্দ্ৰিক মনোভাৱ, ধনৰ প্ৰতি অতিপাত লিপ্সা, বাহুবল, স্বজনপ্ৰীতি, দুৰ্নীতি ইত্যাদিয়ে স্থায়ীভাৱে থিতাপি লৈছে বুজন সংখ্যক লোকৰ চৰিত্ৰত। অন্য মানুহৰ কথা বাদেই, নিজৰ ভাতৃ-ভগ্নী, পিতৃ-মাতৃৰ প্ৰতি অন্তৰত সঞ্চিত হৈ থাকিবলগীয়া এই গুণবোৰৰ অকালতে মৃত্যু হৈছে। ই সঁচাকৈয়ে সমাজ এখনৰ মানসিক গতিশীলতাক স্থবিৰ কৰাৰ পথ সুগম কৰিছে। ভোগবাদী ব্যৱস্থাই স্থায়ীভাৱে অধিক লোকৰ মনত বাহ সজাৰ ফলত কিছু সংখ্যক সৎচিন্তা বা সৎগুণৰ অধিকাৰী

ব্যক্তিৰ জীৱন হৈ পৰিছে শোক আৰু বেদনাৰে ভৰা জীৱন। হতাশা, নিৰাশা, বিষাদগ্ৰস্ততা, বিষন্নতাৰ হাতোৰাই চেপি ধৰি তেনে লোকৰ জীৱনক সজোৰে। কৰ্মপ্ৰেৰণা, উৎসাহ, নিপুণতা ইত্যাদিৰ ওপৰত ঋণাত্মক প্ৰভাৱ পৰাৰ ফলত এই লোকসকলৰ বিভিন্ন ক্ষেত্ৰলৈ যোগোৱা অৰিহণাৰ পৰিমাণ হ্ৰাস পাইছে। ফলত সৎ ব্যক্তিৰ সৎ গুণৰ পৰা সমাজখন বঞ্চিত হৈছে। ই সমাজ এখনৰ সঁচা উন্নয়নৰ পথত হেঙাৰ হোৱা নাইনে?

সমাজত এনেবোৰ ৰোগৰ সংখ্যা আৰু যথেষ্ট আছে। বহু এনে নেতিবাচক দিশ এই আলোচনাত সামৰি লোৱা হোৱা নাই। যিখিনি কথা উল্লেখ কৰা হৈছে সেইখিনি বৰ্তমান কম-বেছি পৰিমাণে সকলোৰে উপলব্ধি কৰিছে। কিন্তু প্ৰকৃত কথাটো হৈছে এই ৰোগসমূহ নিৰাময়ৰ তৎকালীন ব্যৱস্থা গ্ৰহণ কৰাটো। ব্যৱস্থা গ্ৰহণত বুদ্ধিজীৱী, বিশিষ্ট শিক্ষাবিদ, অৰ্থনীতিবিদ, বিভিন্ন ধৰ্মৰ গুৰু, ৰাজনীতিক ইত্যাদিৰ সমূহীয়া প্ৰচেষ্টা একান্তই প্ৰয়োজনীয়। দেশৰ স্বাৰ্থত আৰু ভৱিষ্যৎ প্ৰজন্মৰ জীৱন সুখদায়ক আৰু গতিশীল কৰাৰ বাবে চিন্তাচৰ্চা কৰাৰ এখন মঞ্চ গঠন কৰিব লাগে। ইতিমধ্যে বহু পলম হৈছে যদিও শিক্ষানীতিৰ পৰা আৰম্ভ কৰি অন্যান্য দিশত বিভিন্ন নীতি অনতিপলমে নিৰ্ধাৰণ কৰি তাক কাগজতে সীমাবদ্ধ নাৰাখি সফল ৰূপায়ণৰ বাবে উঠিপৰি লাগিব লাগে। এই ক্ষেত্ৰত মই ভাবো দেশক প্ৰথমতে ভাল পাবলৈ শিকাৰ শিক্ষাৰ ব্যৱস্থা গঢ়ি তুলিব লাগে। নিজৰ ঘৰ, নিজৰ গাঁও-চহৰ-নগৰ, নিজৰ জিলা, নিজৰ ৰাজ্যক ভালপোৱাৰ বীজ ৰোপণ কৰিব লাগে প্ৰতিজন নাগৰিকৰ হৃদয়ত। এনে বীজ অংকুৰিত হ'লে ই দেশৰ প্ৰেমৰ পথাৰত লহপহীয়া শইচ হৈ চিৰসেউজ ধৰণীৰ সৃষ্টি কৰিব। তাৰ বাবে প্ৰয়োজন হ'ব বুদ্ধিমত্তাৰ আবেগ, অনুভূতি আৰু সেইবোৰৰ সফল প্ৰয়োগ। জনমতৰ অভাৱে গ্ৰহণযোগ্যতা নথকা কথা বা কাৰ্যক গ্ৰহণ কৰিবলৈ বাধ্য কৰায়। সৎ ব্যক্তিৰ অভাৱ হোৱা বুলি বহুজনে ভবা কথাটোৰ সত্যতা নাই বুলি মই ভাবো। কিছু সংখ্যক সৎ লোকৰ উপস্থিতিয়ে বৰ্তমান সমাজখনক ধ্বংসৰ গৰাহৰ পৰা বহু পৰিমাণে ৰক্ষা কৰি আছে। তেনেবোৰ ব্যক্তিৰ একত্ৰিত প্ৰচেষ্টাই নিশ্চয় বিভিন্ন ৰোগে আক্ৰমণ কৰি কোঙা কৰা সমাজৰ শৰীৰটোক সবল কৰাত সফলকাম হ'ব। আহক আমি সকলোৰে এনে এখন সমাজ গঢ়াৰ সপোন দেখো আৰু সেই সপোন দিঠকত পৰিণত কৰো আমাৰ প্ৰচেষ্টা, কষ্ট, সময় কিছু খৰচ কৰি আৰু শত্ৰুৰ শংকাক প্ৰতিহত কৰাত সাহস বুকুত বান্ধি।

*"The difference between a successful person and others is not a lack of strength, not a lack of knowledge, but rather a lack of will."* - **Vince Lombardi**



# ড° ভূপেন হাজৰিকাৰ গীতত মানৱতা

**ড° বিজয়া বড়া**
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

গীত যাৰ জীৱনৰ বৃত্তপথ তেঁৱেই ড° ভূপেন হাজৰিকা। অসমীয়া সমাজৰ হিয়াৰ আমঠু ড° ভূপেন হাজৰিকা। গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক, চলচিত্ৰ পৰিচালক, প্ৰযোজক, চিত্ৰশিল্পী, শিক্ষাবিদ, সাহিত্যিক, ৰাজনীতিবিদ, সাংবাদিক ড° ভূপেন হাজৰিকা নিজেই এক জীৱন্ত যাদুঘৰ আছিল। ড° ভূপেন হাজৰিকা বুলিলে আমি সাধাৰণ মানুহে 'গীত'ৰ কথাহে বুজো। তেওঁৰ গীতৰ কথা, সুৰ, ছন্দই ডেকাৰ পৰা বুঢ়ালৈ, জীয়ৰীৰ পৰা বোৱাৰীলৈ সকলোকে সমানে আকৃষ্ট কৰে। সেয়ে সকলোৰে মুখত ভূপেনদা। আমাৰ ভূপেনদা।

আধুনিক অসমীয়া গীতি-সাহিত্যত ড° ভূপেন হাজৰিকাৰ স্থান অনন্য। শব্দ, সুৰ আৰু অদ্বিতীয় কণ্ঠৰ মায়াজালেৰে সকলো লোকক স্তম্ভিত আৰু মোহাচ্ছন্ন কৰি ৰাখিব পৰা দুৰন্ত প্ৰতিভাৰ গৰাকী ড° হাজৰিকাৰ জনপ্ৰিয়তাৰ তুলনা নাই। বিশ্বৰ বহুচৰ্চিত, বহুবিন্দিত, বিশ্ববিশ্ৰুত শিল্পী ড° ভূপেন হাজৰিকাৰ গীতত প্ৰাণ পাই উঠিছে জাতীয়তাবাদ, মানৱতাবাদ, সাম্যবাদ তথা বিশ্বভাতৃত্ববোধ আৰু বিশ্বজনীনতাৰ আমোঘ মন্ত্ৰ। তেওঁৰ অন্তস্পৰ্শী সুমধুৰ গীতবোৰে সমগ্ৰ বিশ্বৰে দৃষ্টি আকৰ্ষণ কৰিছিল। বিভিন্ন উপাদান আৰু উৎকৃষ্ট সমলেৰে জীপাল হৈ থকা আমাৰ সাংস্কৃতিক আকাশত ভূপেনদা কাহানিও অস্ত নোযোৱা এটি সূৰ্য।

ড° ভূপেন হাজৰিকাৰ গীতত মানৱতাবাদী দৃষ্টিভংগী স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে। সমাজৰ নিপীড়িত, নিস্পেষিত, নিৰ্যাতিত মানৱ-সত্তাৰ অন্বেষণেই তেওঁৰ গীতৰ অন্যতম বৈশিষ্ট্য। তেওঁ মানৱতাবাদক কেন্দ্ৰ কৰি অসমীয়া সংগীতৰ জগতলৈ নতুন নতুন চিন্তাধাৰা আৰু ন-চেতনা বোৱাই আনিলে। সেয়েহে ক'ব পাৰি তেওঁৰ মানৱতাবাদী গীতসমূহে এখন সুস্থ সবল সমাজ গঢ়াত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। তেওঁ মানৱপ্ৰেমৰ এক যুগ-চেতনা শ্ৰোতাসকলৰ মনত জগাই তুলিবলৈ বিশেষ চেষ্টা কৰা দেখা যায়।

বিশ্ববিশ্ৰুত শিল্পীজনাৰ মানৱতাবাদী গীত সৃষ্টিৰ ক্ষেত্ৰত এক উজ্জ্বলতম নিদৰ্শন হৈছে "মানুহে মানুহৰ বাবে....." গীতটি। মানৱ প্ৰেমৰ অনন্য নিদৰ্শন স্বৰূপ এই গীতটি ১০৬০-৬১ চনৰ ভাষা আন্দোলনৰ সময়ত শিল্পীজনাই সমকাল চিন্তা-চেতনা আৰু আৱেগেৰে ৰচনা কৰিছিল—

"মানুহে মানুহৰ বাবে
যদিহে অকনো নাভাৱে
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা সমনীয়া? ....."
(ড° ভূপেন হাজৰিকা গীত সমগ্ৰ, পৃ. ৩৯৩)

এজন প্ৰকৃত মানুহ হ'বলৈ হ'লে সুস্থ মস্তিষ্ক, দয়া-মমতা, কৰুণা আদি মানৱীয় গুণবিলাক থাকিব লাগিব আৰু তাৰ ব্যতিক্ৰম হ'লেই দানৱ আৰু মানৱৰ মাজত কোনো পাৰ্থক্যই নাথকিব। "মানুহে মানুহৰ বাবে......" গীতটোত মানৱীয় সত্তা আছে বাবেই বাংলা ৰূপান্তৰে 'বি বি চি লণ্ডন' (বাংলা শাখাৰ) সমীক্ষাত যোৱাটো শতিকাৰ সৰ্বশ্ৰেষ্ঠ আধুনিক গীত হিচাপে পৰিগণিত হৈছিল।

১৯৬২ চনৰ চীনা সৈন্যই বমডিলা আক্ৰমণ কৰাৰ সময়ত ড° ভূপেন হাজৰিকাই সীমান্তৰ সৈন্যসকলৰ মাজত

যি অভিজ্ঞতা লাভ কৰিছিল সেয়া অতি কৰুণ আৰু মানৱীয় অনুকম্পাৰে প্ৰকাশ কৰিছে এইদৰে—

"কত জোৱানৰ মৃত্যু হ'ল
কাৰ জীৱন যৌৱন গ'ল
সেই মৃত্যু অপৰাজেয়
তেনে মৃতক নহ'লো মই কিয়? ....."
(ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ, পৃ.১৩৬)

চীনা আক্ৰমণৰ সময়ত সীমান্তৰ পৰিস্থিতি উপলব্ধি কৰিয়েই তেওঁ গাইছিল—

"বুকু হম্ হম্ কৰে মোৰ আই
কোনে নিদ্ৰা হৰে মোৰ আই।......"

১৯৭১ চনতে তাহানিৰ পূৰ পাকিস্তান, পশ্চিম পাকিস্তানৰ সংঘৰ্ষই সৃষ্টি কৰা অৱৰ্ণনীয় অমানৱীয় পৰিস্থিতিত ড° হাজৰিকাৰ মানৱীয় সত্তা মূৰ্ত হৈ উঠিছে—

"একেই আকাশ একে বতাহ
দুই কলিজাত একে উশাহ
দুটি চৰাইৰ দুটি মাতৰ মুৰ্চ্ছনা
অ' মোৰ চকুলোৰে দুটি ধাৰা মেঘনা যমুনা।"........
(ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ, পৃ. ১২৬)

কৃষকৰ বুকুৰ বেথা মৰ্মে মৰ্মে উপলব্ধি কৰা ড° ভূপেন হাজৰিকাই লিখিছে—

"শীতৰে সেমেকা ৰাতি
বস্ত্ৰহীন কোনো খেতিয়কৰ
ভাগি পৰা পঁজাটি
তুঁহজুই একুৰাৰ
উমি উমি জ্বলি থকা
ৰক্তিম যেন এটি উত্তাপ হওঁ।......"
(ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ, পৃ. ৪৬৮)

ড° ভূপেন হাজৰিকাই মানুহৰ অন্তৰত সমবেদনা জগায়েই ক্ষান্ত নাছিল— তেওঁ বিচাৰিছিল মানৱতাৰ সক্ৰিয় প্ৰকাশ। সেয়ে তেওঁৰ কলমেৰে নিগৰিছিল "দুৰ্বল মানুহে যদি, জীৱনৰ কোবাল নদী, পাৰ হয় তোমাৰে সাহত, তুমি হেৰুৱাবানো কি?....", "স্নেহেই আমাৰ শত শ্ৰাৱণত ধাৰাসাৰ বৃষ্টিৰ প্লাৱন আনে?.....", "অগনন মানৱৰ শান্তি সমদল, সৃষ্টিকামী জীৱন্ত.....", "জাগিগুঠা মানৱে হেজাৰ চিএৱৰ মাৰে .....", আদি গীতত মানৱতাবাদৰ আশাপূৰ্ণ প্ৰকাশভংগী দেখিবলৈ পোৱা যায়। মানৱীয় সত্তা প্ৰকাশ তেওঁৰ আন কেইটামান গীত হ'ল—

"যদি জীৱনে কান্দে নাই নাই বুলি...."
"নামি আহা সুন্দৰৰে সেনা শিল্পী দল......."
"চিত্ৰলেখা চিত্ৰলেখা চিত্ৰ এটি আঁকানা......."

"প্ৰথম নহয়, দ্বিতীয় নহয়, তৃতীয় শ্ৰেণীৰ যাত্ৰী আমি" ইত্যাদি।

ড° ভূপেন হাজৰিকাৰ মানৱীয় সত্তা কেৱল অসমৰ মাজতে সীমাবদ্ধ নহয়, ই বিশ্বজনীন। কোনো ভৌগোলিক সীমাৰেখাই তেওঁৰ আৱেগ-অনুভূতিক বাধাগ্ৰস্ত কৰিব পৰা নাই। সেয়ে তেওঁৰ গীতত পৃথিৱীৰ সৰ্বস্তৰৰ মানুহৰ প্ৰতি একেই আবেদন বা অনুকম্পা অনুভৱ হয়। এইক্ষেত্ৰত প্ৰাণজিৎ বৰুৱাই তেওঁৰ আন্তৰ্জাতিক চেতনা সম্পৰ্কে আগবঢ়োৱা মতামত প্ৰণিধানযোগ্য— "তেওঁ সংস্কৃতিৰ কাৰণে পেৰিছ, সংগীতৰ কাৰণে ভিয়েনা, ঐতিহ্যৰ কাৰণে গ্ৰীচ আৰু পৃথিৱীৰ নানা দেশ কেতিয়াবা নাৱেৰে, কেতিয়াবা বাছ আৰু ৰেলেৰে, কেতিয়াবা উৰাজাহাজেৰে ঘূৰি ফুৰিছে আৰু পৰিচিত হৈছে নানা দেশৰ নানা মানুহৰ স'তে ইয়াৰ অংকন কৰিছে। ঠিক সেইদৰে বিহাৰৰ খৰাংপীড়িত লোকসকলৰ প্ৰতি তেওঁৰ বিশ্বজনীন ধাৰণাৰ পৰাই সৃষ্টি হৈছিল—

"মানুহে মানুহৰ বাবে, যদিহে অকনো নাভাবে।............"

"মই এটি যাযাবৰ, ধৰাৰ দিহিঙে দিপাঙে লৱৰো, নিবিচাৰি নিজা ঘৰ......"

"সাগৰ সংগমত কতনা সাঁতুৰিলো......"
"গঙ্গা মোৰ মা, পদ্মা মোৰ মা....."
"মাণ্ডেলা জিন্দাবাদ....."
"বন্দো বিশ্বে....."

"বিহাৰ ৰাজ্যত কোটি কোটি লোকে, লেখিছে শ্মশান ভূমি....." ইত্যাদি গীত।

দেশে দেশে নিৰ্যাতিত মানুহৰ একেই ৰূপ তেওঁ প্ৰত্যক্ষ কৰিছিল। ই ভাৰতীয়ই হওক কিম্বা মিছৰৰ নীল নৈপৰীয়াই হও। তেওঁ মিছৰৰ নীল নৈপৰীয়া দুখীয়া কৃষকৰ বুকুতো শুনিছে একেই বিননি—

"মিছৰ দেশৰে নীল নৈৰ পাৰৰে
ফাল্লাহীনে বিনালে
কৈ কৃষকৰ বুকুৰে বেথা।
মিচিচিপিৰ পাৰতে

কঁপাহৰ খেতিতে
নিগ্ৰোজনে বিনালে
কৈ মানুহৰ বৰণৰ কথা.....”
(ড° ভূপেন হাজৰিকা গীত সমগ্ৰ, পৃ-৪৭)

ড° ভূপেন হাজৰিকাৰ মানৱতাবাদী গীতৰ এটি উল্লেখযোগ্য দিশ হৈছে জাতি-ধৰ্ম-ভাষা-সম্প্ৰদায় নিৰ্বিশেষে সমন্বয় আৰু সম্প্ৰীতিৰ মনোভাব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অসমীয়া জাতি গঠনৰ যি আদৰ্শ, সেই আদৰ্শ সৰোগত কৰি লৈছিল ড° ভূপেন হাজৰিকাই। তেওঁ নিজ সম্পৰ্কে কৰিছে অকপট স্বীকাৰোক্তি, “মই কিন্তু সমাজ সচেতনতা লৈ জনম লৈছো। সমাজ সচেতনতা লৈয়েই সৃষ্টি কৰি আছো, সৃষ্টি কৰি যাম আৰু চকু বন্ধ কৰিম সেই সমাজ সচেতনতা লৈয়েই।”

অসমৰ জনগোষ্ঠী, সম্প্ৰদায় আদিৰ মাজত সম্প্ৰীতি আৰু সমন্বয়ৰ মাজেৰে অসমক গঢ় দিয়াৰ চেষ্টা তেওঁ গীতৰ যোগেদিয়ে কৰিছে—

“উপাধ্যায়, ত্ৰিপাঠী, আফাজ, তমিজ
আৰু কৰ্মকাৰ চাহ বাগিছাৰ
অসমীক আঁকোৱালি পাতিছে মনৰ কথা
ভাষা নৱ অসমীয়াৰ।.......”

পাহাৰ আৰু ভৈয়ামৰ মৰমৰ প্ৰতিচ্ছবি গীতেৰে প্ৰকাশ কৰিছে—

“কামেং চিয়াং
লোহিত আৰু
টিৰাপ সোৱণশিৰি
শোভে হিমগিৰি।......”

পাহাৰ-ভৈয়াম সম্প্ৰীতিৰ এনাজৰী প্ৰকাশক তেওঁৰ আন কেইটামান গীত হ'ল— “চিয়াঙৰ গালং.....”, “লিয়েন মাকাও.......”, “কহিমাৰে আধুনিকা ডালিমী .....”, “অ মিচিং গাভৰু.....”, “বৰদৈচিলা নে সৰুদৈচিলা.....” ইত্যাদি। তেওঁ পূৰ্ব ভাৰতৰ সাংস্কৃতিক ঐক্যৰ কথা, সমন্বয়ৰ কথা গীতৰ মাজেদি প্ৰকাশ কৰিছে এইদৰে—

“মহাবাহু ব্ৰহ্মপুত্ৰ, মহামিলনৰ তীৰ্থ
কত যুগ ধৰি আহিছে প্ৰকাশি
সমন্বয়ৰ অৰ্থ ।।
সুদূৰ বংশতে শংকৰদেউ ইয়াতে জনমিলে।
মৰুৰ দেশৰ আজান ফকিৰে
মধুৰ জিকিৰ ৰচিলে।......”
(ড° ভূপেন হাজৰিকা গীত সমগ্ৰ, পৃ.৩৮৯)

অসমলৈ বিভিন্ন সময়ত ভিন ভিন কাৰণত প্ৰব্ৰজন ঘটা জাতি, জনগোষ্ঠীসমূহে সাংস্কৃতিক দিশত ঐক্য, সমন্বয় আৰু মহামিলনৰ ভেটি নিৰ্মাণ কৰে। তেওঁৰ গীতটিত অসমৰ বিভেদকামী শক্তিসমূহক নিঃশেষ কৰাৰ মানসিকতা প্ৰকাশ পাইছে।

দৰিদ্ৰ আৰু নিৰ্যাতিত মানৱীয় সত্তাৰ প্ৰতিফলন ড° হাজৰিকাৰ মানৱতাবাদী গীতৰ আন এটি বৈশিষ্ট্য। সমাজৰ সৰ্বহাৰা, শোষিত-নিষ্পোষিত, নিৰ্যাতিত, দৰিদ্ৰ লোকসকলৰ প্ৰতি তেওঁৰ গীতত গভীৰ সংবেদনশীলতা প্ৰতিফলিত হোৱা দেখা যায়। সৰ্বসাধাৰণ লোকৰ দুখ লগা পৰিস্থিতি আৰু মৰ্মস্পৰ্শী বাণী তেওঁৰ গীতত সুন্দৰ ৰূপত প্ৰতিফলিত হৈছে। যেনে—

“কত মানুহ, কত যে ইতিহাস...”,
“ৰংমনৰ কঠিয়াতলীৰ বেথা....”,
“শীতৰে সেমেকা ৰাতি.....”
“ভৰা বাৰিষাৰ বানে
খহাই নিলে গাঁও
পাৰতে উচুপি কান্দে দুখীয়াৰ ছাও....”,
“ৰাইজ আজি আৰৱীয়া....”,
“ধৰিত্ৰী আই মোৰ....”
“কাৰ কপালত সেন্দুৰ মচা গ'ল
কোন মাতৃৰ বুকু শুদা হ'ল....”

সাম্যবাদী ধাৰণাৰে পুষ্ট ড° ভূপেন হাজৰিকাৰ গীতত শ্ৰেণী বৈষম্যহীন সমাজৰ সংকীৰ্ণতাৰ উৰ্ধ্বত উদাৰতা আৰু বিশালতাৰ কথাও ব্যক্ত কৰিছে। তেনে কেইটামান গীত হ'ল—

“অ'টোৰিক্সা চলাওঁ আমি দুয়ো ভাই....”,
“সৰু সৰু বিচাবক
ভেকুলীয়ে লাজ পায়.....”,
“হৰিজন, হিন্দু, মুছলিমৰ
বড়ো, কোঁচ, চুতীয়া, কছাৰী....”,
“অগ্নিযুগৰ ফিৰিঙতি মই.....” আদি।

সংগ্ৰামেৰে ভৰা মানৱ জীৱনৰ দৰিদ্ৰ, নিস্পেষিত, নিৰ্যাতিতজনৰ সংগ্ৰামী জীৱনৰ প্ৰতি সহানুভূতিৰে তেওঁ

আস্থাৰ প্ৰতীকি অৰ্থ গীতত এনেদৰে ব্যক্ত কৰিছে—

"মোৰ গান হওক
বহু আস্থাহীনতাৰ বিপৰীতে
এক গভীৰ আস্থাৰ গান।
মোৰ গান হওক
কল্পনা বিলাসৰ বিপৰীতে
এক সত্য প্ৰশান্তিৰ ধ্যান।......"

(ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ, পৃ.৪০৭)

ড° ভূপেন হাজৰিকাৰ গীতত মানুহেই সৰ্বস্ব। তেওঁৰ অন্তৰাত্মা সদায় সৰ্বহাৰা বিশ্বমানৱৰ বাবে অনুকম্পিত আছিল। তেওঁ কৈছিল "অস্ত্ৰ হওক মানৱতাবাদ, লক্ষ্য হওক শান্তি আৰু কল্যাণ"। বৈষ্ণৱ যুগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে ভক্তি ভাবেৰে অসমীয়া সমাজক প্লাৱিত কৰাৰ দৰে কুৰি শতিকাৰ মানৱ প্ৰেমৰ যুগত ড° ভূপেন হাজৰিকাই আমাৰ সমাজত মায়াৱী মৰমৰ অমিয়া ঢালিছে তেওঁৰ গীতৰ যোগেদি। মানৱতাবাদক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা নতুন নতুন চিন্তাধাৰ আৰু নতুন নতুন চেতনা তেওঁ অসমীয়া জাতীয় জীৱনলৈ প্ৰৱাহিত কৰিলে। কালজয়ী সংগীত স্ৰষ্টা ড° ভূপেন হাজৰিকা অকল গীতিকাৰ নহয়, এজন সমাজ সচেতন মানৱদৰদী মহামানৱ। গান যে সামাজিক পৰিৱৰ্তনৰ সুনিশ্চিত মাধ্যম হ'ব পাৰে, সেই কথা ড° হাজৰিকাই তেওঁৰ গীতৰ মাজেৰে প্ৰতিপন্ন কৰি থৈ গ'ল। ■

*"Winners make a habit of manufacturing their own positive expectations in advance of the event."* - ***Brian Tracy***

# ৰাষ্ট্ৰীয় সেৱা আঁচনি আৰু ইয়াৰ লক্ষ্য

**হীৰাবালা দাস**
সহকাৰী অধ্যাপিকা
হিন্দী বিভাগ

ৰাষ্ট্ৰীয় সেৱা আঁচনি হ'ল চৰকাৰৰ অধীনস্থ মানব সম্পদ উন্নয়ণ দপ্তৰৰ আঁচনি। এই আঁচনিৰ অধীনত দুটা বল (Force) আছে। যেনেঃ ৰাষ্ট্ৰীয় সুৰক্ষা বল (NCC) আৰু আনটো হ'ল ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS)। দুয়োটা আঁচনিৰে কামবোৰ সম্পূৰ্ণ বেলেগ কিন্তু উদ্দেশ্য প্ৰায় একেই বুলি কলেও ভুল নহয়। কিয়নো NCC ৰ কাম হ'ল ৰাষ্ট্ৰ বা দেশত বহিঃশত্ৰুৰ পৰা ৰক্ষা কৰা আৰু NSS ৰ মুখ্য উদ্দেশ্যে হ'ল ৰাষ্ট্ৰ বা দেশক আভ্যন্তৰীণ শত্ৰুৰ পৰা ৰক্ষা কৰা। মুঠতে দেশৰ বৃহত্তৰ মঙ্গলৰ স্বাৰ্থৰ খাতিৰত অৰ্থাৎ দেশখনক সকলো দিশৰেই পৰাই বিকশিত কৰিবলৈ NCC আৰু NSS দুয়োটা আঁচনিৰেই যোগদান বাৰুকৈয়ে মন কৰিবলগীয়া।

**ৰাষ্ট্ৰীয় সেৱা আচনি (NSS) সামান্য পৰিচয়**

— এই আঁচনিৰ প্ৰস্তুতি পৰ্বৰ আৰম্ভ হয় (১৯৫৯-৬০) চনৰ সময়চোৱাত। প্ৰত্যক্ষ ভাৱে শুভাৰম্ভ হয় ১৯৬৯ খ্ৰীষ্টাব্দত। ৰাষ্ট্ৰ বা সমাজক কিদৰে কিছুমান নিৰ্দ্দিষ্ট পদ্ধতিৰে সেৱা আগবঢ়াব পাৰি এই বিষয়ে বিশেষভাৱে চিন্তা চৰ্চা কৰা হৈছিল আৰু ফলস্বৰূপে ড° পিচি দেশমুখৰ অধ্যক্ষতাত গঠন হয় ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰস্তুতি। আনকি ১৯৬৪-৬৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা আয়োগতো এনেকুৱা এক আঁচনি নিৰ্মাণৰ কথা উল্লেখ কৰা হৈছিল। ইয়াত ছাত্ৰ সমাজৰ বিশেষ ভূমিকা অৱলম্বনৰ কথাও বিশেষ ভাবে ভবা হয় আৰু কিয় তেওঁ লোকৰ এই আঁচনিখন সফল কৰাৰ বাবে উল্লেখযোগ্য মহত্ব আছে তাৰো কথা উল্লেখ কৰা হয়। ছাত্ৰ সকলোৱেই হ'ল দেশৰ ভৱিষ্যত নাগৰিক। এখন সুস্থ আৰু উপযুক্ত শৈক্ষিক বাতাবৰণেৰে পৰিপূৰ্ণ সমাজ গঢ়িবলৈ ছাত্ৰসকলক উপযুক্ত সময়ত জ্ঞাত কৰিব পাৰিলেহে, তেওঁলোকে নিজৰ দেশ মাতৃ আৰু সমাজখনৰ প্ৰতি থকা মৰম আৰু উত্তৰদায়িত্বৰ বিষয়ে জানিব পাৰিব। সেয়েহে এই আঁচনিখন সম্পূৰ্ণ ৰূপে ছাত্ৰ-সমাজৰ লগত জড়িত। বিশেষকৈ মহাবিদ্যালয়ৰ স্নাতক আৰু বিশ্ববিদ্যালয় ছাত্ৰ-ছাত্ৰীসকলকহে ইয়াত অৰ্ন্তভূক্ত কৰা হয়। আঁচনিখনৰ মূল লক্ষ্যত উপনীত কৰিবলৈ তেওঁলোকক কিছুমান নিৰ্দ্দিষ্ট পদ্ধতিৰ দ্বাৰা উক্ত প্ৰকল্পটো ফলদায়ক কৰিবলৈ গঢ় দিয়া হয়। এই সময়ছোৱা তেওঁলোকৰ বাবে বিশেষ ভাবে মহত্বপূৰ্ণ। তেওঁলোকৰ স্কুলীয়া শিক্ষাৰ হেঙাৰ ডাল অতিক্ৰম কৰাৰ পিচতেই যথাক্ৰমে শাৰিৰীক, মানসিক আৰু বৌদ্ধিক বিকাশত বৃদ্ধি হ'বলৈ ধৰে। বহিঃ সমাজখনৰ লগত আগবাঢ়ি যাবৰ বাবে কোনো ব্যক্তিৰ হাত ধৰিব নালাগে। সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ প্ৰতি তেওঁলোকে জানিব লাগে। মুঠতে এক ৰাষ্ট্ৰ, এক জাতি, এক সত্বাৰ বাবে মানসিকতা গঢ়াৰ এয়াই অমূল্য সময়।

গতিকে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শ্ৰমৰ মৰ্যাদা সৰ্ম্পকে চেতনা সৃষ্টি কৰি, নিজ নিজ অঞ্চলৰ আৰ্থ-সামাজিক সমস্যাসমূহৰ প্ৰতি লক্ষ্য ৰাখি স্বেচ্ছামূলক শ্ৰমদানৰ যোগেদি সহযোগ কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হয়। ক'বলৈ হ'লে প্ৰত্যেকজন ছাত্ৰকে ভৱিষ্যত ৰাষ্ট্ৰৰ উপযুক্ত নাগৰিক ৰূপত নিজৰ মাজত আৱিষ্কাৰ কৰিবলৈ পথ দেখুওৱা হয়। যাৰ

কাৰণে যুৱ সমাজক উদ্বুদ্ধ কৰিব পৰা কিছুমান নিৰ্দ্দিষ্ট আঁচনি এই প্ৰকল্পত সন্নিৱিষ্ট কৰা হৈছে। ফলস্বৰূপ ১৯৬৯ খ্ৰীষ্টাব্দৰ ২৪ চেপ্টেম্বৰৰ দিনা মহাত্মা গান্ধীৰ জন্মশত বৰ্ষপূৰ্তিৰ সময়ছোৱাত তেতিয়াৰ কেন্দ্ৰীয় শিক্ষা মন্ত্ৰীয়ে দেশৰ ৩৭ খন বিশ্ববিদ্যালয়ক সামৰি ৪০,০০০ ছাত্ৰ-স্বেচ্ছাসেৱকক এই আঁচনিৰ বাবে পঞ্জীয়ণ ভূক্ত কৰি লোৱা হৈছিল আৰু তেতিয়াৰ ২৪ চেপ্টেম্বৰৰ দিনটো এন, এছ, এছ দিন হিচাবে অৰ্থাৎ প্ৰতিষ্ঠা দিৱস হিচাবে পালন কৰি অহা হৈছে। এইখিনিতে আমি উল্লেখ কৰিব লাগিব গান্ধীজীৰ লগত এই আঁচনিৰ কি সম্পৰ্ক? উল্লেখযোগ্য যে, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ জন্ম হয় মহামানৱ মহাত্মা গান্ধীৰ বুনিয়াদী শিক্ষাৰ (Basic education) জৰিয়তে। বুনিয়াদী শিক্ষাত যেনেকৈ দেশৰ জনগণক নিজেই নিজৰ লাগতিয়াল সামগ্ৰীসমূহ উৎপাদন কৰি স্বাৱলম্বীন হোৱাৰ পথ দেখুওৱা হয়, ঠিক সেইদৰেই সমাজ ব্যৱস্থাৰ সকলো দিশতেই থকা বাধা বিঘিনি আঁতৰাবৰ কাৰণেই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সৈতে জৰিত থকা সমূহ স্বেচ্ছাসেৱকক শিক্ষা দিয়া হয়। সাধাৰণতে দেশৰ আভ্যন্তৰীণ দিশটোক অধিক শক্তিশালী কৰি এখন আগশাৰীৰ বা উন্নতমানৰ দেশ নিৰ্ম্মাণ কৰাৰ বাবে শিক্ষা প্ৰদান কৰা হয়।

এই আঁচনিৰ কিছুমান মুখ্য উদ্দেশ্য আছে সেইবোৰ তলত উল্লেখ কৰা হ'ল—

(১) নিজৰ মাজত সামাজিক চেতনা বৃদ্ধি কৰি নাগৰিকৰ দায়িত্ব পালনৰ বাবে ব্যক্তিত্বৰ বিকাশ সাধন কৰিব লাগিব।

(২) সমাজখনৰ পৰম্পৰাৰ মাজত সম্পৰ্ক স্থাপন কৰিব লাগিব।

(৩) সমস্যা আৰু প্ৰয়োজনবোৰ উদঘাটন কৰি সমাধানৰ বাবে অগ্ৰসৰ হ'ব লাগিব।

(৪) আহৰণ কৰা শিক্ষাৰে সমাজ, গোষ্ঠী, জাতিৰ সমস্যা, ব্যক্তিৰ সমস্যা সমাধানত অৰিহনা যোগাব লাগিব।

(৫) দায়িত্ব গ্ৰহণেৰে সংঘবদ্ধভাৱে বসবাস কৰাৰ মানসিকতা আৰু দক্ষতা আয়ত্ব কৰিব লাগিব।

(৬) শাৰীৰিকভাৱে সামাজিক কামত অংশগ্ৰহণেৰে শ্ৰম দান, চিত্ৰ, শিল্প, গীত, নাট, অভিনয়, আবৃত্তি আদি বৃত্তিতা দক্ষতা আহৰণ কৰি নিজৰ প্ৰতি উদ্বুদ্ধ কৰিব লাগিব।

(৭) ৰাষ্ট্ৰৰ অখণ্ডতালৈ যাতে কোনো ধৰণৰ ভাবুকি নাহে প্ৰয়োজন সাপেক্ষে সদায় সেৱা আগবঢ়াবলৈ প্ৰস্তুত কৰি তুলিব লাগিব। যেনে, ধৰ্ম-জাতি-বৰ্ণৰ নামত হোৱা গোষ্ঠীগত সংঘৰ্ষ, ৰাজনৈতিক ভ্ৰষ্টাচাৰৰ দ্বাৰা ৰাষ্ট্ৰৰ উন্নতিত কোনো ধৰণৰ বাধা নহয় তাৰ প্ৰতি সদায় চোকা নজৰ ৰাখিব লাগিব।

(৮) দেশৰ যিকোনো দুৰ্যোগৰ সময়ত সেৱা আগবঢ়োৱাৰ বাবে নিজকে উপযুক্ত কৰি তুলিব লাগিব।

উক্ত উদ্দেশ্য সমূহ ফলপ্ৰসু কৰাৰ কাৰণে। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ কাৰণে উপযুক্ত সময় কিয়নো শাৰীৰিক আৰু মানসিক দিশৰ পৰা যথেষ্ট পৰিপক্ক হৈ উঠে। আন আন সমস্যাৰ উপৰিও দেশ বা সমাজৰ প্ৰতি সেৱাৰ মনোভাব জগাই তোলাৰ প্ৰকৃত সময়।

এন এচ এছৰ মূলমন্ত্ৰটো হ'ল মোৰ বাবে নহয়, মই তোমাৰ বাবেহে।

এই সম্পূৰ্ণ বাক্যটোতে সোমাই আছে জীৱনটো অকল নিজৰ বাবেই নহয় আনৰ বাবেও বিলাব লাগে। অৰ্থাৎ এখন সমাজৰ সামগ্ৰিক কল্যাণৰ মাজেৰেহে ব্যক্তিৰ কল্যাণ সাধিত হয়। বৰ্ত্তমান সমাজত এচাম মানুহ, যি উচ্চ শিক্ষিত আৰু মৰ্যাদাসম্পন্ন বা অৰ্থনৈতিক স্থিতিৰ ফালৰ পৰা অধিক টনকিয়াল তেওঁলোকৰ কাৰণে হয়তো ওপৰোক্ত নীতিবোৰ প্ৰযোজ্য নহ'ব পাৰে। কাৰণ তেওঁলোকে সদায় বিচাৰে নিজেই ভোগ কৰি জীৱনটো সুন্দৰ কৈ চলি যাওক। কিন্তু যুৱসমাজে যাতে তাৰ প্ৰতিবাদ কৰি এখন সৰ্বাঙ্গ সুন্দৰ সমাজ তথা দেশ গঢ়ি তুলিব পাৰে তাৰেই আশাৰে উক্ত মন্ত্ৰটো অৰ্থাৎ মোৰ বাবে নহয় তোমাৰ বাবেই সকলো শ্ৰেণীৰ লোকৰ বাবেই প্ৰযোজ্য কৰি তুলিবলৈ প্ৰয়াস কৰে।

ইয়াৰ উপৰিও এন এছ এছ ৰ এটা মহত্বপূৰ্ণ প্ৰতীক আছে, যিটো উৰিষ্যাৰ কোনাৰ্কৰ সূৰ্যমন্দিৰৰত থকা ৰথচক্ৰটোকে প্ৰতীক বা স্মাৰক হিচাবে লোৱা হৈছে। ইয়াৰ কাৰণ হৈছে মনুষ্যজীৱনৰ কাৰ্যময়তা আৰু গতিময়তাক মহত্ব প্ৰদান কৰা। অৰ্থাৎ কাল হৈছে এক নিৰৱধি প্ৰবাহ, এক নিৰন্তন প্ৰক্ৰিয়া। ই কেৱল মাত্ৰ জীৱনৰ গতিকেই চিহ্নিত কৰে।

এই প্ৰতীকেই যুৱশক্তিক অধিক শক্তিশালী কৰি সমাজ বা ৰাষ্ট্ৰৰ হিত সাধন কৰিবলৈ উৎকৰ্ষ সাধন কৰে।

ইয়াৰ উপৰিও স্বেচ্ছাসেৱকসকলে এটা বেজ পৰিধান কৰিব লাগে। এই বেজটোৰ বৈশিষ্ট্য হ'ল চক্ৰ চিহ্নিত, বগা ৰঙৰ। এই বেজটো তেওঁলোকে কৰ্ম্মৰত অৱস্থাত পৰিধান

কৰিব লাগে। চক্ৰটোত কোৰ্নাকৰ সূৰ্যমন্দিৰৰ বিখ্যাত চকাটোত থকাৰ দৰে আঠডাল দন্দ আছে, যিয়ে এটা দিনৰ চব্বিশ ঘণ্টাক বুজায়। অৰ্থাৎ স্বেচ্ছাসেৱকসকল অহৰহ সেৱাৰ নিমিত্তে প্ৰস্তুত থাকিব লাগে। বেজটোত থকা ৰঙা ৰঙে শক্তি আৰু কৰ্ম্মৰ পৰিচায়ক। তাত থকা সেউজীয়া ৰং খিনিয়ে ৰাষ্ট্ৰ আৰু মানৱতাৰ বাবে তেওঁলোকৰ একাগ্ৰতাক সূচায়।

অৱশেষত ক'ব খোজোঁ যে, ছাত্ৰসমাজক সামাজিক ভাৱে উদ্বুদ্ধ কৰি ব্যক্তিত্বৰ বিকাশৰ দ্বাৰা সুস্থ দায়বদ্ধ নাগৰিক ৰূপে গঢ়ি তোলাৰ প্ৰকৃত মাধ্যম হৈছে এই গোটটো। ৰাষ্ট্ৰীয় সেৱা আঁচনি হ'ল সমষ্টি কল্যাণৰ বাবে উৎসৰ্গীকৃত। এন এছ এছ ৰ এফাকি গীতৰ শব্দৰে প্ৰস্তুত নিবন্ধটি শেষ কৰিব বিচাৰিছো।

উঠে সমাজকে লিএ উঠে উঠে
জাগে স্বৰাষ্ট্ৰ কে লিএ জাগে জাগে
স্বয়ং সজে বসুন্ধৰা সবাৰ দে' ■

*"Never let your work drive you. Master it and keep it in complete control."* - ***Booker T. Washington***



# ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ দৰ্শন আৰু শিক্ষক দিৱস

**পল্লৱী শৰ্মা**
ঠিকাভিত্তিক অধ্যাপিকা
দৰ্শন বিভাগ

যি সকল মনীষীয়ে কুৰি শতিকাৰ আদি ভাগত পৱিত্ৰ বাৰত ভূমিত জন্ম গ্ৰহন কৰি ভাৰতীয় সামাজিক জীৱন আৰু চিন্তা ধাৰাৰ এক অভিনব সন্ধিক্ষণত দৃঢ়ভাবে থিয় দিছিল, যি সকলে ভাঙনমুখী চিন্তাধাৰাক আৰু বিপথে পৰিচালিত কৰিব পৰা অশুভ শক্তিৰ ভুল প্ৰচেষ্টাৰ বিপৰীতে মাৰ বান্ধি থিয় দি ভাৰতীয় ঐতিহ্যক ঐক্যৰ ডোলেৰে বান্ধি এক মহান ভাৰতীয় জাতিৰ নৱজাগৰণত আগভাগ লৈছিল, যি সকলে বিদেশী জাকজমকতাই গিলি পেলাব খোজা ভাৰতৰ অতীত গৌৰৱ উদ্ধাৰ কৰি বিদেশীৰ পদানত ভাৰত বাসীৰ অন্তৰত আত্ম চেতনাৰ ভাব জগাই তুলিছিল সেই সকলৰ ভিত্তিত বিশ্ব বন্দিত দাৰ্শনিক পণ্ডিত ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণ অন্যতম।

ভাৰতীয় দৰ্শনৰ কথা মনলৈ অহাৰ লগেলগেই ড° ৰাধাকৃষ্ণণৰ নাম স্বাভাৱিকতে মনলৈ আহে। ভাৰতীয় দৰ্শন আৰু ড° ৰাধাকৃষ্ণণৰ নাম দেহ আৰু মনৰ দৰে এটি অভিন্ন সত্তাৰ নিচিনা। ড০ ৰাধাকৃষ্ণণৰ জীৱনৰ উদ্দেশ্যই আছিল আধ্যাত্মিক দৰ্শনক সুদৃঢ় কৰি হিন্দু ধৰ্মৰ উপৰি আনসকলো ধৰ্মৰ লোকক মহানশীলতাৰ শক্তি দি ধৰ্মক আধুনিক যুগৰ লগত খাপ খোৱাকৈ ন কৈ প্ৰতিষ্ঠা কৰা। তেখেতৰে আধ্যাত্মিক চিন্তা নিজৰ বিভিন্ন গ্ৰন্থত সন্নিৱিষ্ট হৈছে। তেখেতৰ আধ্যাত্মিক আৰু নৈতিক চিন্তাই ভাৰতীয় আধ্যাত্মিকতাক উচ্চ শিখৰলৈ লৈ গৈছে। ড° ৰাধাকৃষ্ণণে বিশ্ববাসীক দৃঢ়তাৰে কৈছিল যে আধ্যাত্মিকতাক পিঠি দি কোনো জাতিয়ে প্ৰেম আৰু ভাতৃত্ববোধৰ সোপান ৰচনা কৰিব নোৱাৰে। বিশ্ববাসীৰ প্ৰতি তেখেতৰ মহান অৱদান ভাৰতীয় দৰ্শনৰ দুটাকৈ খণ্ড, তেখেতৰ দ্বাৰা সম্পাদিত উপনিষদ, ভাগৱদগীতা আৰু বৌদ্ধধৰ্মৰ পৱিত্ৰ গ্ৰন্থ! 'ধম্মপদ'— এই সকলোতে আধ্যাত্মিকতাৰ গভীৰ চিন্তা সন্নিৱিষ্ট হৈছে। 'আধ্যাত্মিকতা' আৰু 'নৈতিকতা' একেটা মুদ্ৰাৰে দুটা পিঠি বুলি উল্লেখ কৰি মহান চিন্তাবিদ গৰাকীয়ে কৈছিল যে নৈতিক জীৱন অবিহনে আধ্যাত্মিক জীৱন সম্ভৱ হ'ব নোৱাৰে। তেখেতৰ 'হিবাৰ্ট লেকচাৰ'ৰ ফল 'An Idealist view of Life' (জীৱনৰ আদৰ্শবাদ), 'কমলা লেকচাৰ'ৰ ফল 'Religion and Society' আৰু ধৰ্মদৰ্শন বিষয়ক 'Reign of Religion ' সকলো গ্ৰন্থতে প্ৰকাশিত হৈছে ঐক্যৰ উপলব্ধি আৰু আধ্যাত্মিক ধ্যান ধাৰণা। যদিও তেখেতে কব বিচাৰিছিল যে তেখেতৰ নিজস্ব দাৰ্শনিক মতবাদ নাই, তথাপি তেখেতৰ মহান মানৱতাবাদী দৰ্শন উপনিষদৰ ঋষিসকলৰ আধ্যাত্মিক অভিজ্ঞতাৰ ওপৰত প্ৰতিস্থিত। আধ্যাত্মিক অভিজ্ঞতা ভাৰতীয় দৰ্শনৰ ভেটি স্বৰূপ বুলি ড° ৰাধাকৃষ্ণণে উল্লেখ কৰি গৈছে। তেখেতে কৈছে যে আমি যুক্তি তৰ্কৰ মানদণ্ডেৰে জগতক বুজিবলৈ চেষ্টা কৰা অনুচিত। ঐক্যৰ উপলব্ধি আৰু আধ্যাত্মিক অভিজ্ঞতাৰ সহায়তহে জগতক বুজিব পৰা যায়। যুক্তিতৰ্কই যিকোনো দৰ্শনৰ মূল সত্বাক হৃদয়গম কৰাত সহায় কৰিব নোৱাৰে। বৰেণ্য পণ্ডিত গৰাকীয়ে ভাৰতীয় দৰ্শনৰ বেদান্তৰ

অদ্বৈতবাদীদৰ্শনকেই গ্ৰহণ কৰিছে। জগতত এটি মাত্ৰ মূল সত্বা আছে বুলি ড° ৰাধাকৃষ্ণণে কয় আৰু সেয়া হৈছে 'ব্ৰহ্মা' ('Brahma') । ব্ৰহ্মাই হ'ল অদৃশ্য পৰমশক্তি।

ড° ৰাধাকৃষ্ণণৰ স্থান ধৰ্মদৰ্শনতো অদ্বিতীয়। জড়বাদৰ হেঁচাত আধুনিক মানৱ সমাজত হোৱা ধৰ্মবিশ্বাসৰ অৱনতিৰ বিৰুদ্ধে ধৰ্মবিশ্বাস পুনৰ প্ৰতিস্থাৰ কাৰণে তেখেতে আপ্ৰাণ চেষ্টা কৰিছিল। তেখেত নিজে তেলেগু ব্ৰাহ্মণ হৈও সকলো ধৰ্মৰ প্ৰতি যি উদাৰ সহিষ্ণুতা দেখুৱাই গ'ল সেয়া ড° ৰাধাকৃষ্ণণৰ বিৰল গুণৰ চানেকী।

বৌদ্ধধৰ্ম আৰু দৰ্শনৰ প্ৰতি লোৱা নতুন দৃষ্টিভঙ্গী ড° ৰাধাকৃষ্ণণৰ ভাৰতীয় দৰ্শনলৈ অন্যতম মহান অৱদান। তেখেতৰ উদাৰ দৃষ্টি ভঙ্গীয়ে দেখুৱাই দি গ'ল যে আপাতঃ দৃষ্টিত পৃথিবীৰ বিভিন্ন ধৰ্মবোৰৰ মাজত প্ৰভেদ থাকিলেও সকলোৰে মাজত এক ঐক্য বিৰাজমান। সেয়া হৈছে আধ্যাত্মিক পূৰ্ণতা লাভ। গতিকে মানুহ ধৰ্মান্ধ নহৈ বিভিন্ন ধৰ্মবিশ্বাসবোৰক সন্মান প্ৰদৰ্শন কৰা উচিত আৰু তেনেকৈয়ে বৈচিত্ৰ্যৰ মাজত ঐক্য প্ৰতিস্থা কৰি এক সাৰ্বজনীন ঐক্যত উপনীত হ'ব পৰা যায় বুলি ড° ৰাধাকৃষ্ণণে মতাৰোপ কৰিছে। এনেদৰেই তেখেতে নিজৰ 'ধৰ্মীয় অভিজ্ঞতা'ত ভাৰতীয় দৰ্শনৰ পৰিমণ্ডলত ধৰ্মীয় সহিষ্ণুতাৰ গৰিমা ঘোষণা কৰিছে।

আজি আধুনিক বিশ্বৰ মানৱাত্মাত অস্থিৰতাই দেখা দিছে। মানৱ 'মন' আৰু 'চৰিত্ৰ' বিসদৃশ উপাদানৰ সমষ্টি বুলি উল্লেখ কৰি দাৰ্শনিক পণ্ডিত গৰাকীয়ে কৈছে যে মানৱাত্মাত দেখা দিয়া কলুষতা মানৱজীৱন আন যি কোনো দুৰ্ভাগ্যতকৈ অধিক ক্ষতিকৰ-যিয়ে নেকি মানুহৰ অধঃপতন আনিব পাৰে। মানৱাত্মাক কলুষিত নোহোৱাকৈ ৰাখিবৰ কাৰণে মানুহে হৃদয়ৰ সৈতে হৃদয়ৰ সেতু বান্ধিব লাগিব। এনে কলুষতাৰ বিৰুদ্ধে অতন্ত্ৰ প্ৰহৰী হৈ থিয়দিবলৈ প্ৰত্যেক মৌলিক আধ্যাত্মিক সত্যৰ অধিকাৰী হব লাগিব। কিয়নো, প্ৰতিগৰাকী মানুহ মূলতঃঅব্যক্ত ভাবেই স্বৰ্গীয়। ড° ৰাধাকৃষ্ণণে স্পষ্ট ভাবে দাঙি ধৰিছিল যে প্ৰতিগৰাকী মানুহৰ চৰম লক্ষই হৈছে তেওঁৰ নিজৰ ভিতৰত সুপ্ত হৈ থকা আত্মিক চেতনাক আৱিস্কাৰ কৰা আৰু মানৱাত্মাক গভীৰতম্ শক্তিক উপলব্ধি কৰা।

বিশ্ববাসীক উদ্দেশ্যে তেখেতে এবাৰ কৈছিল, 'আমি ভালেই পাওঁ বা বেয়াই পাওঁ, ইচ্ছা কৰো বা নকৰো, এই পৃথিৱীত 'মানুহজাতি' হিচাপে আমি সকলোৱে একেলগে বাস কৰিব লাগিব। আমি আমাৰ মাজত থকা ভেদাভেদ আৰু ভুল বুজাবুজি দূৰকৰাৰ বাবে অবৰত চেষ্টা কৰি যাব লাগিব। লগতে সহনশীলতা আৰু সদিচ্ছাৰ ভেটিত আমি বিশ্বৰ সকলো মানুহৰ সমিলমিলেৰে এখন উমৈহতীয়া সমাজ গঢ়িব লাগিব। বৰং মানৱ জাতিৰ অস্তিত্ব ৰক্ষাৰ খাতিৰতহে এনে লক্ষ্য গ্ৰহণ কৰাতো আমাৰ বাবে আজি অতি প্ৰয়োজনীয় হৈ পৰিছে।

এই দূৰ্দশাৰে ভৰা পৃথিৱীত আমি আমাৰ ঐক্য পুনৰ আৱিষ্কাৰ আৰু প্ৰতিষ্ঠা কৰিব লাগিব। মহান মানবীয় গুণাৱলী কোনো এটা জাতি বা সম্প্ৰদায়েই একচেতিয়া সম্পত্তি নহয়। বিশ্বৰ অন্যান্য দেশৰ ভালেখিনি গ্ৰহণ কৰাৰ অধিকাৰ ভাৰতৰো আছে। প্ৰাচ্যৰ ধ্যান ধাৰণা পাশ্চাত্যলৈ গৈ তাৰ মানুহৰ অন্তৰৰ তৃষ্ণা দূৰ কৰিছে আৰু পাশ্চাত্যই সেই সমূহক আদৰি লৈছে। সঁচা কথা, প্ৰাচ্য, প্ৰাচ্যই-পাশচাত্য, পাশ্চাত্যই। কিন্তু আমি এক শান্তি আৰু পাৰস্পৰিক বুজাপৰাৰ মাজেৰে প্ৰাচ্য আৰু পাশ্চাত্যৰ মিলন ঘটাব লাগিব।

ধ্যান-ধাৰণা আৰু পৰম্পৰাৰ পাৰ্থক্য থকা বাবে প্ৰাচ্য আৰু পাশ্চত্যৰ এই মিলন ফলপ্ৰসু হৈ উঠিব। মানৱতাৰ বেদীত এই মিলন হ'ব এক পবিত্ৰ সংযোজন। আনক শাসন কৰি কিম্বা আনৰ ওপৰত প্ৰভূত্ব বিস্তাৰ কৰি গৌৰৱত মতলীয়া হ'ব খোজা মানুহ আমাক নালাগে। মানুহ সদায় মানুহৰ বন্ধু হিচাপে অৱতীৰ্ণ হ'ব লাগে। পৃথিৱীৰ প্ৰত্যেক জাতিয়ে উদাৰতাৰ শিকনি ল'ব লাগে। কেৱল সংস্থা বা সংগঠন কেতবোৰে পৃথিৱীলৈ শান্তি আনিব নোৱাৰে। আমাৰ মনৰ উদাৰতা আৰু সকলোৰে প্ৰতি সদ্‌ভাব গঢ়ি তোলাৰ দ্বাৰাহে পৃথিৱীত শান্তি বিস্তাৰ হ'ব। প্ৰেমৰ নৈতিক বল, লগতে আধ্যাত্মিক ঐক্যৰ আদৰ্শৰ দ্বাৰা আমি চালিত হ'ব লাগিব। আমাৰ সজ গুণাৱলী আৰু উচ্চ ধ্যান-ধাৰণাৰে আমি আমাৰ বিভিন্ন সমস্যাৰ সমাধান উলিয়াব লাগিব।"

ঔপনিবেশিক কালচোৱাত আৰু স্বাধীনোত্তৰ কালচোৱাতো ভাৰত বৈদেশিক ৰাষ্ট্ৰৰ আক্ৰমণৰ সন্মুখীন হওঁতে ড° ৰাধাকৃষ্ণণে ভাৰতবাসীক দিছিল গভীৰ আত্ম

প্ৰত্যয়। ভাৰতৰ উপৰাষ্ট্ৰপতি আৰু ৰাষ্ট্ৰপতি দুয়োটা গুৰুত্বপূৰ্ণ পদত অধিস্থিত হৈ থাঁকোতে এগৰাকী বিচক্ষণ ৰাজনীতিবিদ হিচাপে তেখেতে দেশৰ প্ৰগতিত উল্লেখনীয় দক্ষতাৰ পৰিচয় দি থৈ গৈছে। গ্ৰীক দাৰ্শনিক প্লেটোই কোৱা এষাৰ কথাৰ তাৎপৰ্য ড° ৰাধাকৃষ্ণণৰ ক্ষেত্ৰত সুন্দৰ ভাবে প্ৰযোজ্য হৈছে— 'প্ৰশাসক সকল দাৰ্শনিক হ'ব লাগে'। বিভিন্ন উপাধিৰ বিভূষিত হৈও- 'ভাৰতৰত্ন'ৰ দৰে সন্মান লাভ কৰিও তেখেত আছিল নিৰহংকাৰী আৰু সহজ সৰল। ৰাষ্ট্ৰপতি পদৰ



*গান্ধীজীৰ সৈতে ৰাধাকৃষ্ণণ*

পৰা অৱসৰ পোৱাৰ পাচত ৰাষ্ট্ৰপতি হৈ থাকোতে পোৱা এপদ সামগ্ৰীও তেওঁ মাদ্ৰাজৰ ঘৰলৈ ঘূৰি আহোতে লৈ অহা নাছিল। আনকি ৰাষ্ট্ৰপতি হিচাপে পোৱা দৰ্মহা দহ হাজাৰ টকাৰ একাংশ প্ৰতিমাহে দেশৰ কল্যাণ নিধিলৈ দান কৰিছিল। সমসাময়িক বিশ্বত দেখা দিয়া অস্থিৰতা আৰু হিংসাই এনে উদাৰ হৃদয়ৰ ড° ৰাধাকৃষ্ণণৰ অন্তৰত দুঃখ দিছিল। প্ৰাদেশিক হিংসা, বাচনিক হিংসা (Verbal Violence) গোষ্ঠীগত হিংসা, জাতিগত হিংসা, যৌন হিংসা , শ্ৰেণী হিংসাই সমগ্ৰ বিশ্বক চানি ধৰাৰ কথা তেখেতে অত্যন্ত দুখেৰে প্ৰকাশ কৰিছে। অবিবেচকতাই মানুহৰ পৰা মানুহক পৃথক কৰি পেলাইছে। সুস্থ কণ্ঠক আজি নিস্তব্ধ কৰি পেলাইছে। ইমানবোৰ বেদনাদায়ক দৃশ্যপটৰ মাজতো তেখেতে আশাবাদী মনোভাৱ লৈয়েই পৃথিৱীৰ পৰা বিদায় লৈছে। তেখেতে সৰ্বান্তঃ কৰণে আশা কৰি গৈছে যে প্ৰকৃত জ্ঞান শক্তিয়ে অনাগত সময়ত পৃথিৱী খনক সুন্দৰ আৰু সৌভাগ্যশালী কৰি তুলিব।

ড° ৰাধাকৃষ্ণণ এগৰাকী সুদক্ষ প্ৰশাসক আছিল সঁচা, কিন্তু তেখেতে নিজকে এগৰাকী শিক্ষক হিচাপেহে পৰিচয় দিবলৈ ভাল পাইছিল। বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ পৰা উপাচাৰ্যলৈ বিভিন্ন স্তৰত শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে তেখেতে অহোপুৰুষাৰ্থ কৰিছিল। তেখেতৰ গভীৰ মেধাৰ প্ৰতি সন্মান জনাই পেন্‌চিলভেনিয়া বিশ্ববিদ্যালয়ে সন্মানীয় 'ডক্তৰেট' ডিগ্ৰী আৰু কলম্বীয়া বিশ্ববিদ্যালয়ে 'ডক্তৰেট' ডিগ্ৰী প্ৰদান কৰিছিল। পিচলৈ অন্ধ্ৰবিশ্ববিদ্যালয়েও সন্মানীয় 'ডি লিট' উপাধি প্ৰদান কৰিছিল।

১৯৪৮ চনত স্বাধীন ভাৰতৰ প্ৰথম গৰাকী শিক্ষামন্ত্ৰী মৌলনা আবুল কালাম আজাদৰ কাৰ্যকালত ড° ৰাধাকৃষ্ণণ আছিল 'ইউনিভাৰচিটি ইডুকেশ্যন কমিচন' শিক্ষা আয়োগৰ অধ্যক্ষ। সেই সময়ত তেখেতে দেশৰ শিক্ষা খণ্ডৰ সংস্কাৰৰ বাবে ভালেমান পৰামৰ্শ আগবঢ়াইছিল। তেখেতে কৈছিল যে শিক্ষক নিযুক্তি আপোচবিহীন হব লাগে। তেখেতে কৈছিল, এজন শিক্ষক হোৱাতো সহজ, কিন্তু সঁচা অৰ্থত শিক্ষকতা তেনেই উজু নহয়। আৰু কৈছিল, শিক্ষক একোজন কমাৰ শালৰ একোজন কমাৰৰ দৰে। কমাৰ জন দক্ষতাহীন হ'লে যিদৰে দা-কুঠাৰ বোৰ সোনকালে ভাঙি যাব পাৰে, তেনেদৰেই দক্ষতাহীন শিক্ষকৰ হাতত ছাত্ৰ-ছাত্ৰী সকল দেশৰ ভৱিষ্যতৰ উপযুক্ত নাগৰিক হব নোৱাৰিব।

আমাৰ দেশত প্ৰতি বছৰে ৫ ছেপ্তেম্বৰ দিনতো 'শিক্ষক দিৱস' হিচাপে পালন কৰি অহা হৈছে। এই দিৱস বিগত ১৯৬২ চনৰ পৰা উদ্‌যাপিত হৈ আহিছে। তাৰ আগলৈকে মহান শিক্ষাবিদ জনাৰ জন্ম দিন হিচাপে পালন কৰা হৈছিল। শিক্ষকতাক আজীৱন ব্ৰত হিচাপে গ্ৰহণ কৰা বাবেই তেখেতৰ জন্ম দিনটো 'শিক্ষক দিৱস' পালন কৰিবলৈ নিজেই পৰামৰ্শ দিছিল আৰু ভাৰত চৰকাৰে সেই পৰামৰ্শ পালন কৰিছিল। এনে মহাপ্ৰাণলৈ প্ৰণিপাত জনাইছো। '৬০ দশকত আমাৰ দেশৰ শিক্ষকৰ আৰ্থিক অৱস্থা বৰ ভাল নাছিল। ড° ৰাধাকৃষ্ণণে শিক্ষকৰ আৰ্থিক দুৰৱস্থাৰ কথা বুজি তেওঁৰ জন্ম দিন 'শিক্ষক দিৱস'ত শিক্ষক কল্যাণ নিধি স্থাপনৰ পোষকতা কৰিছিল। তেখেতে শিক্ষা সন্দৰ্ভত এনেদৰে কৈছিল, 'জ্ঞান আৰু কৌশল জানিলেই শিক্ষা সম্পূৰ্ণ নহয়, ই সম্পূৰ্ণ হব যদিহে সকলোৱে পৰম্পৰৰ সহযোগত জীয়াই থাকিব পাৰে'।

তেখেতে ভাবিছিল যে শিক্ষাই প্ৰকৃত জ্ঞান দান কৰিব পাৰিব লাগিব আৰু তেতিয়াহে শিক্ষা সফল হব। 'TEACHER' শব্দটোৰ সাতোটা আখৰে যি সাতোটা গুণক বুজায় সেই প্ৰতিটো গুণকেই আমি ড° ৰাধাকৃষ্ণৰ গাত দেখিবলৈ পাওঁ। একেধাৰে সুবক্তা, মধুৰভাষী আৰু সৎ আদৰ্শ জীৱন যাপনকৰা তেখেত আছিল ঋষি তুল্য। সময়ৰ পৰিৱৰ্তনৰ লগে লগে 'শিক্ষক দিৱস'ৰ কাৰ্যক্ৰমণিকাত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ভালেমান নতুন সংযোজন আনিছে। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো।

ড° ৰাধাকৃষ্ণণে তেখেতৰ দৰ্শনত মানৱৰ 'জীৱন মুক্তি' আৰু 'বিদেহ মুক্তি'ৰ কথা উল্লেখ কৰি দুয়োবিধ মুক্তিৰ কথা মানি লৈও 'সৰ্বমুক্তি'ৰ কথাও উল্লেখ কৰিছে। 'সৰ্বমুক্তি'ত মানবাত্মাৰ আধ্যাত্মিক উৎকৰ্য সাধন হ'ব আৰু বিশ্বৰ সমগ্ৰ মানুহে মানুহকেই বুজি উঠি 'বসুধৈব কুটুম্বকম্' ভাবনাৰে চহকী হ'ব বুলি তেখেতে বিশ্বাস কৰিছে।

১৯৭৫ চনৰ ১৭ এপ্ৰিল তাৰিখে মুক্তি লাভ কৰা এই প্ৰসিদ্ধ দাৰ্শনিক পণ্ডিত গৰাকীক ব্যক্তিগত ভাৱে মই শ্ৰদ্ধা জনোৱাৰ উপৰি সমগ্ৰ শিক্ষক সমাজ আৰু মোৰ ব্যক্তিগত জীৱনৰ জীৱিত আৰু স্বৰ্গীয় শিক্ষাগুৰু সকলোলৈকো ভক্তিভৰা সেৱা জনালো।

শেষত বৰেণ্য পণ্ডিত গৰাকীৰ এষাৰ মূল্যৱান কথাৰে সামৰিলো, 'ছাত্ৰ সকলে পৃথিৱীখন ব্যাখ্যা কৰাতেই ক্ষান্ত নাথাকি ইয়াৰ পৰিৱৰ্তনৰ বাবেও যেন সচেষ্টা হয়-তেওঁলোকৰ কল্পদৃষ্টি প্ৰয়োগতেই ক্ষান্ত নাথাকি সৎ সেৱা আৰু সৎ আত্মোৎসৰ্গৰ প্ৰয়োগতো যেন ব্ৰতী হয়।' ■

*"Teamwork is the long word for success."* - ***Jacquelinemae A. Rudd***

## মানৱ সভ্যতা বিকাশত

# সাজ-পাৰ আৰু অসমীয়া সাজ-পাৰৰ চানেকিঃ এটি আলোক পাত

**প্ৰিয়ংকা ডেকা**
স্নাতক ষষ্ঠ ষান্মাসিক (বিজ্ঞান শাখা)

জীৱনৰ বিভিন্ন কৃতিয়ে হৈছে সংস্কৃতি। সংস্কৃতি ঐতিহ্যৰ পৰা বৰ্তমানলৈ জনসাধাৰণৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ আছে। সমাজৰ অংগীভূত সদস্যৰূপে মানৱে আহৰণ কৰা জ্ঞান, বিশ্বাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন, নৈতিকতা, অভ্যাস আৰু অন্যান্য সামাজিক সামৰ্থৰ সামগ্ৰিক, যৌগিক ৰূপেই হৈছে সংস্কৃতি। ব্যক্তিৰ মানসিক উৎকৰ্ষ, অনুভূতি, ক্ৰিয়া-কলাপ আদিৰ দ্বাৰাই সংস্কৃতিৰ জন্ম হয়।



লোক-সংস্কৃতিৰ অন্তৰ্গত লোক সাজ-পাৰৰ দিশটো মন কৰিবলগীয়া। এই দিশটোৰ ফালে চালে দেখা যায় যে দূৰ অতীতৰ পৰাই মানুহে দৈনন্দিন কামৰ লগতে উৎসৱ অনুষ্ঠানত নিজকে সমাজত প্ৰতিষ্ঠা কৰি ৰাখিবলৈ সাজ-পাৰ পৰিধান কৰিছিল। সাজ-পাৰৰ ব্যৱহাৰ মানৱৰ মাজত বহু কালৰ ক্ৰমবিকাশৰ ফলত হৈছিল। আদিম মানৱৰ জ্ঞানৰ বৃদ্ধিৰ লগতে গছৰ বাকলি, পাত পিন্ধাৰ কাৰ্যৰ পৰা সাজ-পাৰৰ সৃষ্টি হৈছিল।

সাজ-পাৰে মানৱ সংস্কৃতিক বৈচিত্ৰতা প্ৰদান কৰিছে। মানৱ সভ্যতাৰো ই যুগ নিৰ্ণায়কৰ ভূমিকা গ্ৰহণ কৰিছে। পৃথিৱীৰ দেশ ভেদে, কাল ভেদে, সমাজ ভেদে সাজ-পাৰৰ এই বৈচিত্ৰতা লক্ষ্য কৰা যায়। সাজ-পাৰৰ বিৱৰ্তনে সমাজ আৰু সাংস্কৃতিক বিৱৰ্তনৰ ইতিহাস প্ৰতিবিম্বিত কৰে। অঘৰী জীৱন-যাপন কৰা আদিম মানুহে শীত আৰু জহৰ প্ৰকোপৰ পৰা ৰক্ষা পাবলৈ শৰীৰত গছৰ পাত আৰু বাকলি পিন্ধিছিল। চিকাৰী জীৱনে গছ-পাত আৰু বাকলিৰ লগত আৰু এবিধ বস্তুৰ সংযোগ ঘটালে, সেয়া হৈছে জীৱ-জন্তুৰ ছাল। অৱশ্যে উলংগ মানুহে কেতিয়াৰ পৰা কাপোৰ পিন্ধিছিল তাৰ বিষয়ে সঠিক ভাৱে জনা নাযায়। প্ৰত্নতাত্বিক সকলৰ মতে মাটিয়ে মানুহৰ প্ৰথম পোছাক।

মানুহে খেতি কৰা আৰু ঘৰ সজাৰ কৌশল আয়ত্ব কৰাৰ পিছত বয়নবিদ্যা শিকিছিল বুলি পণ্ডিতসকলে অনুমান কৰিছে। অৰ্থশাস্ত্ৰত কেপ্ৰি আৰু বিৰিণা ঘাঁহৰ পৰা বস্ত্ৰ তৈয়াৰ কৰাৰ কথা উল্লেখ আছে। সময়ৰ লগে লগে সাজ-পাৰ সৌন্দৰ্যবোধ মৰ্যাদা আদিৰ লগত জড়িত হৈ পৃথিৱীৰ সভ্যতাৰ ভিতৰত আটাইতকৈ প্ৰাচীন সভ্যতা বুলি পণ্ডিতসকলে নিৰূপণ কৰা সিন্ধু উপত্যকাৰ সভ্যতাই প্ৰথম কাপোৰ ববলৈ শিকিছিল। খৃঃপৃঃ ৪০০০ বছৰ আগতেই বেলুচিস্তানৰ মেহৰগড়ত কপাহৰ খেতি কৰা হৈছিল। (বিশ্ব সভ্যতাৰ জিলিঙনি, পৃ-২৩)

“জগতত কপাহৰ খেতি আৰু ব্যৱহাৰ কৰোতা প্ৰথম লোক আছিল হৰপ্পানসকল।” (দ্যে ৰন্দাৰ দেট ৱজ ইণ্ডিয়া

পৃঃ ২৯-৩৩) খৃঃ পৃঃ ৩০০০ বছৰৰ মানত মৃৎ শিল্প, নৌকা শিল্প আদিৰ লগতে কাপোৰ-তৈয়াৰ কৰা কাৰখানাও গঢ় লৈ উঠিছিল। নদী উপত্যকা সমূহ সাৰুৱা হোৱা বাবে তাত কপাহৰ খেতি পৰ্যাপ্ত পৰিমাণে হৈছিল। অভিজাত শ্ৰেণীৰ লোকসকলে মূল্যৱান সাজপাৰ পৰিধান কৰিছিল। ভেড়াৰ নোমৰ পৰা উণ তৈয়াৰ কৰি গৰম কাপোৰ, কেকটাছৰ আহেঁৰে কপাহী কাপোৰ তৈয়াৰ কৰা হৈছিল। (বিশ্ব সভ্যতাৰ জিলিঙণি পৃঃ ২৩৯)

'সোণোৱালী বুটা বছা অসমীয়া পাট/জিকিমিকি কৰে চোৰা সোণালী দেহত।

দুগদুগী, গামখাৰু, থুৰীয়া চমকে/মেখেলাৰ পাতলিত ময়ূৰ জিলিকে।'

ওপৰোক্ত গীতফাঁকিৰ পৰা ক'ব পাৰি যে অসমীয়া বয়নশিল্প অতি উন্নত মানৰ। ৰিহা, মেখেলা-চাদৰ, গামোচা আদিত অসমীয়া শিপিনীয়ে নিজস্ব কল্পনাৰে সুন্দৰ সুন্দৰ চানেকি দেখা পোৱা যায়। চালিধৰা, ময়ূৰ, উৰণীয়া মইনা, শেন বা বিভিন্ন চৰাই, ভোমোৰা, পখিলা, গৰুড় পাখী, গড়, হাতী, ঘোৰা, বাঘ, সিংহ, কলগছ, নাৰিকল গছ আদি বিভিন্ন ধৰণৰ গছ, লতা, লিহিৰি পাত, গোলাপ, পদুম, আঠপহীয়া, ছপহীয়া বা চাৰি পহীয়া ফুল, চিৰাফুটুকী বুটা, মগৰ, জোন-বেলি, তৰা আদিৰ দ্বাৰা অসমীয়া শিপিনীয়ে তাঁতত সপোন ৰচে। তদুপৰি জনজাতীয়সকলে ৰেখা, ত্ৰিভূজ আদি জ্যামিতিক চিত্ৰও কাপোৰত বোৱা দেখা যায়।

এড়ি, কপাহী, পাট, মুগা আদি সকলো কাপোৰত গুণা বা সূতাৰে কাম কৰা দেখা যায়। গোঁসাইৰ গামোচাত ফুলৰ উপৰি শৰাই, বন্তি গছা, ধূপদানি আৰু ৰাম-কৃষ্ণ-হৰিৰ আখৰো বছা হয়। প্ৰাচীন অসমৰ উন্নত বয়ন শিল্পৰ উল্লেখযোগ্য নিদৰ্শন হ'ল শংকৰদেৱৰ দ্বাৰা বৃন্দাৱনী বস্ত্ৰ।

পাট শিল্প আৰু বয়ন বিদ্যাই আহোম স্বৰ্গদেউ সকলৰ সময়ছোৱাত উন্নতিৰ শিখৰত আৰোহণ কৰিছিল। কিংখাপ কাটিবি, মেজাঙকৰী আদি বিবিধ কাপোৰ শিপিনীয়ে বৈ লৈছিল। কাপোৰত কৰা চানেকিৰ বিষয়ে জনা গাভৰুৰ গীতত পোৱা যায় এনেধৰনে —

'জোকাৰি পিন্ধিলে গোমচেঙৰ চোলাটি/ মাজত বাখৰামি কৰা / কঁকালত মাৰিলে জৰঙৰ টঙালি/ দেখিলে জিলমিল কৰা।'

বিহুগীতবোৰতো ইয়াৰ প্ৰতিফলন ঘটা দেখা যায় এনেদৰে—

'ৰিহাতে বাছিলোঁ ফুটুকী ডবুবা/ গামোচাত বাচিলোঁ কেচঁ/, তোমাৰ মোৰকনি লোচিয়া মোহনী/ ভাঙিব নোৱাৰো পেঁচ্।'

বৰ্তমান বিজ্ঞানৰ যুগত নানান যন্ত্ৰপাতিৰ দ্বাৰা অসমীয়া কাপোৰত অনেক মনোমোহা চানেকি বছা হৈছে। অসমীয়া কাপোৰৰ চানেকি অসমৰ এক আপুৰুগীয়া সম্পত্তি। ■

> *"Success is achieved by those who try and keep trying with a positive mental attitude." - **W. Clement Stone***



# বৰ্তমান সমাজত
# নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

**নিতোপম মেধি**
স্নাতক দ্বিতীয় ষান্মাসিক (বাণিজ্য শাখা)

গণতান্ত্ৰিক সমাজ ব্যৱস্থাত পুৰুষ আৰু নাৰী উভয়ে শিক্ষিত হোৱাতো বাঞ্ছনীয়। কিয়নো নাৰী অবিহনে পুৰুষ জীয়াই থকাতো কাল্পনাতিত। সমাজ এখন শৃংখলাবদ্ধ ভাৱে পৰিচালনা কৰিবলৈ হ'লে পুৰুষ নাৰী সমানে সহযোগ কৰিব লাগিব। সমাজত বাস কৰা প্ৰতিগৰাকী নাৰী-পুৰুষৰ মাজত ওতঃপ্ৰোত ভাৱে সম্বন্ধ আছে সেয়েহে আমি দুয়োটা শ্ৰেণীকে সমভাৱে ছোৱা প্ৰয়োজন। সমাজ এখন প্ৰগতিৰ পথত আগুৱাই যোৱাত এগৰাকী নাৰীৰ কৰ্মৰাজী পুৰুষতকৈ কোনোগুণে কম নহয়। বৰ্ত্তমানে এইখন সমাজত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা বৰ গুৰুত্বপূৰ্ণ হৈ পৰিছে। নাৰী শিক্ষাৰ ঘাই কাৰণ সমূহ হ'ল — পৰিয়ালৰ কন্যা সন্তানৰ ওপৰতে ঘৰুৱা কাম-কাজৰ বোজা, সা-সুবিধা বিতৰণৰ ক্ষেত্ৰত কন্যা আৰু পুত্ৰ সন্তানৰ ক্ষেত্ৰত অসমান ব্যৱহাৰ। পুৰুষ প্ৰধান সমাজত অভিভাৱকে ভাৱে যে তেওঁলোক বৃদ্ধ হোৱাত পুতেক হে খোৱা-বোৱা, চোৱা-চিতা কৰিব। কন্যা সন্তান গৰাকী আন ঘৰলৈ গুছি যাব। সেয়েহে পুত্ৰক যৎপৰনাস্তি উচিত শিক্ষা দিব। কিন্তু পিতৃ-মাতৃ আৰু আন অভিভাৱকে পাহৰি যাব নালাগে যে কন্যাগৰাকী আন এখন ঘৰৰ গৰাকী হব আন এখন পৰিয়াল পৰিচালনা কৰিব লাগিব। ভাৰতবৰ্ষ এখন বিশাল বৈচিত্ৰ পূৰ্ণ দেশ। ইয়াৰ প্ৰকৃতিও সম্পূৰ্ণৰূপে ভিন্নতাপূৰ্ণ। অতীতৰ পৰা ভাৰতবৰ্ষৰ হিন্দু সকলে সামাজিক গাঁঠনিত মূল ভাণ্ডাৰ হিচাপে স্থান কৰিছিল। আমি অতীতৰ ইতিহাসৰ পাত মেলিলে দেখিবলৈ পাৰ যে "আৰ্য" সভ্যতাৰ সমময়ছোৱাত মহিলাসকলে পুৰুষৰ লগত সমানে সমানে ধৰ্মীয় আৰু সামাজিক কাৰ্যসূচীত ব্ৰতি হৈ পৰিছিল। নাৰীশিক্ষা অবিহনে সমাজৰ প্ৰগতি অসম্ভৱ। নাৰীক শিক্ষিত কৰিব পাৰিলেহে সমাজৰ পৰা অন্ধ বিশ্বাস, কু-সংস্কাৰ বাল্য-বিবাহ, নাৰী অত্যাচাৰ, হতাশাগ্ৰস্ত ইত্যাদি সমাজৰ পৰা চিৰদিনৰ কাৰণে লুপ্ত হব। উপযুক্ত শিক্ষাত এগৰাকী যুৱতীয়ে উপযুক্ত বয়সত বিবাহ হয় তেওঁ স্বামীৰ লগত সমানে সহযোগ কৰিব পাৰিব। শিশু স্বাস্থ্য সম্পূৰ্ণকে শিক্ষা দিয়াৰ ক্ষেত্ৰতো এগৰাকী শিক্ষিত মাতৃ হে নিৰ্ভৰযোগ্য শিক্ষক। সেয়েহে "জৰ্জ হাৰ্বাৰ্টে" কৈছিল— "এশ জন শিক্ষকে কৰিব নোৱাৰা কাম এগৰাকী আদৰ্শ মাতৃয়ে অকলেই কৰিব পাৰে"। নাৰী এগৰাকীক সমাজে যিমানে মৰ্যদা দিব সিমানে সমাজখনত সোণত সুৱাগা চৰিব। সমাজ উন্নতিৰ জখলাত জাপে জাপে আগবাঢ়িব। বিপ্লৱ কৰিবলৈও নাৰী শক্তিৰ প্ৰয়োজন। সেয়ে হয়তো মাউ.জে. দৰয়ে এই বুলি কৈছিল— কোনো "বিপ্লৱে সফল হৈ নুঠে যদিহে নাৰী সমাজ অংশ গ্ৰহণ নকৰে"। একবিংশ শতিকাৰ নাৰী অৱলা নহয়। তেওঁলোক যি শিকোৱা যাই সেইখিনিয়ে সহজে আয়ত্ব কৰি লয়। ৰন্ধা-বৰা, কোৱা-বোৱা অন্যান্য কাৰিকৰি শিক্ষা ইত্যাদি নাৰী সমাজত বুজাই দিলেই হয়। স্তিফেনচ্নৰ ভাষাত মহিলা সকলে পুৰুষতকৈ জ্ঞানী, কিয়নো তেওঁলোকে কমকৈ জানে আৰু বেছিকৈ উপলব্ধি কৰে"। সমাজৰ প্ৰগতিৰ বাবে পুৰুষ-মহিলা উভয়ে সামাজিক উৎপাদনৰ কামত যোগদান কৰাতো নিতান্ত প্ৰয়োজন। বাধ্যত

পৰি বহুতো মহিলাই নিজৰ আৰু পৰিয়ালৰ ভৰণ-পোষণ দিবলৈ কোনো ধৰণৰ উপাৰ্জনৰ বাট উলিয়াব লাগে। শিক্ষা বা উপযুক্ত দক্ষতাৰ অভাৱত বহু সময়ত কম বেতনত অ-স্বাস্থ্যকৰ পৰিৱেশত কষ্টকৰ কাম কৰিবলৈ তেওঁলোক বাধ্য হয়। শিক্ষা লাভ কৰা মহিলাই নিজৰ দক্ষতা বঢ়োৱাৰ উপৰিও সংগঠিত হৈ নিজৰ কৰ্ম সংস্থানৰ উন্নতি সাধন কৰিবলৈ সক্ষম হয়। পুৰণি কালৰ ঋষিমুনি সকলে নাৰীৰ আসন সুকীয়া কৰি ৰাখিছিল। প্ৰচলিত আছে অসুৰবোৰক বধ কৰিবলৈ নাৰীৰ প্ৰয়োজন হৈছিল। এগৰাকী অৱলা নাৰীয়ে নৰকাসুৰৰ নিচিনা অসুৰৰ লগতো যুদ্ধ কৰি অসুৰক ৰোধ কৰিছিল। তেওঁৱে হ'ল শক্তিৰ অধিস্থাত্ৰী দেৱী। "মা-দুৰ্গা"। বৰ্তমান সমাজত (জীৱনত) ধনৰ প্ৰকোপ দিনক দিনে বাঢ়ি গৈছে। প্ৰচলিত সমাজ জীৱনত শিক্ষা চাৰিওদিশে অন্ধকাৰ। আজি শিক্ষা ধনী-দুখীয়া উচ্চ-নীচ সকলোৰে বাবে প্ৰয়োজনীয় এক আহিলা। এই শিক্ষাৰো গৰাকী নাৰী। ভাৰতবৰ্ষৰ সামাজিক জীৱন প্ৰক্ৰিয়াত প্ৰচলিত হৈ থকা ধ্যান ধাৰণা আন কোনো দিশতে নিমিলে। ভাৰতবৰ্ষৰ মহিলাসকলে পুৰুষসকলৰ বিৰুদ্ধে এতিয়াও জেহাদ ঘোষণা কৰা নাই। বিশ্বৰ আন দেশৰ মহিলা সকলৰ দৰে ভাৰতীয় মহিলাৰ চিন্তাধাৰা বিৰোধ ভাবাত্মক নহয়। আমাৰ দেশত মহিলাসকল প্ৰতিষ্ঠিত হোৱাত পুৰুষ সকলে নানা ধৰণে অৰিহণা যোগাই আহিছে। শিক্ষা আৰু অন্যান্য স্থানবোৰত মহিলা আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত বিশেষ উদ্‌গনি যোগোৱা হৈছে। বৰ্তমান কালত ভাৰতবৰ্ষত নাৰীৰ ওপৰত চলা নিৰ্যাতনে নাৰী সমাজত মৰ্যাদা ক্ষুন্ন কৰিছে। শিক্ষিতা আৰু অশিক্ষিতা নাৰী নিৰ্বিচাৰে সমানে এনে নিৰ্যাতনৰ বলি হৈছে। নাৰীৰ মাজত ব্যাপকভাৱে শিক্ষাৰ প্ৰছাৰ হ'লে সু-সংগঠিত ভাৱে এনে নিৰ্যাতনৰ বিৰুদ্ধে থিয় দিয়াৰ উপৰিও নাৰীয়ে নিজৰ মেধা, কৰ্ম ক্ষমতা সামাজিক দায়বদ্ধতা, সামাজিক, ৰাজনৈতিক, তৎপৰতা আৰু সচেতনতাৰ প্ৰমান দি নাৰীৰ প্ৰতি থকা সমাজৰ হৈ ভাৱ গুচাবলৈ যত্ন কৰিব পাৰে। শেষত মৰিছনৰ সুৰত সুৰ মিলাই আমিও ক'ব খুজিছোঁ— "পুৰুষতকৈ নাৰী সকল অধিক আৱেগিক।" যেতিয়াই এই আৱেগ পাহাৰ ভাঙি নাৰী সমাজলৈ ওলাই আহিব তেতিয়াই নাৰীয়ে পুৰুষৰ সমান স্থান পাব। তাৰ বাবে লাগিব অসীম সাহস আৰু ।" ■

> *"Behind every successful man there's a lot of unsuccessful years."*
> ***- Bob Brown***



# শিক্ষাগুৰু

**শাশ্বতী কুমাৰী**
স্নাতক চতুৰ্থ যান্মাসিক (কলা শাখা)

শিক্ষক বা শিক্ষাগুৰু এনে এজন ব্যক্তি যিজনে নিজৰ জ্ঞানৰ আলোকেৰে সকলোকে পোহৰাই তুলিব পাৰে। এজন শিক্ষক কেৱল মাত্ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত শিক্ষা প্ৰদান নতুবা জ্ঞান দান কৰা ব্যক্তিয়ে নহয়, তেওঁ এখন সমাজৰ পথ প্ৰদৰ্শক, নীতি নিৰ্ধাৰক আৰু সুস্থ পৰামৰ্শদাতা বুলি গণ্য কৰা হয়। এজন সৎ চৰিত্ৰৱান, জ্ঞানী-গুণী আৰু বিদ্বান শিক্ষক সকলোৰে পুজা ব্যক্তি, কাৰণ, তেওঁৰ নীতি-আদৰ্শক এখন সমাজে অনুসৰন কৰে। তেওঁৰ কাম-কাজ, চলন ফুৰন আৰু সদ আচৰণবোৰ সমাজৰ লোকে সহজে অনুকৰন কৰে। তেওঁ নিজে হৈ পৰে আন সকলোৰে অনুকৰনীয় প্ৰতিভূ।

শিক্ষক এজন হয় স্বাভাৱিকতে প্ৰচুৰ বুদ্ধিমত্তাৰ গৰাকী। তেওঁ নিজে হ'ব লাগে প্ৰত্যুৎপন্নমতি, অধ্যয়নশীল আৰু সাধু। তেওঁৰ থাকিব লাগে কিছুমান বিশেষ গুণ যিবোৰ সমাজ আৰু সমাজত বাস কৰা নতুন প্ৰজন্মৰ কাৰণে অনুকৰণীয়। এজন শিক্ষক তৎপৰ আৰু আগ্ৰহী যিজনে ছাত্ৰ-ছাত্ৰীক জ্ঞান দিয়াৰ কাৰণে নিজক প্ৰস্তুত কৰি ৰাখে, নিজকে সাজু কৰি ৰাখে আৰু নিজক কৰি তোলে তাৰল্য ছাত্ৰ-ছাত্ৰীৰ বাবে নিজকে বিলাই দিয়াৰ বাবে। এজন শিক্ষকৰ থাকিব লাগে বাস্মিতা। তেওঁৰ সুৰুচিপূৰ্ণ ভাষণ আৰু জ্ঞান-গম্ভীৰ বক্তৃতা শুনি আমনি নলগা অৱস্থা তেওঁ নিজে নিজৰ মাজত সৃষ্টি লয় আৰু সেই অৱস্থাটোৰে এনেকুৱা পৰিৱেশ ৰচনা কৰে যেন জটিল বা টান বিষয় এটাও হৈ পৰে সহজ-সৰল আৰু শুনিবলৈ ৰসাল। ছাত্ৰ-ছাত্ৰীৰ কাৰণে বিষয়ৰ জ্ঞান লাভ হৈ পৰে সহজলভ্য।

এজন শিক্ষকে অধ্যয়নশীল। তেওঁ নিত্য-নতুন জ্ঞান আয়ত্ব কৰে। নতুন আৱিষ্কাৰ, নতুন সৃষ্টি আৰু পৰিৱৰ্তনৰ লগত নিজকে সদায় পৰিচয় কৰাই শিক্ষকজনে ছাত্ৰ-ছাত্ৰীৰ মাজত হয় বাৰ্তাবাহক, পথ নিৰ্দেশক আৰু জ্ঞান-শিক্ষা বিতৰক। তেওঁ হয় নীতি নিষ্ঠাৰ আদৰ্শ পুৰুষ।

এজন জনপ্ৰিয় শিক্ষকৰ গুণ তেওঁৰ গাতে ছাঁটোৰ দৰে লাগি থাকে। তেওঁ হয় উদাৰ। ভাল শিক্ষক হয় সেইজন যিজনে সকলোকে সমান চকুৰে চায়, বেয়া বা দুৰ্বল ছাত্ৰজনকো আগবঢ়াই আনিবলৈ সদায় যত্নপৰ হয়। সকলোধৰণৰ ছাত্ৰ-ছাত্ৰীক উৎসাহ-উদ্দীপনা দি এজন কৃতি শিক্ষকে শিক্ষা গ্ৰহণ কৰাৰ পৰিৱেশ সূচল কৰিব পাৰে। শিক্ষা প্ৰদান কৰা কাৰ্যটো এজন আদৰ্শৱান শিক্ষকে কেৱলমাত্ৰ বৃত্তি হিচাপে নলৈ ত্যাগৰ পৰিচয় দাঙি ধৰি তেওঁ বাস কৰা সমাজখনৰ লগতে তেওঁৰ আওতাৰ ভিতৰত অহা ছাত্ৰ-ছাত্ৰীৰ মাজত নিজকে বিলাই দি ভাল পায়।

এজন প্ৰকৃত অৰ্হতা সম্পন্ন শিক্ষক সকলোৰে সন্মানৰ পাত্ৰ। ছাত্ৰ-ছাত্ৰী বুলিয়ে নহয় তেওঁ বাস কৰা বৃহত্তৰ সমাজখনৰ বাবে মৰম আৰু শ্ৰদ্ধাৰ অধিকাৰী। ■



# অসমৰ জনজাতি সমস্যা আৰু বিষ্ণু ৰাভা

**পঞ্চমী বড়ো**
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা শাখা)

অসমৰ জনজাতি সমস্যাটো এটা গুৰুত্বপূৰ্ণ সমস্যা হিচাপে চিহ্নিত হৈছে। সামাজিক সাংস্কৃতিক ক্ষেত্ৰলৈও ইয়াৰ জোকাৰণি বিয়পি পৰিছে। এই দিশত সকলোৱে একমত যে, অসমত ভূমিপুত্ৰ এই জনজাতিসকল ভাৰতৰ স্বাধীনতাৰ যাঠি বছৰ পিছতো সকলো দিশত পিছপৰা। প্ৰাচীন কালৰ ভাৰতৰ উচ্চ বৰ্ণৰ হিন্দু বা আৰ্য্যসকলে এওঁলোকক অসুৰ, কিৰাত, কোচ কুৰাচ বুলি অৱহেলা কৰাৰ দিনৰে পৰা আজিলৈকে তথা কথিত আগবঢ়া উচ্চবৰ্ণৰ অসমীয়া সকলৰ একাংশৰ হাতত লাঞ্চিত। গণ শিল্পী বিষ্ণু প্ৰসাদ ৰাভাও ইয়াৰ বলি হ'ব লগা হৈছিল। ৰাভাই ভিনিহিয়েকৰ বৰপেটাৰ ঘৰলৈ যাওঁতে তেওঁ কীৰ্তন ঘৰত সোমোৱাত সমগ্ৰ বৰপেটা জুৰি তোলপাৰ লাগিছিল এই বুলি যে অপবিত্ৰ ম্লেছৰ ল'ৰা পৱিত্ৰ কীৰ্তন ঘৰত সোমাই ধৰ্মত কলংক আনিলে। জনজাতিসকলৰ প্ৰতি নিজকে উচ্চ খাপৰ বুলি ভবা অসমীয়া সকলৰ মনোভাবৰ ই এটা উদাহৰণ মাত্ৰ।

যিয়ে নহওক সাম্প্ৰতিক কালত দেখা দিয়া জনজাতি সমস্যাক ৰাজনীতিৰ পৰা নিলগাই চাব নোৱাৰি আৰু ইয়াৰ সমাধান সূত্ৰও ৰাজনৈতিক দৃষ্টিকোণেৰেহে উলিয়াব পৰা যায়। বিষ্ণু ৰাভাদেৰৰ আছিল সেই ৰাজনৈতিক দৃষ্টিকোণ। ৰাভাই ৰাইজৰ মাজত বহু সভা সমিতিৰ যোগে ভাৰতৰ বিপ্লৱী সাম্যদলৰ লগত সংশ্লিষ্ট থাকি মাৰ্ক্সীয় দৰ্শন, মাৰ্ক্সীয় অৰ্থনীতি, দ্বন্দবাদৰ লগত পৰিচিত হৈছিল আৰু লেনিনবাদৰ সম্যক জ্ঞানৰ উপলব্ধিৰ আশাত প্ৰকৃত কমিউনিষ্ট হোৱাৰ আশাত, ৰাইজৰ লগত একেলগে মিলিজুলি ৰাইজক মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি উদ্বুদ্ধ কৰাৰ কাৰণে নিজৰ সকলো শক্তি নিয়োগ কৰিছিল। "১৯৪০ চনতে ৰাভাই সকিয়াইছিল অসমৰ অত্যাচাৰিত আৰু অৱনত জাতিসমূহক আন আন উন্নত জাতিৰ লগত একে আসনতে ঠাই দিবলৈ অসমৰ প্ৰত্যেক ৰাজনীতিজ্ঞ আৰু সমাজনেতাসকলে এতিয়াৰে পৰা চেষ্টা কৰা উচিত।" তাকে নকৰিলে অৱনত জাতিসমূহৰ বুকুত বিদ্ৰোহৰ অগনি জ্বলাই আৰু অসমত এটা গৃহ কন্দলৰ বাহ সাজি দিয়া হ'ব। "কিন্তু আজিও জ্ঞান চকু মুকলি নহল অসমৰ ৰাজনীতিবিদ আৰু উগ্ৰ অসমীয়া জাতীয়তাবাদী সকলৰ।" এতিয়া অসমৰ বড়োসকলেই নহয় আন আন জনজাতিসকলেও নিজকে অসমীয়া নহওঁ বুলি ক'বলৈ আৰম্ভ কৰিছে। একেদৰে অসমীয়া জাতিৰ ৰাজহাড় সদৃশ কোচ-ৰাজবংশীসকলকো ক্ৰমে আঁতৰাই পঠোৱাৰ পথ প্ৰশস্ত কৰিবলৈ ধৰিছে অসমীয়া জাতীয়তাবাদী মধ্য বিত্তসকলৰ মঞ্চ অসম সাহিত্য সভাই। অসম সাহিত্য সভাৰ "উন্নসপ্ততিতম চাপৰ অধিৱেশনত জনগোষ্ঠীৰ প্ৰতি কৰা অৱদমনমূলক মনোভাব সভাপতিৰ ভাষণেই তাৰ প্ৰমান।" আজিৰ অসমৰ জনগোষ্ঠীবোৰৰ মাজত বিচ্ছিন্নতাবাদী মনোভাৱৰ জন্ম দিয়াৰ অন্তৰালত ক্ষমতালোভী অসমীয়া মধ্যবিত্তৰ অৰিহণা আছে। অসমীয়া মধ্যবিত্ত শ্ৰেণী ইতিহাসৰ পৰা শিক্ষা লবলৈ ইচ্ছুক নহয়। ব্ৰিটিছে কুট কৌশল কৰি অসমত বঙালী ভাষা সংস্কৃতিৰ অধিপত্য বঢ়াত অসমীয়া সকলে বঙালীসকলক 'সম্প্ৰসাৰণবাদী' বুলি গালি পাৰিছিল বা আজিও পাৰে। কিন্তু অসমীয়াসকল জানো তেনে মনোভাবৰ পৰা মুক্ত হ'ব পাৰিছে?

প্ৰকৃতাৰ্থত অসমীয়া জাতি গঢ়িব খুজিলে, অসমখনক খণ্ডিত হোৱাৰ পৰা ৰক্ষা কৰিব খুজিলে, জনজাতি সকলৰ লগত সমন্বয় গঢ়িব খুজিলে উগ্ৰ জাতীয়তাবাদ, উগ্ৰ প্ৰদেশিকতাৰ মনোভাব পৰিত্যাগ কৰিব লাগিব। উদাৰ মনোভাবেৰে অসমৰ জনজাতিসকলৰ অতীত ইতিহাস, ভাষা, সাহিত্য সংস্কৃতি চৰ্চা আৰু বিকাশত সহায়ৰ হাত আগবঢ়াব লাগিব। বিষ্ণুপ্ৰসাদ ৰাভাই জনজাতি লোক সকলক অন্তৰেৰে ভাল পাইছিল। সেয়ে কেবাটাও জনজাতীয় ভাষা সলসলীয়াকৈ ক'ব পাৰিছিল । নামনি অসমৰ খিলঞ্জীয়া লোকসকলে ব্যৱহাৰ কৰা ভাষাৰে তেওঁ 'মামীৰ হাড়' গল্পত লিখিছিল। বিষ্ণু প্ৰসাদ ৰাভাই এই জনজাতিসকলক আহ্বান জনাইছিল—

"ট্ৰাইবেল। জাগ ট্ৰাইবেল
তিয়াগি ঘুমতি তোৰ পাহৰাই নিয়া নাম কুসুম মেল।
জাগিব লাগিব তই কছাৰী মিকিৰ
খাচী, ৰাভা, গাৰো, মিৰি কুকী
নগা বীৰ।
খামতি, মিছিমি, আবৰ , লালুং
লুচাই।
চিংফৌ, চিনটিং, মণিপুৰী, তাই,
টিপৰা, ডিমাছা, অকা, দফলা, ককাই
চুটীয়া, মদাহী, দেউৰী, টোটোলা,
কোচ,
হাজং, বৰাহী,
জাগিব লাগিব তই জাগ
লইছো আগভাগ;
পাতিব লাগিব নৰ মেল
জাগ ট্ৰাইবেল। ............
প্ৰথমে তয়েই দিলি অসমত টিঙিৰি-অগনি
ইমান শকতি তোৰ
আছে পৰি কিয় আজি টোপনি ঘোৰ?

সৈনিক শিল্পী বিষ্ণু প্ৰসাদ ৰাভা নামৰ গ্ৰন্থখনত বিশিষ্ট বুদ্ধিজীৱী সমালোচক গৱেষক শশী শৰ্মা দেৱে ৰাভাৰ মূল্যায়ন কৰি লিখিছে— কমিউনিষ্টে বিচাৰে সকলোৰে শান্তিময়, সুখময় আৰু সমতাময় পূৰ্ণ বিকাশ, ব্যক্তিয়েই হওক বা সমষ্টিয়ে হওক দুৰ্বলৰ ওপৰত কোনো সবলৰ প্ৰভূত্ব বা অত্যাচাৰ উৎপীড়ন সহ্য নকৰে । এই কমিউনিষ্ট দৃষ্টিৰেই ৰাভাই অসমৰ ভাষা, সাহিত্য আৰু জাতি সমস্যাৰ সমাধান কৰিব বিচাৰিছিল। সেই কাৰণেই তেওঁ অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিক বৰ লুইতৰ লগত তুলনা কৰিছিল। লুইতৰ বিশালতা গভীৰতাৰ মূলতে আছে তাত মিলা অসংখ্য নৈ, জান, জুৰি। নৈ, জান, জুৰিবোৰে আহি লুইতত নিমিলাহেঁতেন লুইত ইমান গভীৰ, ইমান বিশাল নহ'লহেঁতেন। অসমৰ ভাষা সাহিত্য সংস্কৃতি ভিন ভিন গোষ্ঠীৰ জাতি, উপজাতিৰ সমন্বয়ৰ গঢ় লৈ উঠিছে। অসমীয়া ভাষা সাহিত্য সংস্কৃতি গঢ়াত অৰিহণা যোগোৱা এই ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিবোৰৰ ভাষা সাহিত্য সংস্কৃতি পূৰ্ণ বিকাশ ঘটিলে অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিৰ ৰূপ বিশালৰ পৰা বিশালতাৰ হ'ব বুলি তেওঁ প্ৰকৃত কমিউনিষ্ট দৃষ্টিৰে বিশ্বাস কৰিছিল। তেওঁ প্ৰকৃত কমিউনিষ্ট দৃষ্টিৰে ইয়াকো বিশ্বাস কৰিছিল যে বিভিন্ন গোষ্ঠী বা জাতি সত্তাৰ ভাষা, সাহিত্য সংস্কৃতিৰ বিকাশ ঘটিলেহে অসমবাসী ৰাইজৰ পাৰস্পৰিক সন্দেহ সন্দিগ্ধতা আঁতৰি গৈ প্ৰকৃত বন্ধুত্ব প্ৰতিষ্ঠা হ'ব আৰু তেতিয়াহে অসমৰ দ্ৰুত বিকাশ সম্ভৱপৰ হ'ব। ■

*সহায়ক গ্ৰন্থ— ৪৭ তম্ বড়ো সাহিত্য সভা- ২০০৮ চন।*

*"It is in your moments of decision that your destiny is shaped."*
***- Anthony Robbins***



# দুঃ সাহসিকতাৰ অন্য নাম

# বিয়েৰ গ্ৰিলছ

**সিদ্ধাৰ্থ বৰ্মন**
স্নাতক দ্বিতীয় যাণ্মাষিক (বিজ্ঞান শাখা)

এবাৰ ৮ বছৰীয়া ল'ৰা এজনক পিতৃয়ে বিশ্বৰ আটাইতকৈ ওখ শৃংগ এভাৰেষ্টৰ এখন ছবি উপহাৰ দিছিল। ল'ৰাটোৱে ছবিখন আলফুলে বুকুৰ মাজত সাৱটি লৈ প্ৰৱেশ কৰিছিল কল্পনাৰ সেউজীয়া দেশত। লাহে লাহে এভাৰেষ্টৰ দৰে ওখ হৈছিল তাৰ সেই সপোন।

এভাৰেষ্টৰ ছবি বুকুত বান্ধি সপোন দেখা ল'ৰাজনেই হৈছে আমাৰ সকলোৰে পৰিচিত এডৱাৰ্ড মাইকেল গ্ৰিলছ ওৰফে বিয়েৰ গ্ৰিলছ। ডিস্ক'ভাৰী চেনেলৰ জনপ্ৰিয় অনুষ্ঠান ''মেন ভাৰ্ছেছ ৱাইল্ড'' (MAN VS. WILD) ৰ উপস্থাপক। পেৰাচুটৰ সহায়ত হেলিকপ্টাৰৰ পৰা জপিওৱা, পেৰা গ্লাইডিং, হেলাৰঙে বৰফৰ দুৰ্গম পাহাৰ বগোৱা, দুৰ্গম অৰণ্যৰ বনজুইৰ মাজেৰে পাৰ হোৱা, কেঁচাই-কেঁচাই সাপৰ মাংস ভক্ষণ কৰা আদিৰ দৰে বিভিন্ন ধৰণৰ দুঃসাহসিক কৰ্মকাণ্ডৰে দৰ্শকৰ হৃদয় আলোড়িত কৰি অহা বিয়েৰ গ্ৰিলছৰ জন্ম হৈছিল ১৯৭৪ চনৰ ৭ জুনত উত্তৰ আয়াৰলেণ্ডত। চাৰি বছৰ বয়সৰ পৰা তেওঁ পৰিয়ালৰ সৈতে “উইট” নামৰ দ্বীপটোৰ কেমব্ৰিজত থাকিবলৈ লয়। ২০০২ চনত লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা ‘হিস্পানিক ষ্টাডিজ’ বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰা গ্ৰিলছ সৰুৰে পৰাই দুঃসাহসিক কাম কাজৰ প্ৰতি আকৰ্ষিত হৈছিল। নিচেই কম বয়সতে পিতৃ ছাৰ মাইকেল গ্ৰিলছৰ পৰা স্কাইডাইভিঙৰ দৰে দুঃসাহসিক ক্ৰীড়াৰ প্ৰশিক্ষণ লাভ কৰা গ্ৰিলছে তেতিয়াই শ্বটকান কাৰাটেৰ ছেকেণ্ড ডান ব্লেক বেল্ট লাভ কৰাৰ লগতে যোগ আৰু নিনজুটছুৰো প্ৰশিক্ষণ লাভ কৰে। ইংৰাজী, ফৰাচী আৰু স্পেনিছ ভাষা ক'ব পৰা গ্ৰিলছে মাত্ৰ ৮ বছৰ বয়সতে ‘স্কাব স্কাউট” হোৱাৰ গৌৰৱ অৰ্জন কৰে।

স্কুলীয়া শিক্ষা সমাপ্ত কৰাৰ পিচতেই গ্ৰিলছে ভাৰতীয় সেনাত যোগদান কৰিব বিছাৰিছিল। তেওঁ চিকিমত হিমালয়ৰ পাহাৰ বগোৱাৰ প্ৰশিক্ষণো লৈছিল। কিন্তু অৱশেষত তেওঁ ব্ৰিটেইনৰ বায়ুসেনাৰ ২১ ৰেজিমেণ্ট স্পেচিয়েল এয়াৰ চাৰ্ভিছ, ২১ এছ. এ. এছ. (আৰ) ত যোগদান কৰে। সেনাবাহিনীত তিনি বছৰ কাম কৰাৰ পিছত ১৯৯৬ চনত জাম্বিয়াত পেৰাচুটেৰ অৱতৰণ কৰাৰ সময়ত এক গুৰুত্বৰ দুৰ্ঘটনাৰ পতিত হয় গ্ৰিলছ। এই দুৰ্ঘটনাত তেওঁৰ কেইবাডালো হাড় ভাঙি যায়। চিকিৎসকসকলৰ মতে এই দুৰ্ঘটনাৰ পিছত গ্ৰিলছ পক্ষাঘাতত আক্ৰান্ত হোৱাৰ পৰা দৈৱক্ৰমে ৰক্ষা পৰে। দুৰ্ঘটনাৰ পিছত তেওঁ পুনৰ আগৰ দৰে সাহসিক কাম-কাজ কৰিব নোৱাৰিব বুলিও তেওঁলোকে সতৰ্কবাণী জাৰি কৰিছিল। কিন্তু ইমান সহজেই নিয়তিৰ সৈতে যুঁজ দি হাৰি যাব বিছৰা নাছিল বিয়েৰ গ্ৰিলছ। দুৰ্ঘটনাৰ পিছত ১২ মাহ হেড্‌লী ক'টৰ সেনাবাহিনীৰ পুণৰ সংস্থাপন কেন্দ্ৰত থকাৰ পিছত ক্ৰমশঃ সুস্থ হৈ উঠিছিল গ্ৰিলছ। ১৯৯৮ চনৰ ১৬ মে'ত দিঠকত

পৰিণত হৈছিল তেওঁ সৰুৰে পৰা দেখি অহা এভাৰেষ্ট আৰোহনৰ সপোন। অকল এয়াই নহয় মাত্ৰ ২৩ বছৰ বয়সত এভাৰেষ্ট আৰোহন কৰি এনে সফলতা অৰ্জন কৰা কনিষ্ঠতম ব্ৰিটিছ নাগৰিক হিচাপে গীনিজ বুকতো তেওঁ নিজৰ নাম লিপিবদ্ধ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পিছত তেওঁ আটলাণ্টিক মহাসাগৰ, লাব্ৰাডো সাগৰ, ডেনমাৰ্ক প্ৰণালী, এঞ্জেল ফলছ আদিকে ধৰি বিভিন্ন স্থানত কেইবাটাও দুঃসাহসিক অভিযানত সফলতাৰে অংশ গ্ৰহন কৰে। ২০০5 চনত গ্ৰিলছে কেইগৰাকীমান সহযোগৰ সৈতে ৭,৬০০ মিটাৰ উচ্চতাত “হট এয়াৰ বেলুন”ত ডিনাৰ পাৰ্টীত অংশ গ্ৰহণ কৰি অভিলেখ ৰচনা কৰে। ২০০৭ চনত তেওঁ এভাৰেষ্টতকৈও অধিক উচ্চতাৰে হিমালয় পৰ্বতৰ ওপৰেৰে পেৰামটৰিং সম্পন্ন কৰে। ২০০৮ চনত “গ্ল’বৈল এঞ্জেলছ” নামৰ শিশু কল্যাণ সংস্থাটোৰ সাহাযাৰ্থে গ্লিলছে কেইগৰাকীমান সহযোগীৰ সৈতে এণ্টাৰ্কটিকাৰ আটাইতকৈ দুৰ্গম অঞ্চল হিচাপে পৰিচিত চাৰিটা শৃংগত অভিযান চলায়।

এনে ধৰণৰ বিভিন্ন দুঃসাহসিক অভিযানত অংশ লোৱা বিয়েৰ গ্ৰিলছে ব্ৰিটিছ সেনাৰ হৈ ড্ৰাগছৰ প্ৰচলন বন্ধৰ উদ্দেশ্যৰে বিজ্ঞাপনতো অভিনয় কৰিছে। তিনিটা সন্তান ক্ৰমে জেচ্ছে, মাৰ্মাডিউক আৰু হাকলবেৰীৰ পিতৃ বিয়েৰ গ্ৰিলছৰ পত্নীৰ নাম শ্বাৰা গ্ৰিলছ। বিয়েৰ গ্ৰিলছে অভিনয় কৰা আটাইতকৈ জনপ্ৰিয় অনুষ্ঠানটো হ’ল ডিস্ক’ভাৰী চেনেলৰ “এডভেঞ্চাৰ ৰিয়েলিটি শ্ব” “মেন ভাৰ্ছেছ ৱাইল্ড (MAN VS WILD)। ইউৰোপ আৰু আফ্ৰিকাৰ কেইখনমান দেশত এই অনুষ্ঠানক “আল্টিমেট ছাৰ্ভাইভেল” নামেৰেও জনা যায়। আমেৰিকাত ২০০৬ চনত সম্প্ৰচাৰ আৰম্ভ হোৱাৰ পিছতেই এই অনুষ্ঠানে অভূতপূৰ্ব জনপ্ৰিয়তা অৰ্জন কৰে। পিছলৈ সমগ্ৰ বিশ্বত এই অনুষ্ঠান উপভোগ কৰা দৰ্শকৰ সংখ্যা ১২০ কোটিলৈ বৃদ্ধি পায়। এতিয়ালৈকে চাৰিটা ছিজন সম্পূৰ্ণ হোৱা “মেন ভাৰ্ছেছ ৱাইল্ড” (MAN VS WILD) ত গ্ৰিলছে জীৱন্তে পতংগ ভক্ষণ কৰা, হাতী, উটৰ বিষ্ঠাৰ পৰা পানী উলিয়াই খোৱা, সাপৰ মোটত নিজৰ প্ৰস্ৰাব ভৰাই লৈ তৃষ্ণা নিবাৰণ কৰা, মৃত উটৰ ভিতৰত লুকাই থকা আদিৰ দৰে শিহৰণকাৰী দৃশ্যয়ো এই অনুষ্ঠানৰ জনপ্ৰিয়তা বৃদ্ধিত যথেষ্ট অৰিহণা যোগাইছে। ২০১২ চনৰ মাৰ্চত কোনো অজ্ঞাত কাৰণত ডিস্ক’ভাৰী চেনেলে এই অনুষ্ঠানৰ বাবে বিয়েৰ গ্ৰিলছৰ সৈতে থকা চুক্তি বাতিল কৰে।

জীৱনৰ ইতিবাচক দিশ সন্দৰ্ভত বক্তৃতা প্ৰদান কৰি “মটিভেচনেল স্পীকাৰ” হিচাপেও খ্যাতি অৰ্জন কৰা বিয়েৰ গ্ৰিলছ “দা জ’ল্ট ট্ৰাষ্ট” নামৰ দাতব্য সংস্থাটোৰো উপাধ্যক্ষ। এই সংস্থাটোৰ অধীনত প্ৰতিবন্ধী, দৰিদ্ৰ আৰু নিৰ্যাতনৰ বলি হোৱা শিশুসকলক বিভিন্ন দুঃসাহসিক অভিযানত অংশ গ্ৰহণৰ সুযোগ প্ৰদান কৰা হয়। দুঃসাহসিক বিশ্বৰ কোটি কোটি দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰাখিব পৰা বিয়েৰ গ্ৰিলছৰ জনপ্ৰিয় লেখক হিচাপেও আছে আন এক পৰিচিত। তেওঁৰ প্ৰথমখন গ্ৰন্থ “ফেচিং আপ” ব্ৰিটেইনৰ দহখন বেষ্টছেলাৰৰ তালিকাত অন্তৰ্ভূক্ত হৈছে। আমেৰিকাত গ্ৰন্থখন প্ৰকাশ পাইছিল “দা কিড হু ক্লাইমড এভাৰেষ্ট” নামেৰে। তেওঁৰ দ্বিতীয়খন গ্ৰন্থ “ফেচিং দা ফ্ৰ’জেন অচুন” ২০০৪ বৰ্ষৰ “উইলিয়াম হিল স্প’ৰ্টছ বুক এৱাৰ্ড” ৰ বাবে বাছনিত উঠিছিল। গ্ৰিলছৰ তৃতীয়খন গ্ৰন্থ ‘বৰ্ণ ছাৰভাইভ’ৰ ঃ বিয়েৰ গ্ৰিলছ” প্ৰকাশ পায় ২০০৮ চনৰ এপ্ৰিলত। এই গ্ৰন্থখনেও “ছালডে টাইমছ” ৰ বেষ্ট ছেলাৰৰ তালিকাত স্থান লাভ কৰে। ২০১১ চনৰ প্ৰকাশ পায় গ্ৰিলছৰ আত্মজীৱনী— “মাড ছোয়েট এণ্ডটিয়েৰছ ঃ দা অট’বায়’গ্ৰাফী। তদুপৰি তেওঁ দুঃসাহসিক অভিযানৰ বৰ্ণনাৰে কেইবাখনো জনপ্ৰিয় শিশু গ্ৰন্থ ৰচনা কৰিছে। “ৰিয়েল লাইফ হিৰো” হিচাপে জনপ্ৰিয়তাৰ শিখৰত আৰোহন কৰা গ্ৰিলছলৈ বিখ্যাত প্ৰয়োজনা সংস্থা ৱাৰ্নাৰ ব্ৰাডাছে “ক্লেছ অৱ দা টাইটানছ” ছবিখনৰ ৰিমেকত অভিনয়ৰো প্ৰস্তাৱ আগবঢ়াইছিল। ■

*সংগ্ৰহঃ ইণ্টাৰনেট, দুৰদৰ্শন*

*"To conquer fear is the beginning of wisdom."* - ***Bertrand Russell***



# নাৰী শিক্ষাৰ প্ৰাসংগিকতা

**বৰষা লহকৰ**
স্নাতক দ্বিতীয় ষান্মাষিক (কলা শাখা)

স্ৰষ্টাৰ শ্ৰেষ্ঠ সৃষ্টি কাৰক হ'ল মানুহ। মানুহ হৈছে জীৱ শ্ৰেষ্ঠ। অকল পুৰুষকলৈ এখন মানৱ সমাজ নহয়। এখন দেশ বা সমাজৰ উন্নতিৰ নিৰ্ভৰ কৰে সেই দেশৰ পুৰুষ-মহিলাৰ উভয়ৰ ওপৰত। আজিৰ কন্যা ভৱিষ্যতৰ মাতৃ। সমাজৰ বিকাশৰ ক্ষেত্ৰত মহিলাসকলৰ ভূমিকা বিশেষভাৱে উল্লেখযোগ্য। পুৰুষে যিদৰে সমাজৰ বিকাশৰ অৰিহনা যোগায়, ঠিক তেনেদৰে মহিলাও সমাজৰ বিকাশত অৰিহণা যোগায়। সেয়েহে পুৰুষ-মহিলা উভয়ৰে প্ৰতি প্ৰকৃতিৰ প্ৰত্যেকটোক উপাদানে অৱদানৰ সমান। বায়ু, পানী, সূৰ্যৰ তাপ উত্তাপ, বৰষুণৰ কণিকা আদি সকলোৰে ওপৰত নাৰীৰ সমান অধিকাৰ আছে।

বৰ্তমান এই সংকটময় জীৱন যাত্ৰাত নাৰীৰ শিক্ষাৰ আৰু ইয়াৰ সৎ ব্যৱহাৰৰ ওপৰতেই পৰিয়ালৰ সুখ শান্তি নিৰ্ভৰ কৰে। এটা শিশু জন্ম হোৱাৰ পিছত তেওঁ প্ৰথমে মাকৰ পৰা আৰু তাৰ পিছত পৰিয়ালৰ পৰা, স্কুল সমাজ, আদিৰ পৰা শিক্ষা পায়। গতিকে মই এজনী স্নাতক মহলাৰ শিক্ষা বিভাগৰ ছাত্ৰী হিচাবে নাৰী শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট প্ৰাসংগিকতা আছে বুলি ভাবো। এই নাৰী শিক্ষাৰ ক্ষেত্ৰত স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰীয়ে কৈছিল— "এজন পুৰুষক শিক্ষা দিয়া মানে এজন ল'ৰাক শিক্ষা দিয়া, কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে এটা পৰিয়ালক শিক্ষা দিয়া"।

অতীতৰ পৰা বৰ্তমানলৈকে নাৰী শিক্ষাৰ ক্ষেত্ৰত স্ত্ৰী আৰু পুৰুষৰ শিক্ষিতৰ হাৰত থকা ব্যৱধান এতিয়াও কিছু পৰিমানে থকা দেখা যায়। এই ব্যৱধানৰ এটা অন্যতম কাৰণ হৈছে সামাজিক ৰাজনৈতিক আৰু পুৰুষ প্ৰধান সমাজৰ মনোভাব। পুৰুষ আৰু মহিলাৰ মাজত থকা এই ব্যৱধান আঁতৰোৱাৰ একমাত্ৰ উপায় হৈছে নাৰীসকলে এতিয়াও নানা ধৰণৰ কুসংস্কাৰ, অন্ধবিশ্বাস, ধৰ্মীয় গোড়ামি, যৌতুক প্ৰথা, বাল্য বিবাহ আদি সামাজিক প্ৰথাৰ বলি হৈ আছে। ইয়াৰ উপৰিও বৰ্তমান সমাজৰ নাৰীক এক চাবি দিয়া পুতলাৰ দৰে ব্যৱহাৰ কৰা দেখা যায়। তেওঁলোকে বিয়া হোৱাৰ পিছত পায় স্বামীৰ ঘৰত অসমীয়া যন্ত্ৰণা, অমানৱীয় অত্যাচাৰ আৰু তাৰ পিছতো তেওঁলোকে অদৃষ্টৰ লিখন বুলি মানি লয়। আনকি মহিলা আৰক্ষীৰ ওপৰতো গোচৰ নকৰে। তেওঁলোকে নিজকে নিজে শাস্তি দিয়ে। ইয়াৰ কাৰণ হৈছে নাৰীসকলে সমাজত মাত মাতিবলৈ কৰে কাৰণ তেওঁলোকে সচৰ'চৰ শিক্ষিত হোৱা দেখা নাযায়। ইয়াৰ আন এক কাৰণ হৈছে ছোৱালী শিক্ষাতকৈ ল'ৰাৰ শিক্ষাত অধিক গুৰুত্ব দিয়া দেখা যায়। বহুতো মাতৃয়ে ল'ৰা সন্তানটিৰ প্ৰতি বেছি মনোযোগ দিয়া দেখা যায়; কাৰণ তেওঁলোকে ভাবে ল'ৰাই হেনো বংশ ৰক্ষা কৰিব। এনেবোৰ মানসিকতাৰে আমাৰ সমাজ আজিও পৰিপুষ্টি যে নাৰী সকলক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি তুলিলেহে সমাজৰ নাৰী পুৰুষৰ মাজত থকা এই বৈষম্য আঁতৰ কৰা সম্ভৱ হ'ব।

গতিকে আমি মহিলাসকলে এতিয়া সাৱধান হ'ব লাগিব আৰু নিজৰ শান্তি সামৰ্থৰে সাহস গোটাই শিক্ষা আৰু অৰ্থনৈতিক স্বাৱলম্বিতা আহৰণ কৰক লগতে মানসিক দৃঢ়তাৰ আত্মসচেতন আৰু সজাগতাৰে নাৰীসকলৰ সৱলীকৰণৰ ক্ষেত্ৰত সহায়ক হওক। ■



# বিচৰণশীল আকাশী বাষ্পপিণ্ড ঃ ধূমকেতু

**হিমাংশু হাজৰিকা**
স্নাতক চতুৰ্থ ষান্মাসিক (বিজ্ঞান শাখা)

মহাকাশৰ বুকুত আমি মাজে মাজে কিছুমান দীঘল নেজৰ এবিধ বিচৰণশীল আকাশী বাষ্পপিণ্ড দেখিবলৈ পাওঁ, বৈজ্ঞানিক দৃষ্টিভংগীত ইয়াকে ধূমকেতু বোলে।

ই সূৰ্য্যৰ পৰা যথেষ্ট দূৰত থকাৰ সময়ত ইহঁত আকাশৰ এটি ক্ষুদ্ৰ নিষ্প্ৰভ তাৰকা যেন হৈ থাকে। কিন্তু ই সূৰ্য্যৰ ওচৰ চপাৰ লগে লগে ইয়াত থকা পদাৰ্থবোৰত সূৰ্যৰ পোহৰৰ নানা বিক্ৰিয়া ঘটি ইয়াৰ চাৰিওফালে পাতল ধূলি আৰু গেছীয় পদাৰ্থৰ এটা আৱৰণ গঢ়ি উঠে।

ধূমকেতুৱে এটা অতি উপ-বৃত্তাকাৰ কক্ষপথেৰে সূৰ্যৰ চাৰিওফালে পৰিভ্ৰমণ কৰে। সাধাৰণতে প্ৰতি বছৰত ৪টাৰ পৰা ৫টা ধূমকেতুৱে আকাশৰ বুকুত দেখা দিয়ে। তলত কেইটামান ধূমকেতুৰ বিষয়ে দিয়া হ'ল—

**হেলীৰ ধূমকেতু ঃ** ১৬৮২ চনৰ ১৪ ছেপ্তেম্বৰ তাৰিখে এডমাণ্ড হেলীয় এটি ধূমকেতুৰ কক্ষপথ নিৰ্ণয় কৰে আৰু তেওঁৰ নামেৰেই এই ধূমকেতুটোৰ নাম হেলীৰ ধূমকেতু ৰখা হয়। ১৭৫৯ চনৰ ২২ মাৰ্চ তাৰিখে হেলীৰ ধূমকেতুৱে দ্বিতীয়বাৰৰ বাবে আকাশত দেখা দিয়ে। ১৯১০ চনৰ ১৯ মে তাৰিখে আচৰিতভাৱে হেলীৰ ধূমকেতুৰ নেজৰ মাজেদি পৃথিৱীখন পাৰ হৈ যায়। ১৮৩৫ চনত হেলীৰ ধূমকেতুৱে তৃতীয়বাৰৰ বাবে আকাশত দেখা দিয়ে। ১৯৮৪ চনৰ ২১ ডিচেম্বৰ তাৰিখে ৰুছ দেশৰ বৈকানুৰ মহাকাশ কেন্দ্ৰৰ পৰা হেলীৰ ধূমকেতু অধ্যয়নৰ বাবে ভেগা-২ উৎক্ষেপন কৰিছিল। ১৯৮৬ চনৰ ২ ফেব্ৰুৱাৰী তাৰিখে হেলীৰ ধূমকেতুৱে চতুৰ্থ বাৰৰ বাবে আকাশত আকৌ দেখা দিছিল। এনেদৰে হেলীৰ ধূমকেতুৱে প্ৰতি ৭৬ বছৰৰ মূৰে মূৰে আকাশত দেখা দিয়ে।

**ব্ৰৰচন মেটকাফ ধূমকেতু** ঃ ১৮৪৭ চনত 'ব্ৰৰচন মেটকাফ' নামৰ ধূমকেতুটো আৱিষ্কাৰ কৰা হয়। ১৯১০ চনৰ ছেপ্তেম্বৰ মাহক 'ব্ৰৰচন মেটকাফ' নামৰ এই ধূমকেতুটো দ্বিতীয় বাৰৰ বাবে আকাশত দেখা গৈছিল। ১৯৮৯ চনৰ ১৫ ছেপ্তেম্বৰ তাৰিখে ব্ৰৰচন মেটকাফ নামৰ ধূমকেতুটো সূৰ্যৰ পৰা ৮৬০ লাখ কিলমিটাৰ দূৰত আছিল। ১৯৯০ চনৰ ছেপ্তেম্বৰ মাহত এই ধূমকেতুটোৱে পুনৰ দেখা দিয়ে। এই ধূমকেতুটো প্ৰতি ৭০ বছৰৰ মূৰত এবাৰ আকাশত দেখা দিয়ে।

**বিয়েলাৰ ধূমকেতু ঃ** ১৮২৬ চনত পোন প্ৰথমবাৰৰ বাবে বিয়েলাৰ ধূমকেতুৱে মহাকাশত দেখা দিয়ে। ১৮৭২ চনৰ ২৭ নৱেম্বৰ তাৰিখৰ পৰা এশ বছৰ আগতে বিয়েলাৰ নামৰ ধূমকেতুটো ভাঙি টুকুৰা-টুকুৰ হৈ মহাকাশত বিলীন হৈছিল আৰু তাৰেই টুকুৰাবোৰ এশ বছৰ পিছত পৃথিৱীত পৰি সেইদিনাই প্ৰচণ্ড উল্কাপাতৰ সৃষ্টি হৈছিল।

**শ্বুমেকাৰ লেভি-৯ ধূমকেতু** ঃ এই ধূমকেতুটোক ১৯৯৩ চনৰ ২৪ মাৰ্চ তাৰিখে আৱিষ্কাৰ কৰা হৈছিল। ইয়াৰ আৱিষ্কাৰক সকল হ'ল— Carolyn Shomaker, Eugene M. Shomaker, David Levy. ১৯৯৪ চনৰ ১৬ জুলাইৰ পৰা ২২ জুলাইলৈ এই ধূমকেতুটোৱে বৃহস্পতি গ্ৰহৰ ওপৰত একেৰাহে ৭ দিন ধৰি সংঘৰ্ষ চলায়। কোনো গ্ৰহৰ কক্ষপথত সোমোৱা এইটোৱে প্ৰথমটো ধূমকেতু। ■

# আত্মসমালোচনা আৰু আত্মোকৰ্ষ

**হিমাংক চৌধুৰী**
স্নাতক চতুৰ্থ যান্মাসিক (বিজ্ঞান শাখা)

আত্মসমালোচনা আৰু আত্মোকৰ্ষ বিষয়টো অতি জটিল। তাতোকৈ বেছি জটিলতা আহি পৰে এই কাৰণেই যে ই আমাৰ 'আত্ম' অৰ্থাৎ নিজৰ লগত জড়িত বিষয়। 'আত্মসমালোচনা' শব্দটোৰ বিশ্লেষণ কৰিবলৈ যাওঁতে দেখা যায় যে ইয়াত তিনিটা শব্দৰ অৰ্থবহ সংমিশ্রন হয়— 'আত্ম + সম + আলোচনা' অৰ্থাৎ নিজে নিজক বিশ্লেষণ কৰা। এতিয়া প্ৰশ্ন হয় যে — কৰোনে কেতিয়াবা আমি নিজক বিশ্লেষণ? হয়তো বিশ্লেষণ নকৰা ব্যক্তি নোহোৱা নহয়; যদিও ইয়াৰ সংখ্যা নিচেই তাকৰ। এইটো অপ্রিয় যদিও সত্য যে মানুহে নিজতকৈ বেছি আনক বিশ্লেষণ কৰি ভাল পায়। কোনো ক্ষেত্ৰত নিজৰ কথা আহি পৰিলেও আনৰ লগত নিজকে তুলনা নিজৰ ব্যক্তিত্ব অক্ষুন্ন ৰাখিব বিচাৰে। প্ৰকৃতিৰ অভূতপূৰ্ব সৃষ্টিত মানুহ জীৱ শ্ৰেষ্ঠ প্ৰাণী। গতিকে বুদ্ধিমত্তাৰ অধিকাৰী প্ৰাণী হিচাপে আন জীৱৰ খাপতকৈ ওপৰত থকাটো নিশ্চিত। এই মানৱ জাতিটোৱেই আকৌ কিছুমানক অমানুহ, কিছুমানক মানুহ, কিছুমানক মহাপুৰুষ আৰু কিছুমানক অতিমানৱ আদি বিশেষণেৰে বিভূষিত কৰি শ্ৰেণী বিভাজন কৰা হয় যদিও কোনো মানুহেই সমালোচনাৰ উৰ্দ্ধত নহয়। ভুল আৰু শুদ্ধৰ সমষ্টিয়েই হৈছে মানৱ জীৱন। এই ভুল কেতিয়াবা জ্ঞাত বা অজ্ঞাত হ'ব পাৰে। গতিকে এই বিষয়ত আত্মসমালোচনা এটি গুৰুত্ব পূৰ্ণ বিষয়।

আত্মসমালোচনা কিমান দূৰ যুক্তি সংগত? অথবা আত্মসমালোচনা নকৰিলে ব্যক্তি এজন কৃতকাৰ্য নহয় নেকি বা স্বাৰ্থপৰ হ'ব পাৰে নেকি? এনেবোৰ ক্ষেত্ৰতে আহি পৰে 'আত্মোকৰ্ষ' শব্দটি। মানৱ জীৱনৰ প্ৰধান লক্ষ্য হ'ল নিজৰ উন্নতি বা উৎকৰ্ষ সাধন। এই আত্মোকৰ্ষ বিভিন্ন মাধ্যমৰ মাজেৰে সম্ভৱ হ'ব পাৰে। এনে ক্ষেত্ৰত কথাযাৰৰ সপক্ষে এটি উদাহৰণ দাঙি ধৰা হ'ল—

(i) পঢ়া নাই

(ii) পাঠসমূহ বুজা নাই

(iii) শিক্ষকে বুজাই দিব পৰা নাই

(iv) কি পঢ়িব লাগিব ভালদৰে ধৰিব পৰা নাই। ইত্যাদি..........

এতিয়া ছাত্ৰজনে ইয়াৰ পৰা হাত সৰাৰ অতিকৈ সহজ কথাটি হ'ল যে তেওঁ শিক্ষকৰ গাত দোষ দিয়া; যিটো কৰিলে সমস্যাৰ পৰা সমাধান পোৱা নাযায়। তাতকৈ যদি নিজে নিজৰ দোষ বা ত্ৰুটি সমূহ উলিয়াই লই নিজকে বিশ্লেষণ কৰি ত্ৰুটিসমূহ আঁতৰ কৰি সঠিক পন্থা গ্ৰহণ কৰা হয়, তেন্তে তেওঁ কৃতকাৰ্য হোৱাতো নিশ্চিত। গতিকে আত্মসমালোচনা আত্মোকৰ্ষৰ ওলোটা পিঠি।

কিন্তু বৰ্তমান সমাজত দেখা যায় যে আমি আমাৰ মানসিক আৰু আধ্যাত্মিক উন্নতিক প্ৰাধান্য নিদিওঁ আৰু আনে আমাৰ ভুলটো দেখুৱাই দিলেও আমি তাক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰো। এনেবোৰ পৰিস্থিতিত আত্মসমালোচনাই সহায় কৰা দেখা যায়। আত্মসমালোচনাই নিজক আনৰ লগত তুলনা কৰা নুবুজায়। বৰঞ্চ নিজেই নিজৰ মানসিক আৰু আধ্যাত্মিক গুণাগুণ নিৰন্তৰ উন্নত কৰাক বুজায়। এই নিৰন্তন উন্নতিৰ অন্তৰালত আছে আত্মোৰ্কষৰ প্ৰতি আগ্ৰহ। অৰ্থাৎ এটা আনটোৰ লগত ওতঃপ্ৰোত বাৱে জড়িত। আমি কিছুমান এনে মানুহৰ জীৱন গাথা পঢ়িব পাওঁ যিবোৰত এটা সময়ত আনৰ হাঁহিয়ত পাত্ৰ হৈ পাছত নিজৰ আত্মোকৰ্ষ সাধনৰ তীব্ৰ আকাংশাৰ বাবে আগত এজন আদৰ্শ ব্যক্তি হৈ ধৰা দিবলৈ সক্ষম হয়। আত্মসমালোচনাত আমাৰ বৌদ্ধিক আৰু মানসিক তাগিদা থাকে আৰু ইয়াক পূৰণ কৰাত সহায় কৰে আত্মোকৰ্ষৰ প্ৰতি থকা আগ্ৰহে। গতিকে দুয়োটা বিষয়ৰ সম্বন্ধ এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। ■



# আমি নাৰী

**অৰ্চনা বৰদলৈ**
স্নাতক দ্বিতীয় ষান্মাসিক (কলা শাখা)

সৃষ্টিৰ মূলতেই হ'ল নাৰী। নাৰী অবিহনে একো সম্ভৱ নহয়। এগৰাকী নাৰী হৈছে কাৰোবাৰ জী, পত্নী, বোৱাৰী, বাইদেউ, ভণ্টি, মাতৃ এইবোৰেই নাৰীৰ ৰূপ। এগৰাকী নাৰী হৈছে সাহস, ধৈৰ্য্য প্ৰেম-ভালপোৱা আৰু ত্যাগৰ মূৰ্তি। নাৰীৰ বাবে অসম্ভৱ একো নাই। নাৰী যিকোনো কাম কৰিব পাৰে। এগৰাকী নাৰী হৈছে ক্ষমাৰো প্ৰতীক।

নাৰীয়ে প্ৰেম-ভালপোৱা সকলোকে মৰমেৰে বান্ধি ৰাখি পাৰে। সকলোকে হিয়া উজাৰি স্নেহ মৰম দিব পাৰে আৰু সেই গৰাকী নাৰীয়েই প্ৰয়োজনত কনকলতা, মূলাগাভৰু, জয়মতী আদিৰ দৰে হাতত তৰোৱাল লৈ আৰু আন্দোলন কৰি দেশৰ হকে, অন্যায়ৰ হকে যুঁজ দিবও পাৰে । এগৰাকী নাৰীয়ে জয়মতীৰ দৰে নানা নিৰ্যাতন ভোগ কৰিও নিজ স্বামীক ৰক্ষা কৰিব পাৰে। এগৰাকী নাৰীয়ে জন্মৰ পৰা সকলোকে মৰম চেনেহেৰে আঁকোৱালি লৈ আন এখন ঘৰলৈ ওলাই যোৱালৈকে পিতৃঘৰৰ সকলো দায়িত্ব পালন কৰে। কিন্তু সেই নাৰীকেই আমাৰ সমাজত সন্মান প্ৰদৰ্শন কৰা নহয়। আমাৰ সমাজত নাৰীক পুৰুষৰ দৰে সমান মৰ্যাদা দিয়া হোৱা নাই। প্ৰাক-স্বাধীনতা কালৰ পৰাই পুৰুষসকল নাৰীক অৱজ্ঞাৰে চকুৰে চায়।

ভাৰতীয় নাৰীৰ ইতিহাস অতি গৌৰবজ্জ্বল। বৈদিক যুগত বৌদ্ধিক, সামাজিক, শৈক্ষিক সকলো ক্ষেত্ৰতো নাৰীৰ স্থান অতি উচ্চ আছিল। গাৰ্গী মৈত্ৰেয়ী আদি যুগত বিদূষী মহিলা আছিল যিয়ে বেদৰ শ্লোক ৰচনা কৰিছে। ৰামায়ণ মহাভাৰততো নাৰীৰ গৌৰৱৰ কথা গম পোৱা যায়। বৌদ্ধ যুগতো নাৰীৰ সম অধিকাৰ আছিল।

ভাৰতীয় নাৰীৰ পৰাধীনতাৰ অন্ধকাৰ যুগ নামি আহে মুছলমান সকল  ভাৰতলৈ অহাৰ পিছত। মুছলমানৰ ৰাজত্ব ভাৰতীয় নাৰীসকল পৰ্দাৰ আঁৰত সোমাই পৰে। বাল্য-বিবাহ আদিৰ প্ৰচলন আৰম্ভ হ'ল। ইংৰাজৰ ৰাজত্ব কালত নাৰীসকলৰ মুক্তিৰ কাৰণে ইংৰাজসকলৰ লগতে ভাৰতীয় শিক্ষিত মানুহবোৰেও চিন্তা কৰিবলৈ ধৰিলে। ৰামমোহন আদিয়ে নাৰী মুক্তি আৰু নাৰী শিক্ষাৰ লগতে সতীদাহ আদি কু-প্ৰথাৰো নিবাৰণ কৰিলে। কিন্তু প্ৰথাৰ সেই ৰীতিক তেওঁলোকে নিঃকোষ কৰিব নোৱাৰিলে। বৰ্তমান সময়লৈ চলি আছে। ই আমাৰ সমাজৰ কাৰণে লজ্জ্য আৰু  ঘৃণাৰ বিষয়। আজিও এইবোৰৰ বাবে নাৰীয়ে নিৰ্যাতনৰ বলি হৈ মৃত্যুক সাৱটি লব লগা হৈছে। বহুতো নাৰীয়ে কু-সংস্কাৰৰ মাজত আৱদ্ধ কৰি ৰখা হৈছে। ভাৰত পুৰুষ প্ৰধান সমাজ। আজিও বহুতো নাৰীক তেওঁৰ পিতৃৰ আদেশ অনুযায়ী বৃদ্ধ এজনৰ স্বামী বুলি বিয়া হ'ব লগা হয়। কেতিয়াবা আকৌ বৃদ্ধৰ লগত বিয়া হৈ সৰুতে কন্যা এজনী হয় বিধৱা আৰু বিধবা হৈ কষ্ট গ্ৰহণ কৰা কন্যাৰ জীৱন হৃদয়হীন, হয়। ইয়াৰ পৰাই আৰম্ভ হয়, দুশ্চিন্তা, অশ্ৰুপাত, সেইবাবেই ঘৰৰ লগত বিৰোধ আৰু মৃত্যু আদিয়ে শিশু কন্যাৰ জীৱনলৈ অভিশাপ নামি আহে। এইবোৰ যাতে নহয় তাৰ প্ৰতি চকু দিয়াটো আমাৰ সমাজৰ কৰ্তব্য। সমাজৰ বাহিৰে কন্যা সকলৰ সুৰক্ষা দিব কোনে। সমাজখনেই দিব লাগিব সুৰক্ষা। যদিও আমাৰ সমাজত নাৰী শিক্ষাৰ প্ৰতি যিবোৰ সফলতা অৰ্জন কৰিব পৰা নাই তথাপি প্ৰায় সংখ্যক নাৰীয়ে শিক্ষা গ্ৰহন কৰি সমাজৰ বিভিন্ন দিশত সেৱা আগবঢ়াবলৈ সক্ষম হৈছে।

নাৰীসকলক যুৱ সমাজ বা পুৰুষে বা আমাৰ নৱ প্ৰজন্মই সন্মান দিবলৈ শিকিব লাগিব। প্ৰত্যেক পুৰুষৰে সফলতা আঁৰত আছে এগৰাকী নাৰী। তেওঁ মা আৰু পত্নী হিচাপে সকলো দায়িত্ব পালন কৰে। নাৰীক সন্মান দিয়াটো আমাৰ কতব্য। নাৰীক সন্মান প্ৰদান কৰাটো আমাৰ ধৰ্ম। ■

# কবিতা

# ধৰিত্ৰীৰ বিশালতা

**চন্দ্ৰমোহন কলিতা**
সহযোগী অধ্যাপক
অৰ্থবিজ্ঞান বিভাগ



এইখন ধ'ৰা
বিভিন্ন ৰঙেৰে ভৰা।
মানুহৰ জীৱন ৰঙ আৰু খং,
বিষাদৰে ভৰা।
এই ধৰাখন ফাগুনৰ পছোৱাৰে
ধাৱলী লোৱা,
সমাহাৰেৰে জোৰা।

আমি দেখোঁ ট'কিঅ'ৰ দৰে
জাক-জমকীয়া নগৰ-চহৰ
আৰু ভোকাতুৰ মানুহৰ আৰ্ত্তনাদে
বিয়পাই তোলা ছোমালিয়াৰ।
মালালাৰ দৰে শিৰত
সন্ত্ৰাসবাদীৰ গুলি পাতি লোৱা
টেৰেছাৰ দৰে গোটেই বিশ্বক আপোন
কৰি লোৱা
মহা মহা মানৱৰ
সমষ্টিয়ে এই
ধৰণী খন ভৰা।
কোকিল কণ্ঠী গীতৰ সুৰৰ বন্যাৰে
নিস্তব্ধতাক ভেদ কৰি ঘুৰি থকা
এই বিশ্ব ব্ৰহ্মাণ্ড;
এইখন পৃথিৱীতে আকৌ
কাপুৰুষৰ নৃশংস
শিৰচ্ছেদৰ কালধুমুহাৰে কৰা ৰক্তক্ষৰন যজ্ঞ।

বিজ্ঞানৰ আৱিষ্কাৰে সৃষ্টি কৰিছে
বতাহৰ মাজেৰে হাজাৰ হাজাৰ
কিলোমিটাৰ দূৰৈত থকাজনৰ লগত বাৰ্তালাপ
আকৌ হিৰোছিমা-নাগাছাকিৰ দৰে
ধ্বংশস্তুপৰ সৃষ্টিৰ প্ৰয়াস।
কিয়ে ভয়াবহ কাৰ্যই গতি কৰিছে দিনে নিশাই,
ৰ'বলৈ কাৰো সময় নাই এক মুহূৰ্তত।।

# সেউজীয়া প্ৰকৃতিৰ স্বাৰ্থত

**ৰাহুল ৰাভা হাকাচাম**
স্নাতক ষষ্ঠ যান্মাসিক (কলা শাখা)

*(মহাবিদ্যালয় সপ্তাহত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত কবিতা)*



(১)

কক্‌বকাই থকা পুহ মাহৰ ৰাতিবোৰ
এন্ধাৰে কলা কৰি আগুৰিছিল হালধীয়া বোৰ
মৌনতা জুখিবহে পাৰিছিলো মাথো
এনেকুৰা কি যথৰতা থাকিব পাৰে......

(২)

সেউজীয়া! সময়বোৰত শেৱালী ফুলে
ঘৰমুৱা পক্ষীবোৰৰ কোলাহল
পথাৰত জাক্-জাক্ গৰুবোৰ হেম্বলিয়াইছে
ৰাতিটোৰ স্বাধীনতা বিচাৰিছে
এয়াইটো নিয়ম ..............................

(৩)

আঘোণৰ কুঁৱলী প্ৰকৃতিৰ সোঁতা পৰা হাঁহি
দুটা শুকান ওঁঠৰ সুঁহুৰিত পথাৰখন সাৰ পায়
তিতি থকা নৰাবোৰৰ সপোন ভাঙে
পিতাই হাত এখন নাঙল এডাল এচাৰি
হুৰ্ যা....যা... সেই দিশে আগুৱাই ! হ! হ!

(৪)

পূৰৰ বেলিৰ ৰঙা হাঁহি
তেনেকুৰাই বাস্তৱ মানুহৰ ৰঙবোৰ
আৰু সময়বোৰ
হ্ৰাস কৰি পেলাইছে পৌৰাণিক সেই সেউজীয়া প্ৰকৃতি
সংস্কৃতিৰ নামত কেৱল-জাক্ জমকতা
কেৱল কোলাহল-কোলাহল সুৰ সংগীত
আমিবোৰ স্বাধীন সেয়েহে ভবা নাই
আমাৰ সেই সেউজীয়া জন্মভূমি ক'ত....?

আমিবোৰ মানুহ
আমাৰ গৌৰৱ একনিষ্ঠ
আমিয়েই পাৰিম বিচাৰিব
আমাৰ সেউজীয়া প্ৰকৃতি
প্ৰকৃতিৰ স্বাৰ্থত।।

# প্ৰেমৰ অনুভৱে অনুভৱে প্ৰকৃতি

**গোবিন্দ দাস**
স্নাতক ষষ্ঠ যান্মাসিক (কলা শাখা)



**প্ৰকৃতি**
প্ৰেমৰ অনুভৱে অনুভৱে
শুকান বুকু তিয়াই
তুমি নামি আহা
বৰষা হৈ।
চুই যোৱাহি মোৰ সমস্ত সত্তা
হৃদয়ে গুণগুণাই কৈ যায়
তোমাৰেই কথা
তুমি এটি অনুভৱ সুখৰ ঋতুৰ
যেন বা ৰিব্‌ৰিব্‌ মলয়া
শৰৎ কালৰ।

বুজিও নুবুজা হওঁ আজি
সুখ কিম্বা দুখৰ সংজ্ঞা
ৰঙীণ যেন লাগিছে
এই বসুধা
সুখতো বাগৰিছে অশ্ৰু
দুচকু তিয়াই।
দুখত বিৰিঙিছে হাঁহি
ওঁঠ উজলাই
তুমি যেন এটি পাহাৰী জুৰি
বুকুজুৰি বোৱা
নাইবা
শৰতৰ স্নিগ্ধ সন্ধিয়াত
বৈ অহা শেৱালীৰ
বুকুভৰা সুবাস।

প্ৰকৃতি
তুমি হব পাৰা বসন্তৰ প্ৰথমজাক বৰষুণ
নাইবা
মোৰ কলিজাৰ
এপাহী তেজৰঙা গোলাপ।

প্ৰকৃতি,
ফুল হৈ ফুলি উঠা তুমি
বৈ আহা সুবাস হৈ
নামি আহা বৰষা হৈ
মোৰ শুকান বুকুত
ধুই নিয়া কলুষতা
মনৰ মাজৰ।
প্ৰকৃতি,
তুমি বসন্তৰ উচ্ছল হাঁহি
বৰষাৰ সেউজীয়া
শৰতৰ কহুঁৱা
ফাগুণৰ অশান্ত পছোৱা

প্ৰকৃতি, তুমি যেন এটি
যাযাবৰী পক্ষী
ৰচকী পখিলা
ৰহস্যময়ী
যৌৱনা হাঁহি।

# এলচিবিয়ান

**নাৰগিছ চৌধুৰী**

স্নাতক চতুৰ্থ যান্মাসিক (কলা শাখা)

তুমি দীৰ্ঘায়ু হোৱা এলচিবিয়ান
যেতিয়ালৈকে থাকে জোন, বেলি, তৰা
তেতিয়ালৈকে যেন তুমি থাকা।
জীৱনত কেতিয়াও হাতত
লোৱা নাছিলো কলম তুলি
সেয়েহে হয়তো নাছিল উদ্‌গীৰিত হোৱা
এটা কবিতা,
অথবা এটা গল্পৰ লাইন
তোমাৰ প্ৰেৰমাতেই আজি
লিখিবলৈ লৈছো এটি কবিতাৰ পংক্তি,
নাজানো তুমি লোৱা নে নোলোৱা
আকোঁৱালি।
মনৰ ভিতৰখন যেতিয়া
কিহবাই জোকাৰি যায়
তেতিয়াই তোমালৈ বুলি কিবা এটা লিখিম
মাথোঁ তোমাৰ বুকুত দিয়া অলপ ঠাই।
তুমি যেন দীৰ্ঘায়ু হোৱা এলচিবিয়ান!
তুমি দীৰ্ঘায়ু হোৱা।





# তুমিতো আকাশ

**নীলাঞ্জনা মিশ্র**
স্নাতক চতুৰ্থ ষান্মাসিক (কলা শাখা)

তুমি আকাশৰ দৰেই নীলা !
মুগ্ধ মায়াৰ আৱেশত
অুজ ভাষাৰে গোৰা,
তোমাৰ অব্যক্ত বেদনা।
তুমিতো আকাশ!
আকাশৰ দৰেই নীলা !!
তোমাৰ লহৰৰ গুঞ্জনত
ভাঁহি আহে টোপালৰ চেপা উত্তেজনা।
উন্মাদিনী নদীৰ গানকো বুকুত সাৱটি
নিচুকনি গীত গোৰা।
তুমিতো আকাশ !
আকাশৰ দৰেই নীলা।।
শত সহস্ৰ মন্দিৰৰ ঘণ্টা ধ্বনিৰ কলৰৱত—
মুখৰিত টোপাল হয় তোমাৰ
মৃদু সুৰৰ মূৰ্চ্ছনাত স্তম্ভিত !
তুমিতো আকাশ !
আকাশৰ দৰেই নীলা !!

# শাৰদীয় ৰাণী

**পূজা দাস**
স্নাতক চতুৰ্থ যান্মাসিক (কলা শাখা)



আহিলে শাৰদীয় ৰাণী
আগমণ ঘটিল সুখ-শান্তিৰ
চৌদিশে বিয়পি পৰিল
আনন্দৰ ৰেঙণি।

ধূপ-ধূনাৰ সুগন্ধৰে হৈ পৰে
সুবাসিত পৰিৱেশ
য'ত কৰা হয়
অৰ্চনা দেৱীৰ।

ভিন্ন ব্যঞ্জণেৰে ভৰা এই
মধুৰ পৰিৱেশ
য'ত ভৰি পৰে
মানুহৰ সমাৱেশ।

বছৰ বছৰ ধৰি
চলি অহা শাৰদীয় উৎসৱ
আগন্তুক বছৰ ধৰি
যাতে চলি থাকে
এই উলহ-মালহৰ উৎসৱ।।

# অনুভূতি

**প্ৰণালী বৰ্মন**

স্নাতক চতুৰ্থ ষান্মাসিক (কলা শাখা)



পিতৃ...................
তোমাৰ হাতত ধৰি
সংগ্ৰামী এই পৃথিৱীখনত প্ৰথম
খোজটো পেলাইছিলো
অবুজন মই আৰু অবুজন এক অনুভৱ
হয়তো তুমিও হাঁহিছিলা।
তুমি গঢ়ি দিলা
মোৰ মনত
এক মৰমৰ আৱৰণ মোৰ চাৰিওফালে
জীৱন আগবাঢ়ি গ'ল বহু দূৰলৈ........
তোমাৰ হাতত ধৰি থমকি ৰ'লো
এক অবুজন বিন্দুত
স্বামী.............
অবুজন বিন্দুৰ পৰা এক সৰল ৰেখা
চানি দিলা তুমি,
ঠিক মোৰ শিৰত লোৱা
সেন্দুৰৰ সৰল ৰেখাডাল।
জীৱন মধুময় বুলি তুমিয়েইতো শিকালা
পৃথিৱীৰ অন্য এক নতুন সূত্ৰ
তুমি মোৰ হাতত তুলি দিলা
এক ঐশ্বৰিক উপহাৰ
পুত্ৰ................
উপহাৰৰ টোপালাটো খুলিলো
তাৰ মাজত তোমাক পালো
তোমাৰ মুখত পৃথিৱীৰ সকলোতকৈ
শুৱলা মাতষাৰ 'মা'
আকৌ এবাৰ জন্ম হৈছে পিতৃৰ হাতত ধৰি,
এয়াই যেন অবুজন অনুভূতি .........

# কবিতাৰ এটা নাম সেউজীয়া

**ৰাহুল কুমাৰ ৰাভা**
স্নাতক ষষ্ঠ ষান্মাসিক (কলা শাখা)

(১)

সেউজীয়া মই সেউজীয়া পথাৰৰ
বোকা সিচি উলংগ কৰা খেতিৰ সেউজীয়া
ৰ'দৰ চিঠিত লিখি থোৱা বতাহ, বৰষুণ কিম্বা
একাত্ম হৈ পথাৰৰ বুকুত
কুঁৰলী ফালি চেচাঁ হয় ৰাতিপুৱাৰ বেলি
শালিকী চৰাইৰ সুঁহুৰিত

(২)

যিটো দিশে উদয় হয় পূৱৰ বেলি
সেই উপত্যকাত পথাৰৰ বহল বুকু
এজাক বৰষুণেই উটুৱাই নিয়ে
নৈ পৰিয়া জীৱনৰ চকু পানী



(৩)

সৰল দেহৰ মানুহে নুবুজে
সেউজীয়া মানুহবোৰৰ শিলাময় দেহ
সেই দেহৰ হাড়ত সজ্জিত সপোন
পথাৰৰ বুকুত গৰ্ভস্থ নহয় কোনোদিন
কোনো প্ৰেমিকাৰ জাতি, ধৰ্ম
সেউজীয়া চাঁদৰে মেৰিয়াই ৰাখে
ঘামে তিতা জীপাল শৰীৰৰ যৌৱন

(৪)

সেউজীয়া বাবেই জীৱন
নাঙলৰ সিঁৰলুত তোৰ বাবেই ঘোলা কৰো
পথাৰৰ এবুকু.......
সেইবাবেই সেউজীয়া বোৰৰ প্ৰেমত পৰো
উকা কাগজত আজিও লিখো
মাটিৰ চপৰা ভাঙি সেউজীয়া কবিতা।।

# ‘দেশৰ কান্দোন’

**পৰিণীতা দাস সেনাপতি**
স্নাতক চতুৰ্থ যান্মাসিক (কলা শাখা)



আজি সকলো দিশৰৰ পৰা শুনিছোঁ দেশৰ কান্দোন,
মাৰ-পিট, খং-ৰাগ, ভাঙিছে সকলো বান্ধোন;
ইফালে বিচাৰে জয়, সিফালে বিচাৰে জয়,
প্ৰৱেশ হৈছে সকলো আবাসীৰ মনত ভয়।

সৰু-বৰ বহু মানৰ জাতি হৈছে নিহত,
বোমাৰ বিস্ফোৰণত হৈছে সকলো লট-পট;
আন্ধাৰৰ ডাৱৰে আৱৰি ধৰিছে দেশ,
ধ্বংসৰ নাইকীয়া কোনো হিচাপ, লেখ।

নাইকীয়া সাম্প্ৰদায়িক ঐক্য আজি কাৰো মাজত,
দেখিছোঁ দেশক আজি ৰক্তৰ নতুন সাজত;
দুখ, বেজাৰে তীব্ৰ আঘাত হানিছে মোৰ বুকুত,
আজি শেষ নহয় ওলৰো পানী, মোৰ চকুত।

হে মহাত্মা, হে তৰুণৰাম, হে বীৰ-বীৰাঙ্গনা,
দেখিছানে আজি সকলো মানুহৰ লাঞ্ছনা;
নাই কোনো তোমালোকৰ দৰে আজি,
দেশৰ হকে শ্বহীদ হ'বলৈ হৈ যায় ৰাজি।

# বানে ধোৱা সত্তা

হিমাংশু হাজৰিকা
স্নাতক চতুৰ্থ যান্মাসিক (বিজ্ঞান শাখা)

হে, মানৱৰূপী ভগৱান!
আপোনালোকনো থাকে ক'ত?
কিয়নো চাবলৈ নাহে আমাৰ
জীৱন-মৰণৰ যুঁজখন??
কিমান সঁহিছো আমি জীৱনৰ যন্ত্ৰণা!!
যন্ত্ৰণাবিলাকে কেতিয়াবা কেতিয়াবা
চিৎকাৰ কৰি উঠে,
যেতিয়া মুক্ত আকাশলৈ চাই ৰওঁ আমি
এমুঠি অন্নৰ তাড়নাত।

পিতাইৰ মলিয়ন দুচকুত
দক-দককৈ ফুটি উঠা
সেই অসহায় অৱস্থাটোও
মই চাব নোৱাৰো।
খাবলৈ নো ক'ৰ পৰা দিব পিতায়ে,
মথাউৰিৰ পাৰতে কটাইছো আমি
জীৱনৰ যোৱা তিনিটা সপ্তাহ।
দিছপুৰলৈও যাব নোৱাৰো আমি,
দিছপুৰ বহু দূৰ আমাৰ বাবে।
এদিন খাই দুদিন লঘোণে আছো আমি?
লঘোণে থাকোতে মনটোৱে গুজৰি উঠে
কিয় হয় আমাৰ দৰে মানুহবোৰৰ
এই দশা........।
চৰকাৰ কিহৰ বাবে!
শাসনৰ বাবে,
নে শোষণৰ বাবে??

প্ৰকৃতিৰ প্ৰলয়ত দিশহাৰা
অসহায় মানুহ আমি,
আমাৰ সমস্যাবোৰ যেন দেখিও নেদেখে
দিছপুৰৰ নিৱাসী স্বয়ম্ভু মন্ত্ৰীবোৰে।
তাতেই আকৌ মথাউৰিৰ পাৰতেই যোৱাকালি
মিনুখুড়ীৰ ছোৱালীজনীও
গাভৰু হ'ল



অসহায়, এনে এজনী ছোৱালীৰ মনৰ অৱস্থা
কোনে বুজিব?
এয়াই আমাৰ জীৱন
ধিক্ আমাৰ জীৱন!

অনুৰোধ কৰিছো হে; মহাশয়সকল
আপোনালোকেতো বিলাসী গাড়ীত ফুৰে,
ওখ অট্টালিকাত জীৱনক উপভোগ কৰে,
আমাৰ বাবে আগবঢ়াব নোৱাৰিবনে
কিঞ্চিৎ মাত্ৰ দান.......?
দুদিনৰ বাবে পিন্ধিব নোৱাৰিবনে
মানৱতাৰ পোছাক?
কিমান আৰু অপেক্ষা কৰিম
এমুঠি অন্নলৈ?
কিমান আৰু কান্দিম
মুক্ত আকাশৰ তলত?

হে, জন প্ৰতিনিধি;
কাবৌ কৰিছো,
এবাৰ চকু মেলি আমাৰ ফালে চাওঁক!
এবাৰ চকু মেলি চাওঁক!!
তেতিয়াই আমাৰ জীৱন ধন্য।।



# প্ৰকৃতিৰ চত্ৰছাঁয়াত নাৰী

**মৰ্লিনা দাস**
স্নাতক চতুৰ্থ ষান্মাসিক (বাণিজ্য শাখা)

অস্পৃশ্য শৰীৰৰ
বাউলী বা লগা আজি তোৰ দেহৰ
২৬ টা ফাগুনৰ
কেচা গোন্ধ।
তথাপিও প্ৰহেলিকাৰ পম খেদি
তই আৰু তোৰ ছাঁ !!
কিহৰ চাকনৈয়াত, ৰুগ্ন হৃদয়ৰ
অবিকল শত শত
নাৰীৰ নগ্নতাৰ হুবহু প্ৰতিচ্ছবি?
গৰ্ভাৱতী বসুন্ধৰা
তথাপি নাৰীৰ পাক লগা
ভ্ৰূণৰ বেচা কিনা!!
শালীনতাৰ দুৰ্যোগ
প্ৰেমৰ ককৰ্থনা
ৰুক্ষ হৃদয়
তথাপিও সভ্যতাৰ
পংগু মানৰীয়তা
আৰু তই
আৰু তোৰ
অস্পৃশ্য শৰীৰ।।

# সপোনবোৰ নিঠৰুৱা কৰি থৈ গ'ল বানে

**ধনজিৎ ঠাকুৰীয়া**
স্নাতক দ্বিতীয় ষান্মাসিক (বিজ্ঞান শাখা)

ভুৰুঙকৈ আহি সৰ্বস্বান্ত কৰি থৈ গ'ল বানে
পিতাইৰ খেতিডৰাৰ সেউজীয়া সোণ গুটিবোৰ
নিঃশেষ কৰি পথাৰখন বালিৰে পুতিলে
মই দেখিছোঁ পিতাইৰ বুকুত ভুকুৰাই চিঞৰি উঠা মুখখন
আহ! পিতাইৰ মুখখন যেন মাটিডৰাৰ দৰে বালিময় হ'ল
প্ৰবীণ কাইটিৰ ঘৰখনো ৰঙানদীৰ বানে উটুৱাই লৈ গ'ল
বিয়া পাটি সংসাৰ পতাৰ আশাকনো নিমিষতে শেষ হ'ল
মামনী পেহীৰ বিয়াৰ নামত সাঁচিৰখা ভঁৰালৰ ধানখিনিও
এৰি থৈ নগ'ল বানে

নিজৰ দৰে লৈ গ'ল দুখুনী আইৰ
জীয়েকৰ সংসাৰখন চোৱাৰ সপোনবোৰ

দৰিয়াঘাটত কনেঙে কান্দিছে ইনাই-বিনাই
আপোন মানুহবোৰক বিচাৰি নাপাই
আছেনে কোনোবা তাইক নিচুকাবলৈ
উদ্বাস্তু হৃদয়ৰ সমভাগী হ'বলৈ

হাজাৰ হাজাৰ নিঠৰুৱা হ'ল
কোনোবা পিতৃ-মাতৃহাৰা
কোনোবা আকৌ সন্তানহাৰা
বিৰহত সকলোৰে হ'ল আপোন পাহৰা

নিৰ্বাচনৰ সময়ত যে ৰজাই বান ভেটিম বুলি কৈছিল
আমালৈ হেনো আহিব 'আচ্ছে দিন '
ক'তা! আজিচোন দেখাদিখিয়েই নাই ৰজাৰ
তৈল্লমৰ্দন কৰি লগত ফুৰা টেমেকাৰ



পিতাই! তহঁতে যে ভোট দিছিলি
তহঁতৰ আপোন পোতাইক
তাৰচোন এতিয়া দেখাদেখিয়েই নাই

কলেজত পঢ়া ল'ৰা-ছোৱালীবোৰে
কিবা ৰিলিফ অলপ আনিছে, তাকেই খাইছোঁ
নহ'লে খাবলৈ খুদকণ এটিও নাছিল
পথ্যৰ অভাৱত ককাই যে কাঁহি কাঁহি মৰিল

মোৰো পঢ়িবলৈ বৰ মন আছিল অ'
পিছে বানে আহি উটুৱাই লৈ গ'ল
পিতায়ে কিনি দিয়া সেই বেগটো
কলেজৰ ইউনিফৰ্মযোৰ, কিতাপ বহীবোৰ
সকলোবোৰ!
সপোনবোৰ নিঠৰুৱা কৰি থৈ গ'ল বাবে..........

# অনুভৱৰ সপোনজাক

**বিজুলী বৰদলৈ**
দ্বিতীয় বৰ্ষ (কলাশাখা)

অনুভৱৰ সপোন জাক চাব খুজি আছো
মুগ্ধ হৈ পৰিছিলো যোৱা ৰাতিৰ সপোন জাকত
তাত মোৰ মৰমৰ সকলো আছিল
অনুভৱৰ চোতালত এজাক তৰালিৰ ৰং
এন্ধাৰ ফালি ওলোৱা এনিশা জোনাক
এজাক বতাহে আওছি ধৰিছেহি
বগা বৰফৰ টুকুৰাৰ দৰে
অকলশৰীয়া সেই সন্ধিয়াৰ চোতালত
বৰ কষ্টকৰ আকাশলৈ চাই কান্দি পৰিলো
শৰতৰে এটি সেমেকা ৰাতি
অনুভৱৰ সপোনজাকত।।



# অৰ্থহীন জীৱন

**মধুস্মিতা দাস**
স্নাতক চতুৰ্থ ষান্মাসিক (কলা শাখা)

অৰ্থহীন জীৱনত
নাই কোনো অশ্রু
নাই কোনো অনুভূতি
দুটা পল আশাৰে বাট চাই আছো
তথাপিও জানো নিৰাশায়েই আহিব
আৰু
লগত আহিব ভাঙি যোৱা
জীৱনৰ কিছু স্মৃতি।
ৰঙেৰে জীৱন ধৰা মনৰ দুৱাৰত
ভাঁহি আহিব কিছু অতীতৰ কথা
নিৰাশাৰ লগত আকৌ
বাট কুৰি জীৱনৰ নতুন স্বপ্নৰ
অংকনৰ ৰং বোলইছো
খোজ মিলাইছোঁ পৰিস্থিতিৰলগত
জানোছা আশাৰ ৰেঙণিদেখোঁ
জীৱনৰ সুখ মাথো এটি অনুভৱ
য'ত ই দুখ অবিহনে আধৰুৱা
পল গণতেই কেতিয়া কোষ হয়
গমকেই পোৱা নাযায়।
ঠিক সেইদৰে জীৱনটো
মুদ্রাৰ ইপিঠি আৰু সিপিঠি
কেতিয়া কি হট কোনোৱেই নাজানে
মাথো নিৰাশাৰ মাজত
আশাৰ ৰেঙণি বিচাৰে।




গল্প

# টুনটুনি আৰু ৰজাৰ কথা

**উপেন্দ্ৰকিশোৰ ৰায় চৌধুৰী**
**ড° নীলিমা গোস্বামী শৰ্মা**

ৰজাৰ বাগানৰ কাষত টুনটুনিৰ ঘৰ। ৰজাৰ চন্দুকৰ টকাৰ ৰ'দত শুকুৱাবলৈ দিছে। সন্ধ্যাসময়ত ৰজাৰ মানুহবোৰে এটা টকা তুলি নিবলৈ পাহৰি গ'ল।

টুনটুনিয়ে সেই চক্‌চকীয়া টকাটো দেখি নিজৰ ঘৰলৈ আনি ৰাখি থলে আৰু মনতে ভাবিলে— মই ইমান ডাঙৰ মানুহ হৈ গ'লো যে ৰজাৰ ঘৰত যিধন আছে মোৰ ঘৰতো সেইধন আছে। ইয়াৰ পিছত তাই কেৱল এই কথাকেই ভাবি থাকিবলৈ ধৰিলে আৰু ক'বলৈ ধৰিলে—

"ৰজাৰ ঘৰত যি ধন আছে
টুনিৰ ঘৰতো সেই ধন আছে।"

ৰজাই তেওঁৰ সভাঘৰত বহি থাকিও সেই কথা শুনি প্ৰশ্ন কৰিলে— হাৰে — চৰাইটোৱে কি কথা কৈছে?

সকলোৱে হাতযোৰ কৰি ক'লে— মহাৰাজ! চৰাইটোৱে কৈছে যে আপোনাৰ ঘৰত যি ধন আছে তাৰ ঘৰতো সেইধন আছে। কথাশুনি ৰজাই খিল্‌খিলকৈ হাঁহি কবলৈ ধৰিলে— চোৱাচোন, তাৰ ঘৰত কি আছে।

তেওঁলোকে চাই আহি ক'লে— মহাৰাজ, ঘৰত এটি টকা আছে।

কথাটো শুনি ৰজাই ক'লে — সেয়াতো আমাৰেই টকা, সেইটোলৈ আহা।

তেতিয়া ৰজাৰ মানুহে গৈ টুনটুনিৰ ঘৰৰ পৰা টকাটো লৈ আহিল। সি বেচেৰাই আৰু কি কৰিব,মনৰ দুখতে ক'বলৈ ধৰিলে—

"ৰজা বৰ ধনৰ কাতৰ
টুনিৰ ধন নিলে ঘৰৰ ভিতৰ"



প্ৰথম ছবি : [illegible]

কথাশুনি ৰজাই আকৌ হাঁহিবলৈ ধৰিলে আৰু ক'লে— চৰাইটোৱে বৰ ঠাট্টা কৰে অ', যোৱা তাৰ টকা ওভতাই দিয়া।

টকা পুনৰ পোৱাৰ পিছত টুনিৰ বৰ আনন্দ লাগিল আৰু তাই ক'বলৈ ধৰিলে—

"ৰজাই বহুত ভয় খালে
টুনিৰ টকা ফিৰাই দিলে"

ৰজাই সুধিলে, — আকৌ কি কৈছোনো?

সভাত থকা মানুহবোৰে ক'লে— ৰজাই বহুত ভয় খাইছে আৰু সেইবাবে তাইৰ টকা ফিৰাই দিছে।

কথাশুনি ৰাজাধিৰাজ খঙত অস্থিৰ হৈ পৰিল আৰু ক'লে— ইমান ডাঙৰ কথা। আনচোন ধৰি, বেটাক ভাজি খাওঁ।

কথামতেই কিছুলোক গৈ টুনটুনিক ধৰি আনিলে। ৰজাই তাইক হাতৰ মুঠিত লৈ ঘৰৰ ভিতৰলৈ গ'ল আৰু ৰাণীসকলক ক'লেগৈ — এই চৰাইটো ভাজি মোক খাবলৈ দিব লাগিব।

কথাষাৰ কৈয়েই ৰজা গুচি গ'ল আৰু সাতজনী ৰাণীয়ে চৰাইজনীকেই চাই থাকিল। এজনীৰ পিচত এজনীয়ে এই ধুনীয়া চৰাইজনীক হাতত লৈ লৈ চাই থাকোতেই হঠাতে এজনীৰ হাতৰ পাৰ তৎক্ষণাত টুনটুনি উৰি পলাই গ'ল।



দ্বিতীয় ছবি: ৰাণীসকলে টুনটুনিক চাইছে

সৰ্বনাশ ! কি হ'ব! এতিয়া উপায় কি হ'ব? ৰজাই জানিব পাৰিলে আৰু ৰক্ষা নাই। এনেকৈ দুখ কৰি থাকোতেই এটা বেং সেইফালেদি থপ্‌থপ্‌কৈ যোৱা দেখি সাতো ৰাণীয়ে মিলি তৎক্ষণাত বেঙটো ধৰি পেলালে আৰু মনে মনে চুপে চাপে কাকো জানিবলৈ নিদি বেঙটোকে টুনি বুলি ভাজি ৰজাক খাবলৈ দিলে আৰু ৰজা অতি আনন্দিত হ'ল। তাৰ পিচত তেওঁ গৈ সভাত বহিছে আৰু সকলোৱে মনতে ভাবিলে যে এইবাৰ চৰাই পোৱালি জব্দ হ'ল। এনে সময়তে টুনটুনিয়ে ক'বলৈ ধৰিলে—

"বৰ মজা, বৰ মজা
ৰজাই খালে বেঙ ভজা!"

শুনিয়েই ৰজা জপিয়াই উঠিল আৰু থু থু কৰিল, মুখ ওকালিলে, মুখ ধুলে আৰু কি যে নকৰিলে। তাৰ পিচত ঙখতেই কৈ উঠিলে — সাত ৰাণীৰ নাক কাটি পেলোৱা হওঁক। তাকে দেখি শুনি টুনটুনিয়ে মাত লগালে—

"এক টুনিয়ে টুনটুনালে
সাত ৰাণীৰ নাক কটালে"



তৃতীয় ছবি: ৰজাই টুনটুনিক খাবলৈ ধৰিছে

কথাশুনি ৰজাই ক'লে — আন বেটাক ধৰি আন। এইবাৰ গিলি খাম। চাওচোন কেনেকৈ পলাই যায়।

টুনটুনিক ধৰি আনিলে আৰু ৰজাই ক'লে — পানী আন। পানী অনাৰ পিচত ৰজাই মুখ ভৰাই পানী খাই টুনটুনিক মুখত ভৰাই তৎক্ষণাত চকু মুদি গিলি পেলালে। সকলোৱে ভাবিলে যে এইবাৰ পখী জব্দ হ'ল। হঠাৎ ৰজাৰ ডাঙৰকৈ উগাৰ আহিল আৰু সভাত থকা সকলোৱে আচৰিত মানিলে যে সেই উগাৰৰ সৈতেই টুনটুনি ওলাই আহি উৰি পলাল।

ৰজাই কবলৈ ধৰিলে — 'গ'ল, গ'ল! ধৰ, ধৰ!' কেবাজনো মানুহ গৈ পুনৰ ধৰি আনিলে।



চতুৰ্থ ছবি: নাক কটা ৰজা

তাৰ পিচত আকৌ পানী আনি টুনটুনিক চেপা মাৰি ধৰি ৰজাই খাবলৈ ল'লে। সিদ্ধান্ত হ'ল যে ৰজাৰ কাষৰ পৰা এৰি যাব খুজিলেই টুনটুনিক তৰোৱালেৰে দুটুকুৰ কৰা হ'ব। ৰজাৰ পেটৰ ভিতৰত টুনটুনিয়ে ছটফটাব ধৰিলে। কিছুসময় পিচত— এইবাৰ ৰজাই উপায় নাপাই উকিয়াবলৈ লওতেই টুনটুনিও ওলাই আহিল। সকলোৱে টুনটুনিক মাৰিব বিচাৰিলে যদিও তৰোৱাল টুনটুনিৰ গাত নপৰি ৰজাৰ নাকতহে লাগিল আৰু ৰজাৰ নাক কঠা গ'ল আৰু তেওঁ অসহ্য যন্ত্ৰণাত চিঞৰিবলৈ ধৰিলে, লগতে সভাৰ আন মানুহবোৰেও চিঞৰিলো ডাক্তৰ আহি ঔষধ পাতি দি ৰজাক বচালে। টুনটুনিয়ে আকৌ কবলৈ ধৰিলে —

"নাক কটা ৰজা
চোৰা কিমান পীড়া"

কৈয়েই টুনটুনি সেই দেশ এৰি বেলেগ দেশলৈ গুচি গ'ল। ৰজাৰ মানুহে গৈ দেখিলে যে টুনটুনি চৰাইৰ বাঁহটো খালি হৈ পৰি আছে।

বিশেষ দ্ৰষ্টব্য ঃ ছবিখিনি 'উপেন্দ্ৰ কিশোৰ ৰচনা সমগ্ৰ'ৰ পৰা লোৱা হৈছে — লেখক।

প্ৰকাশক ঃ ৰতন ৰায়, যুথিকা বুক ষ্টল,
১২ এ, বঙ্কিম চ্যাটাৰ্জী
ষ্ট্ৰীট, কোলকতা- ৭০০০৭৩

## উপেন্দ্ৰকিশোৰ ৰায়চৌধুৰীৰ পৰিচয়

(জন্ম ১৮৬৩ খ্ৰীঃ - মৃত্যু ১৯১৫)

শিশুসকলক আনন্দ প্ৰদানৰ জৰিয়তে শিক্ষা প্ৰদানৰ পোষকতা কৰা উপেন্দ্ৰকিশোৰ ৰায়চৌধুৰীকে বাংলা শিশু সাহিত্যৰ পথ প্ৰদৰ্শক ৰূপে ৰবীন্দ্ৰনাথ ঠাকুৰৰ পিছতেই স্থান পাবৰ যোগ্য বুলি কলেও বঢ়াই কোৱা নহয়। জন্ম আৰু মৃত্যুৰ লেখেৰে মাত্ৰ ৫২ বছৰ জীয়াই থাকিও ৰায়চৌধুৰীয়ে শিশুসাহিত্যৰ এক বাতাৱৰণ গঢ়ি তুলিবলৈ সক্ষম হৈছিল। চুনটুনিৰ বই, গল্পমালা, গুপি গাইনও বাঘা বাইন, সেকালেৰ কথা, চোট ৰামায়ণ, ছেলেদেৰা ৰামায়ণ, ছেলেদেৰ মহাভাৰত, মহাভাৰতেৰ কথা, পুৰাণেৰ গল্প' আদি তেখেতৰ কাপৰ পৰা নিগৰি ওলোৱা বাংলা শিশু সাহিত্যৰ সৰল আৰু উৎকৃষ্ট গ্ৰন্থ। 'টুনটুনি আৰু ৰজাৰ কথা' শীৰ্ষক গল্পটো 'শিশু আৰু বয়সস্থ'— সকলোৰে বাবে নীতিশিক্ষামূলক। লোকলৈ বুলি হুল পুতিলে নিজেই ফুটি মৰিব লাগে — এই শিক্ষা এই গল্পটোৱে দিয়ে।



# শাস্তি

লেখক ঃ **ৰবীন্দ্ৰ নাথ ঠাকুৰ**

*অনুবাদক ঃ* **শিবানী দে'**, অধ্যাপিকা

ললিত চন্দ্ৰ ভড়ালী মহাবিদ্যালয়

**প্ৰথম পৰিচ্ছেদ**

দুখিৰাম ৰুই আৰু ছিদাম ৰুই দুয়ো ভাই-ককাই যেতিয়া ৰাতিপুৱা দা দু'খন লৈ হাজিৰা কামৰ বাবে ওলাই যায় তেতিয়া সিহঁতৰ দুই ঘৈণীয়েকৰ মাজত চলি আছিল প্ৰচণ্ড কাজিয়া। কিন্তু প্ৰকৃতিৰ অন্যান্য নানা ধৰণৰ নিত্য কোলাহলৰ নিচিনা এই কলহ কোলাহলও গাঁওবাসীৰ অভ্যাসৰ দৰে হৈ গৈছে। তীব্ৰ তীক্ষ্ণ চিঞৰ শুনাৰ লগে লগে লোকে কোৱাকুৰি কৰে, "এই লাগি গ'ল"। অৰ্থাৎ যেনেকৈ ভৱা যায় ঠিক তেনেকৈয়ে ঘটিছে। আজিও স্বাভাৱিক নিয়মত কোনো বাধা পৰা নাই। ৰাতিপুৱা পূৱ পিনে সূৰ্য উদয় হোৱাৰ কাৰণ যেনেকৈ কোনেও নুশুধে ঠিক তেনেকৈ কুৰিহঁতৰ ঘৰত দুই জা-ৰ মাজত যেতিয়া তেতিয়া হৈ হৈ, ৰৈ ৰৈ লগাৰ কাৰণ নিৰ্ণয়ৰ বাবেও কাৰো মনত কোনো কৌতুহলৰ সৃষ্টি নহয়।

অৱশ্যে এই কাজিয়া-পেঁচাল প্ৰতিৱেশীতকৈ সিহঁতৰ দুই স্বামীক বেশি স্পৰ্শ কৰে নিঃসন্দেহ। কিন্তু সিহঁতে এইবিলাকক কোনো অসুবিধা বুলি গণ্য নকৰে। সিহত দুয়ো ভাই-ককাই যেন দীৰ্ঘ সংসাৰ-জীৱনৰ যাত্ৰা পথ গৰুৰ গাড়ীত উঠি অতিক্ৰম কৰি আছে। দুয়োফালৰ স্প্ৰিং বিহীন চকাৰ অৱিশ্ৰাম ছৰ-ছৰ, খৰ-খৰ শব্দটোক জীৱনৰ যাত্ৰাপথৰ এটা বিধি বিহিত নিয়মৰ অঙ্গ বুলিয়েই সিহঁতে ধৰি লৈছে।

তাতকৈ ঘৰত যিদিনা কোনো শব্দমাত্ৰ নাই গোটেই নিশ্চুপ, শান্ত হৈ আছে, সেইদিনাই কিবা আসন্ন অনৈসৰ্গিক উপদ্ৰৱৰ আশংকা, সেইবোৰ দিনত কেতিয়া কী যে হ'ব, এইকথা কোনেও হিচাপ কৰি কব নোৱাৰে।

আমাৰ এই গল্পৰ ঘটনা যিদিনা আৰম্ভ হ'ল, সেইদিনা সন্ধিয়াৰ কিছু আগত দুয়ো ভায়েক হাজিৰা কাম কৰি শ্ৰান্ত-ক্লান্ত দেহ লৈ যেতিয়া ঘৰলৈ ঘুৰি আহিল, তেতিয়া দেখিলে যে স্তব্ধ গৃহ, সকলোপিনে শান্তি বিৰাজমান।

ঘৰৰ ভিতৰত গুপ-গুপীয়া গৰম। দুপৰীয়া বৰষুণ হৈ গৈছে। এতিয়াও চাৰিওপিনে ডাৱৰ। বতাহ অকনো নাই। বৰ্ষা ঋতুৰ বাবে ঘৰৰ চাৰিওপিনে জঙ্গল আৰু ঘাহ বহু বাঢ়ি গৈছে আৰু পানীৰে ভৰি পৰা পাট খেতৰ পৰা জিকা পাটৰ গন্ধ চাৰিওপিনে এটি নিশ্চল প্ৰাচীৰৰ দৰে স্থিৰ হৈ আছে। গোহালিৰ পিছফালৰ পুখুৰীৰ মাজৰ পৰা ভেকুলীৰে টোৰটোৱাই আছে আৰু এক বিশেষ পতঙ্গৰ ঝিঁ ঝিঁ শব্দত সন্ধিয়াৰ নিস্তব্ধ আকাশ একেবাৰে পৰিপূৰ্ণ।

দুখিৰাম আৰু ছিদাম সেইদিনা জমিদাৰৰ কাছাৰি ঘৰত কাম কৰিব গৈছিল। সিপাৰৰ চৰত জলিধান পকিছে। বৰ্ষাঋতুত বানপানীৰে উটি ভাঁহি যোৱাৰ আগতেই ধান কাটি লোৱাৰ বাবে দেশৰ দৰিদ্ৰলোক মাত্ৰেই কোনোবাই নিজৰ পথাৰত অথবা পাটৰ কামত নিযুক্ত হৈছে। কিন্তু কাছাৰিৰ পৰা পেয়াদা আহি এই দুই ভাইক জোৰ কৰি ধৰি লৈ গ'ল। কাছাৰি ঘৰৰ চালৰ কৰবাত পানী পৰিছিল সেয়া ঠিক কৰি দিবলৈ আৰু কেইটামান বেৰা বনাবলৈ সিহঁতে গোটেই দিনটো পৰিশ্ৰম কৰিছে। ঘৰত আহিব পৰা নাই। কাছাৰিৰ পৰাই কিঞ্চিৎ জলপান দিছে। মাজে মাজে বৰষুণতো তিতিব লগা হৈছে। উচিত প্ৰাপ্য মজুৰিও পোৱা নাই, আনফালে ইয়াৰ পৰিৱৰ্তে যিবিলাক অন্যায় কটুবাক্য শুনিব লগা হৈছে, সেইবিলাক প্ৰাপ্যৰ অতিৰিক্ত।

বাটত বোকা আৰু পানী গছকি সন্ধিয়া ঘৰলৈ ঘুৰি

আহি দুই ভাই-ককায়ে দেখা পালে সৰুজনী জা চন্দৰাই মাচিত ওৰা কাপোৰখন পাৰি মনে মনে শুই আছে। আজিৰ এই ডাৱৰীয়া বতৰৰ নিচিনা তাইও দুপৰীয়া প্ৰচুৰ অশ্ৰুবৰ্ষণ কৰি আবেলি মানে শান্ত হৈ মনে মনে আছে আৰু ডাঙৰজনী জা ৰাধা খণ্ডতে মুখখন ফুলাই দুৱাৰৰ সনুখতে বহি আছে। তাইৰ দেড়বছৰ বয়সৰ সৰু ল'ৰাটোৱে কান্দি আছিল। দুয়ো ভাই-ককাই যেতিয়া ঘৰত সোমাই আহিল, তেতিয়া দেখা পালে উলংগ শিশুটো চোতালৰ একপিনে শুই আছে। ক্ষুধাৰ্ত দুখিৰামে আৰু দেৰী নকৰি ক'লে "ভাত দে"।

ডাঙৰজনী বোৱাৰী বাৰুদৰ বস্তাত এটা জুইশলা লগাই দিয়াৰ দৰে মুহূৰ্ততেই তাইৰ কণ্ঠস্বৰ সপ্তমলৈ নি চিঞৰি ক'লে — "ভাত ক'ত যে ভাত দিম? তই চাউল আনি দিছিল? মই কি নিজে ৰোজগাৰ কৰি আনিম নেকি?"

গোটেই দিনৰ ভাগৰ আৰু অপমানৰ পিছত অন্নহীন নিৰানন্দ আন্ধাৰ ঘৰত ভোকত, গৃহিনীৰ ৰুক্ষ ভাষা, বিশেষ কৰি শেষ কথাটোৰ গোপন কুৎসিৎ শ্লেষ দুখিৰামৰ কেনেকুৱা এক অসহ্য যেন লাগি গ'ঢ়। ক্ৰুদ্ধ বাঘৰ দৰে গম্ভীৰ গৰ্জন কৰি সিও চিঞৰি উঠিল। "কি কলি?" কৈ মুহূৰ্ততা দা লৈ একো নভবাকৈ ঘৈণীয়েকৰ মূৰত ঘপিয়াই দিলে। লগে লগে ৰাধা তাইৰ সৰু জা-জনীৰ কোলাৰ কাষতে পৰি গ'ল আৰু মৃত্যু হ'বলৈ এক মুহূৰ্ত বিলম্ব নহ'ল।

চন্দৰাই তেজেৰে লুতুৰি-পুতুৰি কাপোৰ লৈ "এয়া কি হ'ল" বুলি চিঞৰি উঠিল। ছিদামে তাইৰ মুখ হাতেৰে চেপি ধৰিলে। দুখিৰামে দাখন পেলাই মুখত হাত দি হতবুদ্ধিৰ নিচিনা মাটিত বহি গ'ল। লৰাটো সাৰ পাই উঠি ভয়তে চিঞৰি কান্দিব ধৰিলে।

বাহিৰত তেতিয়া পৰিপূৰ্ণ শান্তি। গৰখীয়াসকলে গৰু লৈ ঘুৰি আহি আছে। সিপাৰৰ চৰত বনুৱাবিলাকে নতুন পকা ধান কাটিব গৈছিল। সিহঁতে পাঁচ-সাতজন লগ লাগি একো একোটা নাঁওত ইপাৰলৈ আ পৰিশ্ৰমৰ পুৰস্কাৰ স্বৰূপ দুই-চাৰি আঁটি ধান মূৰত লৈ প্ৰায় সকলোৱেই নিজৰ নিজৰ ঘৰত আহিছে।

চক্ৰৱৰ্তীৰ ঘৰৰ ৰামলোচন খুৰা গাৱৰ ডাকঘৰত চিঠি দি ঘৰত আহি নিশ্চিত মনেৰে তামাক হুঁপি আছিল। হঠাতে মনত পৰিল, তেওঁৰ প্ৰজা দুখিৰ বহু টকা কাজনা বাকী। আজি কিছু টকা দিব বুলি প্ৰতিশ্ৰুতি দিছিল। এতিয়া সিহঁতে ঘৰত ঘুৰি আহিছে বুলি ভাবি লৈ গাত ওৰা চাদৰখন আৰু ছাতিটো লৈ তেখেত বাহিৰলৈ ওলাল।

কুৰিহঁতৰ ঘৰত সোমাই তেখেতৰ ভয় ভয় লাগিল। দেকা পালে চাকিও জ্বলোৱা হোৱা নাই। আন্ধাৰত দৰজাৰ কাষত দুই-চাৰিটা কলা মূৰ্তি অস্পষ্ট ৰূপে দেখা পো গ'ল। খালি ঘৰৰ এটা চুকৰ পৰা অস্ফুট কান্দোনৰ শব্দ এটা লাহে লাহে শুনা পালে তেখেতে। ল'ৰাটোৱে মা মা বুলি কান্দিবৰ চেষ্টা কৰোতেই ছিদামে তাৰ মুখ হাতেৰে বন্ধ কৰি দি আছে।

ৰামলোচনে মনত ভয় ভয় এটা ভাৱ লৈ সুধিলে, "দুখি ঘৰত আছনে?"

দুখি ইমান সময় পথাৰৰ মূৰ্তিৰ নিচিনা নিশ্চল হৈ বহি আছিল। তাৰ নাম কাঢ়ি মাতি দিয়াৰ লগে লগে সি একেবাৰে সৰু ল'ৰাৰনিচিনা উচ্ছসিত হৈ কান্দি উঠিল।

ছিদাম লৰালৰিকৈ বাৰাণ্ডাৰ পৰা চোতাললৈ নামি আহিল। চক্ৰৱৰ্তীয়ে সুধিলে, "তিৰী কেইটাই কি কাজিয়া কৰি বহি আছে? আজিতো গোটেইদিন চিঞৰ-বাখৰ শুনিছো।"

ইমান সময় ছিদাম কিংকৰ্তব্যবিমূঢ় হৈ একো ভাৱি উঠিব নোৱাৰিলে। নানা অসম্ভৱ কথা তাৰ মুৰত আহি আছিল। তেতিয়ালৈকে সি ভাৱিছিল ৰাতি অকণমান বেছি হ'লে মৃতদেহ কৰবাত পেলাই আহিব। ইতিমধ্যে যে চক্ৰৱৰ্তী আহি উপস্থিত হ'ব এই কথা সি ভৱায়েই নাই। লগে লগে কোনো উত্তৰ মুখত নাহিল। সি কৈ দিলে, "হয়, আজি খুব কাজিয়া হৈ গ'ল।"

চক্ৰৱৰ্তী দুৱাৰৰ পিনে আগবঢ়াৰ উপক্ৰম কৰি খ'লে, "কিন্তু তেতিয়াহ'লে দুখিয়ে কিয় কান্দে।"

ছিদামে দেখিলে যে এতিয়া আৰু ৰক্ষা নাই। সি হঠাৎ কৈ উঠিল, "কাজিয়া কৰি সৰু বোৱাৰীৰে ডাঙৰ বোৱাৰীৰ মূৰত দা ৰে এক কোপ বহুৱাই দিছে।

উপস্থিত বিপদৰ বাহিৰে যে আৰু কিবা বিপদ থাকিব পাৰে, এই কথা সহজত মনলৈ নাহে । ছিদামে তেতিয়া ভাবি আছিল "এই কঠিন সত্যৰ পৰা কেনেকৈ ৰক্ষা পোৱা যাব।" মিছা যে তাতকৈ বেছি কঠিন হ'ব পাৰে সেই কথা তাৰ মনত নপৰিল। ৰামলোচনৰ প্ৰশ্ন শুনাৰ লগে লগে তাৰ মূৰত তৎক্ষণাৎ এটা উত্তৰ আহিল আৰু তৎক্ষনাৎ সি কথাটো কৈ দিলে।

ৰামলোচন কপি উঠি ক'লে, "অ্যাঁ, কি কও? মৰি যোৱা নাইতো?"

ছিদামে ক'লে, "মৰিছে" কৈ চক্ৰৱৰ্তীৰ ভৰিত পৰি

আগুৰি ধৰিলে।

চক্ৰৱৰ্তী পলাই যোৱাৰ বাট নাপায়। ভাবিলে, ৰাম ৰাম, সন্ধিয়াত এইটো কী বিপদত পৰিলো। আদালতত সাক্ষ্য দিওতে দিওতেই প্ৰাণ ওলাই যা। ছিদামে কোনো মতেই তেখেতৰ ভৰি এৰি নিদিলে। ক'লে 'দাদাঠাকুৰ, এতিয়া মোৰ ঘৈণীয়েকক বঁচাবলৈ কী উপায় কৰো।

মামলা মোকৰ্দ্দমাৰ পৰামৰ্শৰামলোচন গোটেই গাঁওখনৰ প্ৰধান মন্ত্ৰী আছিল। তেওঁ অকণমান বাবি লৈ ক'লে— "চা, ইয়াৰ এটা উপায় আছে। তয় এতিয়াই থানালৈ দৌৰি যা। যা, ক' গৈ তাৰ ডাঙৰ ভায়েক দুখিয়ে সন্ধিয়া ঘৰত আহি ভাত খুঁজিছিল। ভাত বনোৱা হোৱা নাছিল কাৰণে সি তাৰ ঘৈণীয়েকৰ মূৰত বহুৱাই দিছে দা। মই নিশ্চয় ক'ব পাৰো, এই কথা শুনিলে ছোৱালীজনী বাচি যাব।

ছিদামৰ ডিঙি শুকাই গ'ল, ক'লে, ঠাকুৰ ঘৈণীয়েক গ'লে ঘৈণীয়েক পাম, কিন্তু মোৰ ভাইটোৰ যদি ফাঁচি হয় আৰুতো ভাই নাপাও। কিন্তু যেতিয়া নিজৰ স্ত্ৰীৰ নামত দোষাৰোপ কৰিছিল তেতিয়া এইবিলাক কথা সি ভবা নাই। লৰালৰিকৈ এটা কাম কৰি পেলালে। এতিয়া অলক্ষিতবাৰে মনে নিজৰ ফালৰ পৰা যুক্তি আৰু প্ৰবোধ সঞ্চয় কৰি আছে।

চক্ৰৱৰ্তীয়েও কতাটো যুক্তিসঙ্গত বুলি বাবিলে, ক'লে— "তেতিয়াহ'লে যেনেকৈ ঘটিছে, সেইটোৰেই কবি, সকলো দিশ ৰক্ষা কৰা অসম্ভৱ।" এই কথা কৈ ৰামচোলন অবিলম্বে প্ৰস্থান কৰিলে আৰু চাওতে চাওতে গাঁওত প্ৰচাৰ হৈ গ'ল যে কুৰিহঁতৰ ঘৰৰ চন্দৰাই খং কৰি তাইৰ ডাঙৰজনী জা-ৰ মূৰত দা বহুৱাই দিছে।

বান্ধ ভাঙিলে যেনেকৈ পানী আহে, গাঁওৰ মাজত ঠিক তেনেকৈ হু হু শব্দত পুলিচ আহি গ'ল। অপৰাধী আৰু নৰপৰাধী প্ৰত্যেকেই খুব উদ্বিগ্ন হৈ পৰিল।

### দ্বিতীয় পৰিচ্ছেদ

ছিদামে ভাৱিলে, যি পথ সি নাছিে, সেই পথেৰেই সি আগুৱাব লাগি। সি চক্ৰৱৰ্তীৰ ওচৰত এটা কথা কৈ পেলালে, সেই কথা গোটেই গাঁওখনত ৰাষ্ট্ৰ হৈ গ'ল। এতিয়া আকৌ আন এটা কথা প্ৰকাশ হ'লে কিহৰ পৰা কি হ'ব গৈ সি একো নিজে ভাৱিয়েই নাপালে। মনে মনে সি ভাবি ল'লে, কোনোমতে সেই কথাতো ৰক্ষা কৰি তাৰ লগত আৰু পাঁচটা কথা লগ লগাই স্ত্ৰীক ৰক্ষা কৰাৰ বাহিৰে আন কোনো পথ নাই।

ছিদাম তাৰ স্ত্ৰী চন্দৰাক অপৰাধ নিজৰ কান্ধত ল'বলৈ অনুৰোধ কৰিলে। তাইতো একেবাৰে বজ্ৰাহাত হৈ গ'ঢ়। ছিদামে তাইক আশ্বাস দি ক'লে, "যি কৈ আছো তাকেই কৰ, তোৰ একো ভয় নাই, আমি তোক বচাই আনিম।"

আশাস দিলে ঠিকেই, কিন্তু ডিঙি শুকাই গ'ল.............

চন্দৰাৰ বয়স সোতৰ-ওঠৰতকৈ বেছি নহয়। মুখখন হৃষ্ট-পুষ্ট, গোল শৰীৰ অনতিদীৰ্ঘ, সুস্থ-সবল অঙ্গ-প্ৰত্যঙ্গৰ মাজত এনেকুৱা এটা সৌষ্ঠৱ আছে যে চলা-ফুৰা কৰিলে দেহৰ কতো যেন একো বাধা নাপায়। এখন নতুনকৈ সজোৱা নাওঁৰ নিচিনা। বেছ সৰু আৰু সুন্দৰ, অত্যন্ত সহজত চলে আৰু তাৰ কতো কোনো গ্ৰন্থি শিথিল নহয়। পৃথিৱীৰ সকলে বিষয়তেই তাইৰ এটা অদ্ভুত কৌতুক আৰু কৌতূহল আছে। গাঁওত ঘৰে ঘৰে মেল মাৰি ভাল পায় আৰু কঁকালত কলহ লৈ নৈৰ ঘাটলৈ অহা-যোৱা কৰোতে দুই আঙুলিৰে ওৰণি অকমান গুচাই চঞ্চল ক'লা দুটি চকুৰে বাটত যি দৰ্শনযোগ্য পায়, তাৰ গোটেইখিনি চাই লয়।

ডাঙৰজনী বোৱাৰী তাইৰ একেবাৰে ওলোটা। অত্যন্ত বিশৃংঙ্খল, ঢিলা, পৰিপাটিহীন। মূৰত ওৰণি, কোলাত শিশু, ঘৰৰ কাম তাই কোনোমতেই শেষ কৰিব নোৱাৰে। হাতত বিশেষ একো কৰিব কাম নাই অথচ কোনো সময়তেই তাইৰ যেন অকনো বিশ্ৰাম নাই। সৰু বোৱাৰীয়ে তাইক ছি একো নকয়। অত্যন্ত মৃদু সুৰত দুই এটা তীক্ষন বাক্যেৰে দংশন কৰে আৰু তাই হাউ-মাউ-দাউ-কৰি জ্বলি-পুৰি, খং কৰি, গালি পাৰি গোটেই গাঁওখনক অস্থিৰ কৰি তুলে।

এই দুই জোৰা স্বামী-স্ত্ৰীৰ স্বভাৱৰ মাজত এটা আচৰিত ঐক্য আছিল। দুখিৰাম মানুহজন কিছু বৃহদায়তন-হাড় কেইডাল বহল, নাক চপেটা, সৰু সৰু দুটা চকুৰে এই দৃশ্যমান সংসাৰ যেন ভালদৰে বুজিব নোৱাৰে, কিন্তু কাকো প্ৰশ্ন কৰিও নোখোজে। ইমান নিৰীহ, কিন্তু কঠিন, ইমান সহজ-সৰল কিন্তু নিৰুপায় মানুহ অতি দুৰ্লভ।

আনফালে ছিদাক যেন এখন চিকচিকিয়া কলা পথাৰত কোনোবাই যেন হু যত্নত কাটি কাটি বনাইছে। তাৰ বাহুল্য বৰ্জিত শৰীৰত কতো যেন খাদ নাই। নদীৰ ওখ পাৰৰ পৰা জপিয়াওক, নাওঁ চলাওক, বাঁহজোপাত উঠি বাছি বাছি বাহৰ আগখিনি কাটি আনক, সকলো কামতেই পৰিপাটি এটা শোভা প্ৰকাশ পায়। দীঘল কলা চুলি তেল দি সযতনে আচুৰি কান্ধত

তুলি থৈছে— বেশভূষা, সাজসজ্জাত যত্ন আছে।

গাঁৱৰ আন আন বোৱাৰী লিকৰ প্ৰতি যদিও তাৰ উদাসীন দৃষ্টি নাছিল আৰু সিহঁতৰ চকুত নিজক ধুনীয়া দেখুৱাবৰ যথেষ্ট ইচ্ছা আছিল তথাপি সি তাৰ স্ত্ৰীক যথেষ্ট মৰম কৰিছিল, ভাল পাইছিল। দুয়োৰে মাজত কাজিয়াও আছিল, ভাল পোৱাও যথেষ্ট আছিল। কোনেও কাকো পৰাস্ত কৰিব নোৱাৰে। আন এটি কাৰণত সিহঁতৰ মাজত বন্ধন কিছু সুদৃঢ় আছিল। ছিদামে ভাৱে, চন্দৰা যেনেকুৱা চঞ্চল প্ৰকৃতিৰ তিৰোতা, তাইক যথেষ্ট বিশ্বাস নাই। আনফালে চন্দৰাই ভাৱিছিল, মোৰ গিৰিয়েকৰ চাৰিওফালে চকু, তাক যদি ভালকৈ ধৰি থব নোৱাৰি তেতিয়া হলে কোনোবাদিন সি তাইৰ হাত এৰি দিব পাৰে।

সিদিনাৰ ঘটনাৰ কেইদিনমান আগত সিহঁতৰ মাজত এটা গণ্ডগোল হৈ যায়। চন্দৰাই দেখিলে, “তাইৰ গিৰিয়েকে কামৰ ৈহানা কৰি মাজে সময়ে কৰবাত দূৰত গুচি যায়। আনকি তাত দুই এদিন থাকে, অথচ অহাৰ সময় একো উপাৰ্জন কৰি নানে। লক্ষণ ভাল নহয়, এয়া দেখা পাই তাই কিছু বেছি বেছি কৰিব ধৰিলে। যেতিয়ী তেতিয়া ঘাটত যাব ধৰিলে আৰু গাঁওখন পৰ্যটন কৰি আহি মজুমদাৰৰ মাজু লৰাৰ সম্পৰ্কে কথা পাতিব ধৰিলে।

ছিদামৰ দিন আৰু ৰাতিকেইটাৰ মাজত কোনোবাই যেন ষি মিহলাই দিলে। কাম-কাজ কতো এক মূহুৰ্তৰ বাবেও সি সুস্থিৰ হ' নোৱাৰে। এদিন বৌয়েকক আহি খুব কথা শুনালে। তাই হাত ৰাই, ঝংকাৰ দি অনুপস্থিত মৃত পিতাক সম্বোধন কৰি কলে— “সেইজনী বৰদৈচিলাৰ নিচিনা দৌড়ে, তাইক মই চম্ভালিম। মই জানো, তাই কোনোবাদিনা কিবা এটা সৰ্বনাশ কৰিহে এৰিব।”

চন্দৰা কাষৰ ঘৰৰ পৰা আহি লাহে লাহে ক'লে, “কিয় বাইদেও, তোমাৰ ইমান ভয় কিহৰ?” এনেকৈ দুয়োজনী জা-ৰ মাজত ভীষণ কাজিয়া লাগি গ'ল।

ছিদামে চকু পকাই খঙতে ক'লে— “এতিয়া যদি শুনা পাও তই অকলে ঘাটত গৈছ, তেতিয়াহলে তোৰ হাড় গুড়ি কৰি দিম।”

চন্দৰাই ক'লে— “তেতিয়াহলে মোৰ দেহা শাঁত পৰে।” কৈ তৎক্ষণাত বাহিৰত যোৱাৰ উপক্ৰম কৰিলে।

ছিদামে এক জাঁপ মাৰি তাইক ধৰি টানি আনি ঘৰত সুমুৱাই বাহিৰৰ পৰাদুৱাৰ বন্ধ কৰি দিলে।

কামৰ পৰা সন্ধিয়া ঘুৰি আহি দেখা পালে ঘৰ খুলি থোৱা আছে। ঘৰত কোনো নাই। চন্দৰাই তিনিখন গাঁও পাৰ কৰি মোমায়েকৰ ঘৰত গৈ উপস্থিত হৈছে।

ছিদামে তাৰ পৰা বহু কষ্টত, হু সাধ্যসাধনাৰ পিছত তাইক ঘৰলৈ ঘুৰাই আনিলে। কিন্তু এইবাৰ হাৰ মানিলে। বুজিলে, একাজলি পাৰদক মুঠিৰ ভিতৰত টানকৈ ধৰা যেনেকৈ দুঃসাধ্য ঠিক তেনেকৈ এই মুষ্টিমেয় স্ত্ৰীজনীকও টানকৈ ধৰি ৰখাটো অসম্ভৱ। তাই যেন দশ আঙুলিৰ ফাকেৰে বাহিৰত ওলাই পৰে।

ইয়াৰ পিচত সি আৰু জোৰ নখটুৱালে, জবৰদস্তি নকৰিলে, কিন্তু বিৰাট অশান্তিত বাস কৰিব ধৰিলে। তাৰ এই চঞ্চলা যুৱতী স্ত্ৰীৰ প্ৰতি সদাশংকিত ভালপোৱা উগ্ৰ এটা বিষৰ দৰে তাক ভীষণ ক,ট দিব ধৰিলে। আনকি তাৰ মাজে মাজে এনেকুৱাও লাগিছিল যে তাই যদি মৰি যায় তেতিয়াহলে সি নিশ্চিন্ত হৈ অকণমান শান্তি পাব পাৰে। মানুহৰ ওপৰত মানুহৰ যিমান ঈৰ্ষা, যমৰ ওপৰত ইমান নহয়।

এনেকুৱা সময়তেই সেই বিপদ ঘটিল।

চন্দৰাক যেতিয়া তাৰ স্বামীয়ে খুনৰ কতা মানি লবলৈ ক'লে, তাই স্তম্ভিত হৈ চাই থাকিল। তাইৰ কলা চকু দুটা কলা জুইৰ দৰে নীৰৱে তাইৰ স্বামীক দগ্ধ কৰিব ধগিলে। তাইৰ সমস্ত দেহ আৰু মন যেন ক্ৰমশঃ সংকুচিত হৈ স্বামী ৰাক্ষসৰ হাতৰ পৰা ওলাই অহাৰ চেষ্টা কৰিব ধৰিলে। তাইৰ সমস্ত অন্তৰাত্মা একেবাৰে বিমুখ হৈ গ'ল।

ছিদামে আশ্বাস দিলে, “তোমাৰ একো ভয় নাই।” কৈ পুলিচৰ ওচৰত, ম্যাজিষ্ট্ৰটৰ ওচৰত কি কব লাগিব সেয়া বাৰম্বাৰ শিকাই দিলে। চন্দৰাই সেইবিলাক দীৰ্ঘ কাহিনী একোৱেই নশুনিলে। কাঠৰ মূৰ্তিৰ দৰে বহি থাকিল।

সকলো কামতেই দুখিৰাম ছিদামৰ ওপৰত নিৰ্ভৰশীল। ছিদামে যেতিয়া চন্দৰাক নিজে দোষী বুলি মানি লবলৈ ক'লে তেতিয়া দুখিয়ে ক'লে— “তেতিয়াহ'লে ৱোৰীৰ কি হ'ব।”

ছিদামে ক'লে — “তাইক মই বচাই আনিম।” বৃহৎকায় দুখিৰাম নিশ্চিন্ত হ'ল।

### তৃতীয় পৰিচ্ছেদ

ছিদামে তাৰ ঘৈণীয়েকক শিকাই দিছিল “তই ক, ডাঙৰ জা জনীয়ে মোক দা এখন লৈ মাৰিব আহিছিল, মই

তাইক দা লৈ ৰখাব যাওঁতে কেনেকৈ লাগি গ'ল নাজানো।" ইয়াৰে সকলো কথাই ৰামলোচনে শিকাই দিয়া। এইখিনি কথা ক'বলৈ যি অলংকাৰ, প্ৰমাণ প্ৰয়োগ আৱশ্যক সেয়াও সি বিস্তাৰিতভাৱে ছিদামক শিকাই দিছিল।

পুলিচ আহি তদন্ত কৰিব ধৰিলে। চন্দৰাই যে তাইৰ ডাঙৰ জা' জনীক খুন কৰিছে গাঁওৰ মানুহৰ মনত সেই কথা বদ্ধমূল হৈ আছে। সকলো সাক্ষীৰ দ্বাৰাই সেয়া প্ৰমাণিত হ'ল। পুলিচে যেতিয়া চন্দৰাক প্ৰশ্ন কৰিলে, চন্দৰাই ক'লে— "হয়, মই খুন কৰিছো।"

কিয় খুন কৰিছ?

মই তাইক দেখিব নোৱাৰিছিলো।

কিবা কাজিয়া লাগিছিল নেকি?

নহয়,

তাই তোমাক প্ৰথমে মাৰিব আহিছিল নেকি?

নহয়,

তোমাক কিবা অত্যাচাৰ কৰিছিল নেকি?

নহয়,

এইধৰণৰ উত্তৰ শুনি সকলো আচৰিত হ'ল।

ছিদাম তো একেবাৰে অস্থিৰ হৈ উঠিল। ক'লে, তাই সঁচা কথা কোৱা নাই, ডাঙৰজনীয়ে প্ৰথমে.........."

দাৰোগাই তাক ধমকি মাৰি মনে মনে থাকিবলৈ ক'লে। অৱশেষত তাইক বিধিমতে জেৰা কৰি বাৰে বাৰে সেই একেই উত্তৰ পালে। ডাঙৰ বোৱাৰীৰ পৰা কোনোধৰণৰ আক্ৰমণৰ কথা চন্দৰাই কোনোমতে নামানিলে।

এনেকুৱা জেদী ছোৱালীওতো দেখা পোৱা নাযায়। তাই দেখোন ফাঁচী কাঠত যাবলৈ প্ৰাণপনে চেষ্টা চলাই আছে, কোনো পথ্যেই তাইক টানি আনিব পৰা নাযায়। এয়া কী ধৰণৰ অভিমান? চন্দৰাই মনে মনে স্বামীক কৈ আছে, "মই তোমাক এৰি মোৰ এই নবযৌৱন লৈ ফাঁচীকাঠকে বৰণ কৰিলো। মোৰ এই জন্মৰ শেষবন্ধন তাৰ সৈতে।"

বন্দিনী হৈ চন্দৰা, এটি নিৰীহ, ক্ষুদ্ৰ চঞ্চল, কৌতুকপ্ৰিয় গাঁৱৰ বোৱাৰী, চিৰ চিনাকি গাঁওৰ পথেৰে, ৰথ যোৱাৰ বাটেৰে, বজাৰৰ মাজেৰে, নৈ'ৰ ঘাটৰ ওচৰেৰে, মজুমদাৰহঁতৰ ঘৰৰ সমুখেৰে, পোষ্টঅফিস আৰু স্কুল ঘৰৰ কাষেৰে, গোটেই চিনাকী মানুহৰ চকুৰ আগেৰে, কলঙ্কৰ চিন লৈ চিৰদিনৰ বাবে ঘৰ এৰি গুচি গ'ল। একদল ল'ৰা পিছে পিছে গ'ল আৰু গাঁওৰ তিৰোতাসকল, তাইৰ সখি-লগৰীসকল, কোনোবাই ওড়নিৰ ফাঁকেৰে, কোনোবাই দৰজাৰ চুকৰ পৰা, কোনোবাই গছৰ আড়ালত থিয় হৈ, পুলিচে বান্ধি লৈ যোৱা চন্দৰাক দেখি লাজ, ঘৃণা আৰু ভয়তে কপি উঠিল।

ডেপুটি ম্যাজিষ্ট্ৰেটৰ ওচৰতো চন্দৰাই দোষ মানি ল'লে আৰু খুনৰ সময়ত ডাঙৰ বোৱাৰীয়ে যে তাইৰ প্ৰতি কোনোধৰণৰ অত্যাচাৰ কৰিছিল, সেয়াও প্ৰকাশিত নহ'ল।

কিন্তু সিদিনা ছিদাম সাক্ষ্যস্থলত আহিয়েই কন্দা-কটা কৰি অস্থিৰ হৈ একেবাৰে হাতযোৰ কৰি ক'লে, "দোহাই হুজুৰ, মোৰ ঘৈণীয়েকৰ কোনো দোষ নাই।" হাকিমে ধমকি মাৰি তাৰ উচ্ছাস দমন কৰাই তাক প্ৰশ্ন কৰি ধৰিলে, সি এটা এটাকৈ সঁচা ঘটনা প্ৰকাশ কৰিব ধৰিলে।

হাকিমে তাৰ কথা বিশ্বাস নকৰিলে। কাৰণ প্ৰধান বিশ্বস্ত ভদ্ৰসাক্ষী ৰামলোচনে ক'লে, "খুন হোৱাৰ অনতিপলমে মই ঘটনাস্থলত উপস্থিত হৈছিলো। সাক্ষী ছিদামে মোৰ ওচৰত সকলো কথা মানি লৈ মোৰ ভৰিত পৰি ক'লে, 'ঘৈণীয়েকক কিদৰে উদ্ধাৰ কৰিম, মোক কিবা উপায় দিয়ক।' মই ভাল-বেয়া একোৱেই নক'লো। সাক্ষীয়ে মোক ক'লে, মই যদি কওঁ, মোৰ ককায়েকে ভাত খুঁজি ভাত পোৱা নাই বাবে খঙতে ঘৈণীয়েকক মাৰি পেলালে, তেতিয়াহ'লে তাই কি ৰক্ষা পাবো?' মই ক'লো খবৰদাৰ, আদালতত এক বৰ্ণ মিছা কথা নকবি। ইয়াতকৈ মহাপাপ আৰু নাই......... " ইত্যাদি।

ৰামলোচনে প্ৰথমতে চন্দৰাক ৰক্ষা কৰাৰ উদ্দেশ্যে বহু গল্প বনাই লৈছিল, কিন্তু যেতিয়া দেখিলে চন্দৰা নিজেই উল্টা পথেৰে খোজ দিছে তেতিয়া ভাবিলে, "হে ভগৱান, শেষ বয়সত কি মিছা সাক্ষ্যৰ বাবে দোষী হ'ম নেকি? যিমান জানো, সেইখিনি কোৱাই ভাল।" এই কথা ভাবি লৈ ৰামচোলনে যি জানে তাকেই ক'লে, পাৰিলে তাতকৈ কিছু বেছিকৈয়ে ক'লে।

ডেপুটি ম্যাজিষ্ট্ৰেটে তাইক ছেছন কোৰ্টলৈ চালান দিলে।

পুলিচে আছামী আৰু সাক্ষী লৈ আদালতত হাজিৰ হ'ল। সন্মুখৰ মুন্সেফ কোৰ্টত বহু লোক নিজ নিজ মোকদ্দমাৰ বাবে অপেক্ষাৰত। ৰান্ধনিঘৰৰ পিছফালৰ এখন পুখুৰীৰ একাংশৰ দাবীলৈ কলিকতাৰ পৰা এজন উকীল আহিছে, আৰু সেই উপলক্ষ্যত বাদীৰ পক্ষত উনচল্লিশজন সাক্ষী উপস্থিত আছে। কিমান মানুহ নিজৰ নিজৰ পাই পাই হিচাপৰ সম্পূৰ্ণ মীমাংসা কৰাৰ বাবে ব্যগ্ৰ হৈ আহিছে। মুঠতে পৃথিৱীত এই মূহুৰ্তত তদপেক্ষা গুৰুতৰ বিষয় আৰু একোৱেই নাই বুলি তেওঁলোকৰ ধাৰণা। ছিদামে খিৰিকীৰ পৰা এই অত্যন্ত ব্যস্ত পৃথিৱীৰ ফালে একদৃষ্টিৰে চাই আছে। সকলোখিনিয়েই তাৰ

সপোন যেন লাগি আছে। কম্পাউণ্ডৰ বৃহৎ আঁহতজোপাৰ পৰা এটা কুলি চৰাইয়ে মাত লগাই আছে— সিহঁতৰ একো আইন আদালত নাই।

চন্দৰাই জজক ক'লে— "ও চাহাব. একেটা কথাকে কিমান বাৰ মই কৈ থাকিম?"

জজচাহাবে তাইক বুজাই ক'লে— "তুমি যিটো অপৰাধ কৰা বুলি মানি লৈছা, তাৰ বাবে শাস্তি কী জানা?"

চন্দৰাই ক'লে, "নাজানো।"

জজচাহাবে ক'লে, "তাৰ বাবে শাস্তি হ'ল ফাঁচি।"

চন্দৰাই ক'লে, "আপোনাৰ ভৰিত পৰিলো, তাকেই দিয়ক না মোক চাহাব। আপোনালোকৰ যি ইচ্ছা তাকেই কৰক, মোৰতো আৰু সহ্য নহয়।"

যেতিয়া ছিদামক আদালতত হাজিৰ কৰা হ'ল তেতিয়া চন্দৰাই মুখ ঘুৰাই ল'লে, জজে ক'লে, "সাক্ষীৰ ফালে চাই কোৱা, এওঁ তোমাৰ কোন হয়?"

চন্দৰাই দুখন হাতেৰে মুখখন ঢাকি লৈ ক'লে, "এওঁ মোৰ স্বামী হয়।"

প্ৰশ্ন হ'ল — সি তোমাক ভাল নাপায় নেকি?

উত্তৰ — হয়, খুব ভাল পায়।

প্ৰশ্ন — তুমি তাক ভাল নোপোৱা নেকি?

উত্তৰ — খুব ভাল পাওঁ।

ছিদামক যেতিয়া প্ৰশ্ন কৰা হ'ল, ছিদামে ক'লে— "মই খুন কৰিছো।"

প্ৰশ্ন — কিয়?

ছিদাম — "ভাত খুজিছিলো। ডাঙৰ বোৱাৰীয়ে ভাত নিদিলে।"

দুখিৰাম সাক্ষ্য দিবলৈ আহি মূৰ্ছা গ'ল। মূৰ্ছাভঙ্গে হোৱাৰ পিছত ক'লে— "চাহাব, মই খুন কৰিছো।"

কিয়?

"ভাত খুঁজিছিলো, ভাত দিয়া নাই।"

বহুবাৰ জেৰা কৰি আৰু আন আন সাক্ষ্য শুনি জজচাহাবে স্পষ্ট বুজিব পাৰিলে, ঘৰৰ তিৰোতাক ফাঁচীৰ অপমানৰ পৰা বচোৱাৰ বাবে এই দুই ভাই-ককায়ে নিজে অপৰাধ কৰা বুলি কৈ আছে। কিন্তু চন্দৰাই পুলিচৰ পৰা আৰম্ভ কৰি চেছন আদালতলৈকে একেই কথা বাৰে বাৰে কৈ আহি আছে। তাইৰকথাৰ তিলমাত্ৰ লৰচৰ হোৱা নাই। দুজন উকিলে নিজৰ পৰা তাইক প্ৰাণদণ্ডৰ পৰা ৰক্ষা কৰিবলৈ বহু চেষ্টা কৰিলে। কিন্তু অৱশেষত তাইৰ ওচৰত পৰাজিত হ'ল।

যিদিনা নিতান্ত বাল্যবয়সত এজনী ক'লা, চুটী-চাপৰ ছোৱালীজনী তাইৰ গোল ধুনীয়া মুখখন লৈ মাটিৰ পুতলাবিলাক এৰি থৈ বাপেকৰ ঘৰ এৰি শহুৰেকৰ ঘৰলৈ আহিল, সেইদিনা ৰাতিৰ শুভলগ্নৰ সময়ত দেউতাকে এই কথা ভাৱি নিশ্চিন্ত হৈছিল যে, যিয়েই নহওঁক, "মোৰ ছোৱালীজনীৰ কিবা এটা সঙ্গতি কৰি মৰিব পাৰিলো।"

জেলখানাত ফাঁচী হোৱাৰ আগত দয়ালু সিভিল সাৰ্জনে চন্দৰাক সুধিলে, "কাৰোবাক চাব খুজিছানে?"

চন্দৰাই ক'লে, "এবাৰ মোৰ মাক লগ পাব খুঁজিছো।"

ডাক্তৰে ক'লে, "তোমাৰ স্বামী তোমাক লগ পাব খুঁজিছে, তাক মাতি আনিম নেকি?"

চন্দৰাই ক'লে, "মৰিব পাৰিলে ৰক্ষা পাওঁ।" ■

---

(দুখিৰাম ৰুই আৰু ছিদাম ৰুই কৃষিজীৱি, ইহঁত দুয়ো ৰামলোচন চক্ৰৱৰ্তীৰ 'প্ৰজা' বুলি গল্পত উল্লেখ কৰা হৈছে। সিহঁত ৰায়তৰ অধীনস্থৰায়ত, সিহঁতে ৰায়তৰ পথাৰত হাজিৰা কাম কৰে, সকলো সময়ত খেতিৰ কাম নাথাকে। তেতিয়া সিহঁতে বেলেগ বেলেগ কাম কৰি জীৱিকা অৰ্জন কৰে। এই গল্পত দেখা গৈছে যে জমিদাৰৰ কাছাৰিৰ পৰা পহৰাদ্দাৰ আহি দুয়ো ভায়েক-ককায়েকক কাছাৰীত কাম কৰিবলৈ লৈ গৈছে। সিহঁতে দুয়ো তাত গোটেই দিন অক্লান্ত পৰিশ্ৰম কৰিছে। ঘৰত আহি খাবলৈ সময় পোৱা নাই। কাছাৰিৰ পৰাই কিঞ্চিৎ জলপান দিয়াৰ কথা গল্পত পোৱা যায়। কামৰ মাজত কেবাবাৰো বৰষুণত তিতিব লগা হৈছে। কামৰ উপযুক্ত মজুৰি পোৱা নাই। তাৰোপৰি যিসকল অন্যায় কথা শুনিব লগা হৈছে, সেয়া প্ৰাপ্যৰ অতিৰিক্ত, অৰ্থাৎ জমিদাৰৰ স্বীকৃত প্ৰজা নহ'লেও জমিদাৰৰ প্ৰয়োজন হ'লে সিহঁতক ব্যৱহাৰ কৰিব পাৰে। সিহঁতৰ নিজস্ব খেতি-মাটি নাই। আনকি বেলেগৰ পথাৰত স্বাধীনভাৱে কাম কৰাৰও উপায় নাই। জমিদাৰৰ কাছাৰিৰ পৰা যেতিয়া ক্ষুধাৰ্ত দুয়ো ভাই সন্ধিয়া ঘৰলৈ ঘুৰি আহিল তেতিয়া ভাততো খাব নাপালেই, তাতে ইমান ডাঙৰ অঘটন। ঠিক সেই সময়ত ৰামলোচন চক্ৰৱৰ্তীৰ আগমন খাজনা ল'বলৈ। অৰ্থাৎ দুইফালৰ পৰা শোষণ। সিহঁত ভূমিহীন, বিত্তহীন, শ্ৰমিক। তদুপৰি ঘৰত অশান্তি। অকল অৰ্থনৈতিক ফালৰ পৰা নহয়, সামাজিক দিশৰ পৰাও সিহঁত অভিশপ্ত সৰ্বসনিম্নস্তৰৰ মানুহ। এই মানুহখিনিৰ দুঃখ দুৰ্দশা বিশ্বকবিজনাৰ চকুত নপৰাকৈ নাছিল। তাৰেই প্ৰমাণ এই 'সাস্তি' চুটি গল্প।)



# অনাদৃত পূৰৱা

**ৰিতম শৰ্মা**
স্নাতক চতুৰ্থ ষান্মাসিক (বিজ্ঞান শাখা)

তাই ললিত চন্দ্ৰ ভড়ালী মহাবিদ্যালয়ৰ এজনী ছাত্ৰী। মহাবিদ্যালয়ৰ ইউনিফ্ৰম যোৰ পিন্ধি অন্য দিনৰ দৰে আজিও তাই মহাবিদ্যালয়ৰ শ শ ছাত্ৰ-ছাত্ৰীৰ মাজত সোমাই পৰিছে। লগ সমনীয়াৰ লগত ফুৰি ক্লাচ কৰি আনন্দ পায় আৰু নিজকে ললিত চন্দ্ৰ ভড়ালীৰ এজনী ছাত্ৰী বুলি গৰ্বও কৰে। সকলোবোৰ ছাত্ৰ-ছাত্ৰীৰ নিজা নিজা আকাংক্ষা আছে। তাইও তাৰ ব্যতিক্ৰম নহয়। উচ্চ শিক্ষাৰে শিক্ষিত হৈ নিজকে এজনী শিক্ষিতা নাগৰিক হিচাপে প্ৰতিস্থা কৰা তাইৰ মনৰ হেপাহ। সকলো ছাত্ৰ-ছাত্ৰীৰ দৰে তাইয়ো দেখাত এল.চি.বিয়ান হ'লেও তাই কিন্তু ব্যতিক্ৰম জন্ম সূত্ৰে। সকলো ল'ৰা ছোৱালীৰ দৰে তাইৰ জন্ম আৰু জীৱন ধাৰণ প্ৰণালী একে নহয়। তাইৰ হৃদয়ৰ মাজত কি জুই জ্বলি আছে তাক অইনে নাজানে। তাইৰ বুকুৰ মাজত জ্বলি থকা ক্ষোভৰ জুই কুৰাই তাইক বৰ যন্ত্ৰণা দিয়ে। কিন্তু কোনো জনকে দেখুৱাব নোৱাৰি মাথো চলি থাকে গতাণু গতিক ভাবে।

যোৱাবাৰ H.S. ৰ পৰীক্ষাত ষ্টাৰ নম্বৰ সহকাৰে উত্তীৰ্ণ হৈ B.Sc. নামভৰ্তি কৰিলে। বয়সৰ লগে লগে বহু কথায়ে তাই জনা হ'ল। পঢ়াত আন দহজনী ছোৱালীতকৈ তাই আগত। দেখাত মহাবিদ্যালয়ৰ প্ৰথমজনী। সকলো তাইৰ আছে। কিন্তু যিখিনি নাই, সেইখিনি পোৱাৰ তাৰণাত তাই নিৰ্দয় আৰু ক্ষোভিত হয়। মৰম ভাল পোৱা তাই সেই পিতৃজনৰ বাহিৰে আন কাৰোপৰায়ে পোৱা নাই। পিতৃক লগ পোৱা সময়খিনিৰ বাহিৰে অইন সময়ত তাই এটা ৰবটৰ দৰে চলি থাকে। সেই বাবে পিতৃজনক তাইৰ মা-বাই, দাদা-ভাই সকলো।

তাইৰ পিতৃয়ে আজিকালি কেতিয়াবা কেতিয়াবা তাইক তান তান কথা শুনায়। কাৰোবাৰ প্ৰতি থকা ঘৃণা, ক্ষোভবোৰ তাইৰ আগত ব্যক্ত কৰে। মানুহক বহু বেছি বিশ্বাসত লব মানা কৰে। শুধিলে মাথো কয় অবিশ্বাস আৰু প্ৰতাৰণাৰেই তাইৰ জন্ম। তাই হেনো কাৰোবাৰ অনাদৃত পূজাৰ ফুল! তাই বুজি নাপায় পিতৃৰ এই শব্দবোৰৰ অৰ্থ??

এই সকলোবোৰ কথাৰ বিষয়ে তাই আজি ৰক্তীমক কব। কাৰণ যোৱাকালি তাই তাইৰ জীৱনৰ বাস্তৱ সত্য উদঘাটন কৰিলে। লাহে লাহে ৰক্তীমৰ গাৰ ওচৰলৈ তাই আহিল। দুয়ো মহাবিদ্যালয়ৰ দ্বিতীয় মহলাৰ বাৰান্দাৰ বেঞ্চ এখনত বহি ললে। তাৰ পিচত বৰ্ণনা কৰিবলৈ কুণ্ঠাবোধ নকৰি কৈ গ'ল....।

ৰক্তীমৰ এই বান্ধৱী জনীৰ নাম পূৰৱা। পূৰৱায়ে ৰক্তীম বুলি কৈ কিছুপৰ মৌন হ'ল। তাৰ পিচত তাইৰ চকুৰে বৈ আহিল গৰম গৰম কেইটোপালমান চকু পানী। মসৃণ গাল দুখন ইমান সময় তিতি ৰৈছিল আৰু তাৰ পিচত উচুপনি।

ৰক্তীমে একো বুজিব নোৱাৰি মাথো শুধিছিল- "পূৰৱা কি হ'ল তোমাৰ? কিয় কান্দিছা তুমি?" পূৰৱা ৰক্তীমৰ ভাল বান্ধৱী। দুয়োৰে মনৰ মিল আছে। ইজনে সিজনক মনৰ কথা কয়, পৰস্পৰৰ প্ৰতি পৰস্পৰৰ আকৰ্ষণ আছে। ইয়াৰ অৰ্থ প্ৰেম নে ভাল পোৱা সিহঁতে নাজানে। কিন্তু দুয়ো দুয়োৰে বিশ্বাসী। পূৰৱাৰ চকু পানী দেখি ৰক্তীমে আকাশৰ পিনে মূৰ তুলি মৌন হৈ ৰৈছিল।

শান্তনা দিবলৈ ভাষা নাছিল। কিয় পূৰৱায়ে আজি কান্দিছে ৰক্তীমে মাথো লাহে লাহে গম্ভীৰ হৈ পূৰৱাৰ গালেৰে বৈ অহা চকুপানীখিনি মচি দিছিল। অলপ পিচতে পূৰৱাই ৰক্তীমৰ বুকুৰ মাজত মুৰ গুজি দি আকৌ কান্দিলে। ৰক্তীমৰ চাৰ্টটো তিতি গ'ল পূৰৱাৰ বেদনাৰ অশ্ৰুৰে। ৰক্তীমে এটা জড় পদাৰ্থৰ দৰে পূৰৱাৰ চুলি কোচালৈ চাই আছিল। এনেদৰে বহু সময় পাৰ হৈছিল। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীবোৰে কিছু সময় আগতে ঘৰা-ঘৰি গ'ল গৈ। কিন্তু পূৰৱাৰ কথাবোৰ ৰক্তীমে শুনিলে। কিয় পূৰৱায়ে আজি কান্দিছে? পূৰৱাৰ জন্মৰ সত্য ঘটনাবোৰ

ৰক্তীমে বহুপৰ শুনিলে। শেষ পূৰাক কলে, নীলাচল পাহাৰত থকা 'মা কামাখ্যা'য়ে তোমাৰ মঙ্গল কৰিব। তমি জীৱন যুদ্ধত জয়ী হ'বা। এনে এটা তুমি পুৰা হ'বা যাৰ থাকিব বহুত সম্ভাৱনা। ভাগৰুৱা অলস ভাবে পূৰায়ে থিয় হ'ল। ৰক্তীমৰ পৰা বিদায় লৈ চিটি বাচৰ ষ্টেণ্ডলৈ বেদনা অশ্রুৰে আগ বাঢ়িল। পিচ পিনৰ পৰা ৰক্তীমে বহুপৰ তাই অদৃশ্য নহোৱালৈ চাই থাকিলে। পিচত পূৰা ৰক্তীমৰ চকুৰ পৰা নেদেখা হ'ল। ৰক্তীমেও হতাশ আৰু মৌনতাৰে নিজৰ ভাড়া ঘৰলৈ আহি বিচনাত দীঘল দি বাগৰি পৰিল। পূৰাই কোৱা তাইৰ জন্ম আৰু তাইৰ পিতৃৰ সৈতে অতিবাহিত কৰা জীৱনৰ কথাবোৰৰ মন্থন কৰিব ললে।

পূৰাৰ পিতৃজনৰ নাম ৰামকৃষ্ণ। ৰামকৃষ্ণ পেচাত এজন ফুল ব্যৱসায়ী। শুক্লেশ্বৰ ঘাটত ফুল বিক্ৰী কৰি ৰামকৃষ্ণয়ে পূৰাৰ সৈতে দুজনীয়া পৰিয়ালখন কোনোমতে চলাই আছে। ৰামকৃষ্ণ অবিবাহিত। তেওঁৰ জীৱনলৈ কেতিয়া যৌৱন আহিল কেতিয়া গ'ল গমকে নাপালে। অভাব আৰু সমস্যায়ে বহু মানুহক বাৰ্দ্ধক্য কৰে। ৰামকৃষ্ণৰো ঘৰ সংসাৰ কৰাৰ সপোন অভাবে গ্ৰাস কৰিছিল। মাথো জীৱন সংগ্ৰামত যুজি থাকোতে বহুটি বসন্ত পাৰ কৰিলে। শুক্লেশ্বৰ ঘাটৰ স্থায়ী ফুল ব্যৱসায় কৰা এজন ব্যৱসায়ী তেওঁ। সদায় ৰাতিপুৱা ব্ৰহ্মপুত্ৰলৈ গা ধূবলৈ যায় তাতে ৰাতিপুৱাৰ সকামখিনি কৰি আহি দোকান খোলে। এই অভ্যাস বা নিয়ম তেওঁ এবছৰ দুবছৰৰ নহয়। দোকান আৰম্ভ কৰাৰ দিনৰ পৰায়ে চলি আছে। ঠিক তেনে এদিন পুৱাই ৰামকৃষ্ণৰ জীৱনৰ পৰিবৰ্তন ঘটিল। সেই দিনা পুহ মাহৰ পুৱতি নিশা চাৰিমান বজাৰ কথা। ব্ৰহ্মপুত্ৰৰ বালি চাপৰি কুৱলিয়ে ঢাকি পেলাইছিল। ওচৰৰ বয়বস্তু চিনিব নোৱাৰা অৱস্থা। তেওঁ গাটো তিয়াই আহি সোমুখত এটা অনাকাংক্ষিত বস্তু দেখা পালে। তেওঁৰ সৰ্ব শৰীৰ জিকাৰ খাই উঠিল। নিজৰে চকুকে বিশ্বাস কবি টান পালে। কি আচৰিত! ব্ৰহ্মপুত্ৰৰ বালি চাপৰিত পৰি আছে এখন তাৱেলৰ মাজত এটি কণমানি শিশু। হতবাক ৰামকৃষ্ণয়ে চিঞৰি দিব খুজিছিল। কিন্তু তেতিয়া শিশুটো হাড় কপোৱা শীতৰ বাবে চাগে চিঞৰি উঠিল। কিছু পৰ থৰ হৈ শিশুটোৰ পিনে ৰামকৃষ্ণয়ে চালে। তাৰ পিচত কাৰোবাক কথাটো কোৱাৰ বাবে ইফাল সিফালকৈ চালে। কিন্তু তাত তেতিয়া কোনো মানুহ নাছিল। মাথো ত্ৰিশ মিটাৰ মান আতৰত দেখা নেদেখাকৈ এজন কোট পেণ্ট পিন্ধা মানুহ আতৰি যোৱা যেন পালে। তেওঁক তেওঁ মাতিলে। মানুহ জনে তেওঁৰ মাত সহাৰি নিদি পকী ৰাস্তাৰ পিনে গুচি গ'ল।

ইফালে ৰামকৃষ্ণৰ আগত পৰি থকা কণমানি শিশুটোৰ কান্দোন দুগুণে বাঢ়িল। কি কৰো কি নকৰো একো ভাবি নোপোৱা হ'ল। যদি শিশুটো তুলিলৈ কৰবাত তেওঁ দিব যায়, তেতিয়া বাতৰি কাকতৰ মানুহবোৰে আহি তেওঁক জুলুম কৰিব। এটা নতুন সমস্যাৰ মাজত পৰিব। আনহাতে যদি এৰি যায় অলপ পিচতে বালি চাপৰিত পৰিব অহা শ শ কাউৰীয়ে শিশুটোক ভক্ষণ কৰিব। কোনোবা দুষ্ট লোকে যে নিজৰ কু-কৰ্ম ঢাকিবলৈ এই পবিত্ৰ শিশুটোক পেলাই থৈ গৈছে তাক আৰু ৰাম কৃষ্ণৰ বুজিবৰ বাকী নাথাকিল।

কিন্তু কি কৰিব তেওঁ এতিয়া? "হে ভগৱান, মোক কিয় এই সমস্যাৰ মাজত পেলালা? মই এতিয়া কি কৰো? কাৰোবোৰ অনাদৃত এই ফুলৰ কলিটো মই তুলি ললো যদি মোৰ বিপদ হয়।" নাই নাই তেওঁ এই সংসাৰ যন্ত্ৰণাত নোসোমায়। ৰামকৃষ্ণয়ো নেদেখা ভাও ধৰি গুচি যাব বুলি দুখোজ মান পিচুৱালে। কেঁচুৱাটিয়ে আকৌ কান্দিব ধৰিলে। ৰাম কৃষ্ণৰ হৃদয়ৰ মাজত সোমাই থকা মানুহ জনে যেন তেওঁক কলে। "তই ভূল নকৰিবি ৰামকৃষ্ণ, এইয়া তোৰ পুষ্পাঞ্জলী, আনৰ বাবে পূজা কৰা ফুল তই বহুত বিক্ৰী কৰিলি। আজি তোক এপাহ ফুল ভগৱানে নিৰ্মালী হিচাপে দিছে। তই লৈ যা ৰামকৃষ্ণ।"

শেষত কব নোৱাৰাকৈয়ে শিশুটো ৰাম কৃষ্ণয়ে তুলি ললে। ইছঃ ইমান মৰম লগা কোমল মানৰ পীণ্ড। ই হয়তো দুই তিনি ঘণ্টা আগতে কোনোবা পিশাচিনীয়ে প্ৰসৱ কৰিছে। নিজৰ দাগ মুচিবলৈ পৰিত্যাগ কৰা মাতৃজনী কিমান নিষ্ঠুৰ তাক ৰামকৃষ্ণয়ে ভাবিবলৈ কেচুৱাটিৰ মুখ মণ্ডলত এমোকোৱা চুমা দিলে। যা নহওক এইয়া তাৰ প্ৰাপ্য পুষ্পাঞ্জলী। সি এই পুষ্পাঞ্জলী কোনো চিকিৎসালয় বা অনাথ আশ্ৰমত জমা নিদিয়ে। অকলশৰীয়া জীৱনৰ তেওঁৰ সংগী হ'ব এই কণমানি। কোলাত কেঁচুৱাটি লৈ ৰামকৃষ্ণয়ে গো-চালাত থকা টিন চালিৰ সেই ভাড়া ঘৰলৈ খৰ খেদাকৈ খোজ পেলালে।

ৰাতিপুৱা গো-চালাৰ পতিত ৰামকৃষ্ণৰ মুখৰ পৰা কথাটো ইজনে সিজনে শুনি সকলোবোৰে চাব আহিল।

এটি কন্যা সন্তান! কোনোৱে কলে ৰামকৃষ্ণৰ ভাল হ'ল, কোনোৱে বোলে ৰামকৃষ্ণৰ সমস্যা হ'ব শিশুটো ডাঙৰ কৰা। বিভিন্ন জনৰ বিভিন্ন মত। সকলোকে ৰামকৃষ্ণয়ে কলে, এই সন্তানৰ আজিৰ পৰা মই পিতৃ-মাতৃ। ভাই-ভনী সকলো হম।

শিশুটিক মই ডাঙৰ মানুহ কৰিম। মানুহবোৰে ৰামকৃষ্ণৰ মনৰ দৃঢ়তাক সন্মান জনালে। সকলো ওচৰ চুবুৰীয়া লগ হৈ কন্যা শিশুটিৰ নাম ৰাখিলে "পূৰা"।

এটি কণমানি শিশুক ডাঙৰ কৰা কিমান কঠিন তাক জানে এজন ভুক্তভোগীহে। পুৰুষ এজনৰ বাবে আৰু কিমান কষ্ট দায়ক তাক নকলেও হয়। যিয়ে নহওক, ৰাম কৃষ্ণৰ উৎসাহ, কষ্ট আৰু যত্নৰ ফলত পূৰা দিনক দিনে বাঢ়ি আহিল আজি কালি পূৰাক ৰাম কৃষ্ণয়ে দোকানলৈ লৈ যায়। বিভিন্ন ৰং বিৰঙৰ ফুলৰ মাজত অন্য এজনী ফুল হৈ পূৰাই ৰামকৃষ্ণৰ দোকানৰ সৌন্দৰ্য আৰু দুগুণে বৃদ্ধি কৰিলে। যাত্ৰীবোৰে আহিলে পূৰাৰ মৰম লগা মুখখন নোচোৱাকৈ বা মাত এষাৰ নিদিয়াকৈ নাযায়। কাষত দোকানীবোৰৰ অতি মৰমৰ পূৰা। পূৰাক লৈ সকলোৰে ৰং তামাচা কৰে। তাতে অলপ দয়াৰো ভাৰ থাকে। কাৰণ তাইৰ জন্মৰ কথা সকলোৰে জানে। পূৰা দোকানত অহা দিনৰ পৰা ৰামকৃষ্ণৰ ফুলৰ ব্যৱসায় ভাল হৈছে। এজন গ্ৰাহকেতো ৰাতিপুৱা দহ বজাত অফিচলৈ আহি কিবা নহয় কিবা এপাহ ফুল ৰামকৃষ্ণৰ দোকানৰ পৰা নিবয়ে। কেতিয়াবা কেতিয়াবা পূৰাৰ হাতত মৰ্টন বা খোৱা সামগ্ৰী দি যায়। এই খুড়াজনক পূৰাৰ ভাল লাগে।

মানুহজনৰ পূৰাৰ প্ৰতি থকা মৰমখিনিক ৰামকৃষ্ণয়ে সহজ ভাৱে লব পৰা নাছিল। এই মৰমৰ মাজত কিহবাৰ গোন্ধ থকাৰ অনুমান হয়। পেটে পেটে মানুহ জনৰ প্ৰতি ৰামকৃষ্ণৰ সন্দেহ বাঢ়ি আহিছিল। কিন্তু ডাঙৰ মানুহ কিবা কলে যদি কিবা এটা কৰি দিয়ে? কাৰণ টকা-পইচা আৰু ক্ষমতা বহুমানুহৰ সঁচা-মিচা, ভাল-বেয়াৰ দলিল। সেই বাবে ৰামকৃষ্ণয়ে একো নোকোৱাকৈ অনাগত দিনৰ সময়লৈ বাট চাই ৰ'ল।

পূৰা এতিয়া ডাঙৰ হ'ল, চাওতে চাওতে পূৰা গাভৰুজনী হৈ উঠিল। ৰামকৃষ্ণৰ দায়িত্ব আৰু টকা পইচাৰ খৰচ বৃদ্ধি হ'ল। সময়ৰ আহ্বানক কোনে বাধা দিব পাৰে বাৰু। পূৰা মেট্ৰিকৰ পৰীক্ষাৰ আগতে ভাল ৰিজাল্ট এটা হোৱাৰ আশাত তাইক টিউচন ও দিয়াৰ ব্যৱস্থা কৰিছিল। পূৰাক লৈ ৰামকৃষ্ণৰ বৰ চিন্তা। নিজৰ বুলিবলৈ আৰু কোনো নাই। ছোৱালীজনীৰ পঢ়াৰ ৰিজাল্ট ভাল হ'লে তাইক ডাঙৰ মানুহ কৰিব। সকলোৰে ৰামকৃষ্ণক এতিয়া সকাহ কৰে। কাৰণ তেওঁলোকৰ এলেকাত থকা পৰিয়ালবোৰৰ মাজত পূৰাই হ'ল একমাত্ৰ পঢ়াত আগবঢ়া। পূৰাইও পিতৃৰ কথাত বিৰোধ নকৰে। বৰ চেষ্টা আৰু কষ্টৰ মাজত মেট্ৰিক পৰীক্ষা দিলে। শতকৰা আশী শতাংশ নম্বৰ পাই পূৰাই পাছ কৰিলে। ইয়াৰ মাজতে ফুলৰ দোকানত সদায় অহা খুড়াজনে তাইক পৰীক্ষাৰ ৰিজাল্ট ভাল হোৱা শুনি কাপোৰ আৰু বেগ এটাও উপহাৰ দিছিল। এইবাৰ এই সামগ্ৰীখিনি পূৰাইতাইৰ পিতৃৰ শুক্লেশ্বৰ ঘাটৰ দোকানলৈ আহি থাকোতে ৰাস্তাত লগকৰি মানুহজনে দিলে। কথাতো পূৰাই পিতৃক কলে।

ৰামকৃষ্ণই সেই কথা শুনি খঙত পূৰাক বহুত বকিলে মানুহজনৰ অভিসন্ধি ৰামকৃষ্ণই বুজিলে। তাৰ বুকুৰ কলিজা টুকুৰ এতিয়া কাঢ়ি নিয়াৰ কৌশল হ'ব পাৰে। এই ভদ্ৰ দয়ালু বুলি ভবা মানুহজন পূৰাৰ জন্মৰ কেন্দ্ৰবিন্দু যদি হয়?

ৰামকৃষ্ণৰ নোহোৱা আচৰণ হোৱাত পূৰাই পিতৃক কিয় এনে কৰিছে সোধে। ৰামকৃষ্ণই মাথো কয় অবাবত বা হঠাতে মৰম কৰা, বয়-বস্তু দিয়া মানুহবোৰৰ মনত অভিসন্ধি থাকে। কি কাৰণে সেই মানুহজনে তোমাক এই বস্তুবোৰ দিয়ে? কিয় মানুহজনে মোক লগ নকৰে?

তেতিয়া পূৰাই আৰু বেছি চিন্তিত হয়। কাৰণ লগৰ ছোৱালীবোৰৰ মামা, খুড়া, পেহা-পেহী সকলো আছে। তাইৰহে নাই। পিতৃৰ মুখৰ পৰা শুনিছিল তাইৰ জন্মৰ কথা। পিতৃ ৰামকৃষ্ণ হেনো ১৯৬২ চনত কলিকতাৰ পৰা ট্ৰেইনেৰে গুৱাহাটীলৈ কাম বিচাৰি আহিছিল। গুৱাহাটীৰ এঘৰ মানুহৰ ঘৰত গৰু চোৱা কাম এটা প্ৰায় পোন্ধৰ বছৰ কৰিছিল। তেওঁৰ ঘৰত এৰি অহা মাকজনীৰ জ্বৰ হৈ মৃত্যু হোৱা খবৰ পাই তেওঁ পুনৰ কলিকতালৈ যায়। তাত কাম নাপাই পুনৰ গুৱাহাটীলৈ উভতি আহিলে। এইবাৰ গৰুচোৱা কাম নকৰি শুক্লেশ্বৰ ঘাটত এজন মানুহে ফুল বিক্ৰী কৰি থকা দেখা পাই তেৰো মাটিতে এখন বস্তা পাৰি ফুল বিক্ৰী কৰাৰ মন মেলিলে। এতিয়াৰ দৰে চালানী ফুল তেতিয়া অহা নাছিল। ৰাতিপুৱা মানুহৰ ঘৰৰ আগত থকা ফুল তুলি আনি বিক্ৰী কৰে। তাৰেই যি অলপ টকা পায় তেনেদৰে চলে। এই কৰ্ম আজিও ৰামকৃষ্ণয়ে কৰি আছে নিৰৱচ্ছিন্নভাৱে। কিন্তু পূৰাক শান্ত্বনা দিবলৈ কৈছিল তাইৰ মাতৃৰ পূৰাৰ জন্মৰ পিচতে মৃত্যু হৈছিল। নহ'লে যে ডাঙৰ হ'লে তাই জন্ম পৰিচয় বিহীন বুলি মানুহৰ হাঁহিয়তিৰ পাত্ৰী হ'ব।

গতিকে এইখিনিয়ে জানে পূৰাই তাইৰ পিতৃ আৰু মাতৃৰ কথা। পিতৃয়ে যে তাইক অফুৰন্ত মৰম কৰে তাই মৰ্মে মৰ্মে উপলব্ধি কৰে। পূৰাৰ পিচে এতিয়া এই পতিত থাকি ভাল

লগা নলগা হৈছে। মানুহবোৰৰ মাজত হাই হাল্লা মদ জুৱা আৰু অবাচ্য বাক্যৰ কথা। এটা লেটেৰা কণ্টকময় পৰিৱেশ। এই পৰিৱেশৰ মাজত থাকি পূৰাৱে যি ৰিজাল্ট কৰিলে তাৰ বাবে কিছুমানে প্ৰশংসা কৰে আৰু কিছুমানে হিংসাও কৰে। সৌ সিদিনা এজনী তিৰোতায়ে তাইক মাতৃ-পিতৃৰ পৰিচয় বিহীন জাৰজ বুলি টান কথা শুনাইছিল। তাইৰ দেখোন পিতৃ আছে? জাৰজ তাই কিয় হ'ব? পিতৃ ৰামকৃষ্ণক কান্দি কান্দি বিষয়টো হৈছিল। ৰামকৃষ্ণয়ে কোনো প্ৰতিবাদ নকৰি মাথো ঘৰটো বদলি কৰি লব বুলি কৈছিল। এতিয়া তাই এখন কলেজত নাম লগাব। তাইৰ ইচ্ছা গুৱাহাটীৰ ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ত পঢ়িব। গতিকে তাইৰ নামটো কলেজখনৰ পৰা অহা যোৱা কৰাৰ সুবিধা হোৱা ঠাই এটুকুৰাত হ'লে ভাল হ'ব। জীয়েকৰ শান্তিৰ বাবে ৰামকৃষ্ণয়ে সেইটোও কৰিলে। লগতে ললিত চন্দ্ৰ ভড়ালী মহাবিদ্যালয়ত নাম লগাই দিলে। পূৰাৰ কলেজিয়া জীৱন আৰম্ভ হ'ল। সকলো ছাত্ৰ-ছাত্ৰীৰ মাজত ভাল সম্পৰ্ক গঢ়ি উঠিল। ইপিনে পূৰাই এতিয়া পিতৃৰ ফুলৰ দোকানলৈ নাযায়। পূৰাক বিচাৰি সেই খুড়াজনে আহি ৰামকৃষ্ণক ছোৱালীজনীৰ কথা শুধিলে। তেতিয়া ৰামকৃষ্ণয়ে মানুহজনক বহু প্ৰশ্ন শুধিলে, পূৰাক মৰম কৰাৰ কাৰণো শুধিলে। দুয়োজনৰ মাজত তৰ্ক-বিতৰ্ক হ'ল। ৰামকৃষ্ণৰ কলিজা টুকুৰা আজি কাঢ়ি নিব অহা এই মানুহজনেই যে সেই ৰাতিপুৱা দেখা কোট পিন্ধা মানুহজন তেওঁ জানিলে। অশিক্ষিত ৰামকৃষ্ণয়ে নাজানে আইনৰ মেৰ পেচ। নাজানে ডাঙৰ মানুহৰ ভাল ভাল কথা আৰু পোছাকৰ মাজত লুকাই থকা কুচক্ৰান্তৰ কৌশলবোৰ। ৰামকৃষ্ণই আৰু একো কব নোৱাৰিলে। মাথো দোকানত থকা ৰং বিৰঙৰ ফুলবোৰ খং যন্ত্ৰণাত চত্‌ফতাই দলিয়াই পেলালে। ওচৰৰ মানুহবোৰে ৰামকৃষ্ণৰ কান্দ দেখি হতবাক হ'ল।

- ভদ্ৰ মানুহজনে কাৰখনত পশ্চিম মুৱাকৈ দ্ৰুত বেগত গাড়ী চলাই গুচি গ'ল।

- ললিত চন্দ্ৰ ভড়ালী মহাবিদ্যালয়ৰ ৰাতিপুৱা ন বজাৰ ক্লাছলৈ খৰ খেদাকৈ আহিছিল। গেটৰ কাষতে ৰৈ থকা সেই খুড়াজনক তাই দেখা পালে। ভদ্ৰতাৰ খাতিৰত অলপ কাষলৈ গৈ খুড়াকক মাত লগালে।

খুড়াকে পূৰাৰ খবৰ সুধি অলপ অকলসৰিয়াকৈ লগ পোৱাৰ প্ৰস্তাৱ দিলে। পূৰাৰ মনত হঠাৎ পিতৃয়ে বাধা দিয়া কথাটো মনত পৰিল। তাই এতিয়া কি কৰে। অলপ সংকোচ বোধ কৰিলে। কিন্তু খুড়াকে বৰ জোৰ কৰিলে, যেনে তেনে তেওঁ লগ কৰিব লাগে। অলপ দূৰত থকা গাড়ীখনলৈ পূৰাক মাতিলে। পূৰায়ে নিৰুপায় হৈ গাড়ীখনৰ ওচৰলৈ গ'ল। তাৰ পিচত দুয়োজনৰ আলোচনাৰ অন্তত গাড়ী লৈ পূৰাৰ বাস গৃহলৈ ৰাওনা হ'ল। বাস্তৱ সত্য উদঘাটন হ'ল। এটা চিৰসত্য কথা যে তাইৰ পিতৃয়ে লুকাই ৰাখিছিল তাই গম পালে। মনত পিতৃৰ প্ৰতি ক্ষোভ জাগিছিল যদিও, এই পিতৃয়ে যি ত্যাগ কষ্ট স্বীকাৰ কৰি তাইক ডাঙৰ কৰিলে তাৰ বাবে শ্ৰদ্ধা দুগুণে বাঢ়িল। কাৰণ ৰামকৃষ্ণয়ে যদি তাইক তুলি নললেহেঁতেন হয়তো পূৰাই আজি এই পৃথিৱীৰ মাদকতা উপভোগ কৰিব নোৱাৰিলেহেঁতেন। ৰামকৃষ্ণ আৰু খুড়াকৰ মাজত পূৰাই মুখামুখি কৰি সত্য প্ৰকাশ কৰিলে। পূৰাই আচল পিতৃৰ পৰিচয় পালে। এই খুড়াকেই যে তাইৰ জন্মদাতা পিতৃ, জানিব পাৰি হুক হুকাই কান্দি নিৰৱ হৈ বিচনাত বাগৰি পৰিল। মৌন হ'ল ৰামকৃষ্ণ। বাক শক্তি হেৰুৱাই ঘৰৰ ভিতৰলৈ গৈ দৰ্জাখন মাৰি কি কৰে এতিয়া ভাবি নোপোৱা হ'ল। ভিতৰৰ পৰা মাথো পূৰা আইজনী বুলি মাত লগাই কলে। এই সকলো ঘটনা সত্য মাজনী, তই মোক ক্ষমা কৰিবি।

- ৰক্তীমে ৰামকৃষ্ণৰ ত্যাগ কিমান মহান আছিল ভাবিলে। ইচ্ছা হৈছিল এই মানৱ পূজাৰীজনক যে সেৱা এটি জনাই আহিব। লাঞ্ছিত পূৰাই এটি ভাল জীৱন গঢ়ি তোলক। পিচে ৰক্তীমে সেইদিনা আবেলি পূৰাক যি লগ পাইছিল, সেইদিনৰ পৰা আৰু মহাবিদ্যালয়লৈ উভতি নাহিল। পুৰণি ঠিকনা হেৰুৱাই হয়তো নতুন ঠিকনা লৈ কৰবাত হেৰাই গ'ল। মহাবিদ্যালয়ৰ হাজিৰা বহীত তেওঁৰ উপস্থিতিৰ চিন দেখা নগল। মাথো ৰক্তীমৰ বুকুখন সুদা হ'ল। বেদনাত চতফটাই অনুভৱ কৰে এই ভাতৃ-ভগ্নী, বন্ধু-বান্ধৱীৰ মিলনৰ সঁচা মানুহ প্ৰডাকচন হোৱা ললিত চন্দ্ৰ ভড়ালী ক্ষেত্ৰখন কিয় এৰিলে? তেওঁৰ কামিজত লাগি থকা পূৰাৰ অশ্ৰুৰ বিন্দবোৰে যি দাগ লগাইছিল সেই দাগ তেওঁ মচি পেলাব পৰা নাই। সদায় অপেক্ষা কৰে অন্তত পূৰাৰ পৰা এটা Call আহিব বা Message হলেও আহি যেন জনাব তেওঁ কুশলে আছে। ৰক্তিমৰ কোমল হৃদয়ত প্ৰথম খোপনি লোৱা পখিলা সদৃশ বান্ধৱী জনীৰ অনুপস্থিতিৰ বাবে নীলাচল পাহাৰৰ ওখ টিনটোৰ ওপৰলৈ উঠি গৈ চিঞৰি মাতে। পূৰা তুমি অহা!! তোমাৰ বাবে মই অপেক্ষাৰত! Please আহা পূৰা !!!



# ব্যৰ্থতা

**নিলোৎপল বৰুৱা**
স্নাতক চতুৰ্থ ষান্মাসিক (বাণিজ্য শাখা)

সন্ধেলী নামৰ গাঁৱখনত বিপ্লৱহঁতৰ পৰিয়ালত এতিয়া হুলস্থুল আৰু হাঁহিৰে ভৰপূৰ এটা সুন্দৰ পৰিৱেশ। কিয়নো পৰিয়ালত নতুনকৈ এটি সন্তানে জন্ম গ্ৰহণ কৰিছে। বিপ্লৱৰ মুখত হাঁহিৰ যেন এটি টোপোলাহে লৈ আছে। ঘৰখন আনন্দৰে ভৰ-পূৰ। লাহে লাহে দিনবোৰ বাগৰিবলৈ ধৰিলে। ইটোৰ-পিছতে সিটো প্ৰয়োজন দেখা দিব ধৰিলে। কাৰণ বিপ্লৱৰ হতৰ ঘৰখন কিবা ৰকমেহে চলি আছিল। বিপ্লৱেও হাজিৰা কৰি পৰিয়ালক পোহ পাল দি আছিলে। এই অভাৱ অনাটনৰ মাজতে ল'ৰাজন ডাঙৰ হৈ আহিলে। সি স্কুললৈ যাব ধৰিলে। আজিকালি চৰকাৰী স্কুলবোৰতকৈ নিজা-ববীয়াকৈ গঢ় লৈ উঠা স্কুলবোৰ মানুহে ভাল বুলি ভাবে কাৰণে, মানুহৰ মুখে মুখে শুনাৰ পিছত বিপ্লৱেও ল'ৰা জনক Private School এখনতে নাম লগাই দিলে। নাম লগাই দিলেতো থিক কিন্তু তাত ইমান খৰচ পাতি যে বিপ্লৱে ল'ৰাজনক তাত পঢ়ুৱাব নোৱাৰা যেন অৱস্থা। তথাপিও সি হাৰ মনা নাছিল। যেনেকৈয়ে নহওক তাক পঢ়ুৱাই এজন ডাঙৰ মানুহ কৰিলে। সি আমেৰিকাত ডাক্তৰ পঢ়িবলৈ গুচি গ'ল ...........

যি গ'ল উভতি নাহিলে কেতিয়াও। সি তাতেই তেওঁৰ বৈবাহিক জীৱন আৰম্ভ কৰিলে আৰু এদিন বহু বছৰৰ পিছত সি নিজৰ গাঁৱৰ ঘৰলৈ গুচি আহিলে মাক-বাপেকৰ খবৰ ল'বলৈ।

বিপ্লৱে কেতিয়াও দুখ কৰা নাছিল তাৰ ল'ৰাই যে তাক এনেকৈ এৰি থৈ নিজৰ জীৱনত ইমানেই ব্যস্ত হৈ যাব যে সি মাক-বাপেকৰ খা-খবৰ লবও পাহৰি যাব। সি বিদেশৰ পৰা ঘূৰি অহাত বিপ্লৱৰ টান-নৰীয়াত পতি কষ্টেৰে জীৱন-যাপন কৰি আছিল। পুতেকে ভাল-চিকিৎসালয়ত দেখাই আনিম বুলি কলে যদিও বাপেকেই ক'লে "নেলাগে যা .... তই তোৰ কামবোৰ এৰি ইয়ালৈ আহিছ যে খবৰ ল'বলৈ সেইটোৱে বহুত। যাওঁতে মাৰ পৰা সেৱা এটা কৰি যাবি আৰু বোঁৱাৰীক মোৰ পৰা আশীৰ্বাদ দিবি।" পুতেক পুনৰ বিদেশলৈ মানে আমেৰিকালৈ ৰাওনা হ'ল................

পুতেক যোৱাৰ সময়ত দেউতাকৰ চকুৰে অশ্ৰু নিগৰি আহিছিল যদিও বিপ্লৱেই আজি কালিৰ ল'ৰা ছোৱালীনো ক'ত মাক-বাপেকৰ ওচৰত থাকিব সেইয়া ভাবিয়ে সান্ত্বনা লৈছিল।

পুতেক যোৱাৰ পিছত বিপ্লৱে এইয়াকে ভাবিছিল যে যদি মইও ভালদৰে পঢ়া-শুনা কৰি ভাল চাকৰি এটা কৰিলো হয় তেনেহ'লে আজি এনেকুৱা অৱস্থা চাগে নহ'লহেতেন ঘৰখনৰ। কাৰণ বিপ্লৱেই আছিল সেই ঘৰখনৰ আৰ্থিক উপাৰ্জনৰ ঘাই মাপ কাঠি। এতিয়া টান নৰিয়াত ভূগি থকাৰ পৰা বিপ্লৱৰ ঘৰখনৰ পানীত হাঁহ-নচৰা অৱস্থা।

বিপ্লৱে অনুভৱ কৰিলে মোৰ এইয়াই ব্যৰ্থ জীৱন। না মই ঘৰখনক সুখ দিব পাৰিলো ভালকৈ না মই ল'ৰাৰ পৰা এতিয়া এনেকুৱা অৱস্থাত মৰম চেনেহ পালো। নিজকে ঘৃণা কৰিবলৈ লৈছিলে মনত সি, মনত পৰিছিল তাৰ সিও যে তাৰ মাক-বাপেকক এনেকৈ এৰি থৈ কাম-বিচাৰি ওলাই গৈছিল

আৰু টকা উপাৰ্জন কৰি আনি ক'ৰবাত নহয় ক'ৰবাত নিজৰ কাৰণে চিন্তা কৰিছিল। হয়তো সেইবাবেই ছাগে সিও ল'ৰাৰ পৰা এনেকুৱাকৈয়ে দুখবোৰ পাব লগা হ'ল। সি অনুভৱ কৰিলে এয়াই জীৱন আৰু মোৰ জীৱনৰ মোৰ ব্যৰ্থতা।।

বিপ্লৱৰ তেনেকৈয়ে টান-নৰিয়াত নিজকে মৃত্যুক সাৰটি ল'লে। বাপেকৰ মৃত্যুৰ খবৰ পাই পুতেকে ঘৰলৈ উভতি আহিল। কিছুদিন পুতেক গাঁৱৰ ঘৰতে থাকিল। গোটেই ঘৰখন খালি খালি যেন লাগিলে তাৰ। অকল মাক আছিল মৰম-চেনেহ কৰিবলৈ। বাপেকো আছিল অকল ফটোৰ ফ্ৰেম এখনত আৰু তাৰ স্মৃতিত। মনত পৰিছিল তাৰ বাপেকৰ লগত ফুৰিবলৈ যোৱাতো। যেতিয়া কৰবাত উজুটি খাই দুখ পাইছিল বাপেকে আহি মলম লগাই দিয়া মনত পৰিছিল। ৰাতি শুৱাৰ সময়ত তাৰ ওচৰত বহি মূৰ মোহাৰি থকা তাৰ মনত পৰিছিল। চকুৰে যেন তাৰ অশ্ৰুৰ নদী বৈ আহিছিল। সি আৰু থিয় হৈ থাকিব নোৱাৰিলে। কাষৰে দৰ্জাখনত ধৰি দিলে আৰু মাকৰ ওচৰত কোলাত মূৰ থৈ ক'লে — "মা মোক ভালপোৱা পৃথিৱীৰ সকলোতকৈ ভাল মানুহজনৰ মাত শুনিব নাপাওঁ আৰু। দেউতা গ'ল যদিও সঁচা অৰ্থত ভাল পাব শিকাই গ'ল।"

■

*"Well done is better than well said."* - ***Benjamin Franklin***



# জীৱন বনাম প্ৰেম

**ৰাহুল ৰাভা হাকাচাম**
স্নাতক ষষ্ঠ যান্মাসিক (কলা শাখা)

হেপাহবোৰ হুঁমুনিয়াহত
তোমাৰ চুলিত ফাগুন নামে
তুমি অকৰা ..............

— ইতি মোৰ প্ৰেমিকা।। উপৰোক্ত কবিতাটো ৰিতুই একে উশাহতে পঢ়ি পেলালে। মন গ'লেই হ'ল তাই কেতিয়াবা স্কুললৈ যাব নোৱাৰিলে পুৰণি বাতৰি কাগজ এখন উলিয়াই ভৰ্ ভৰাই পঢ়ে। আৰু ৰোমান্টিক কবিতাৰ জোৱাৰ তোলা কবিবোৰৰ কবিতা পালেতো কথাই নাই চাৰি-পাঁচবাৰ চিঞৰি চিঞৰি পঢ়ে। সেইদিনা দেওবাৰ তাইৰ স্কুল বন্ধ। পুৰণি আলমাৰিটো উলিয়াই এখনি বাতৰি কাকত কোনোমতে মেলিলে আৰু পাঠ লুটিয়াই লুটিয়াই হঠাৎ চকু দুটা ডাঙৰ কৰি থতমত খাই কলে অ......! মা এইটোচোন আমাৰ প্ৰণৱ দাৰ কবিতা বিছনাত জাপমাৰি একে উশাই পঢ়ি পেলালে "তই আহিবিচোন সোঁণ জনী" লাইনটো যেন তাই কপি কৰিয়েই পেলালে-।

৯.০০ বাজিল মানেই স্কুলৰ ঘণ্টাৰ কঁপনি। ৰিতু ল'ৰালৰিকৈ কোনোমতে আহি পালে সেইদিনা। বেছ ওখ পাখ এজনী বৰ মৰম লগা ছোৱালী তাই মাক দেউতাকৰ একমাত্ৰ মৰমৰ। ড° উমেশ বৰুৱাৰ একমাত্ৰ কন্যা সন্তান। স্কুলত তাইক Miss R.B বুলিয়েই চিনি পাও। ল'ৰাবোৰৰ চকুত তাই সপোন আকেঁ। সময় ১১.৩০ বুধবাৰ, তাইক যেন পিছফালৰ পৰা এখন অচিনাকী হাতে খুউব জোৰকৈ টানি আনিছে। তাই ঘূৰি চাই গ'ম পালে সেয়া আনকোনো নহয় তেওঁৰ বন্ধু প্ৰীতম দুৰৰা। বেছ ওখ-পাখ চেহেৰাৰ এজন পাহুৱাল ডেকা প্ৰীতম। চকুত প্ৰেম সিঁচিব পৰা সোণৰণীয়া চকু তাৰ। "অক্ক প্ৰীতম তুমি কোৱা চোন কিয় মাতিলা মোক"—

প্ৰীতমঃ এনেই আৰু মন গ'ল বেয়া পালা নেকি অ! Sorry ! I am So sorry" (প্ৰীতম দুৰৰাৰ কণ্ঠস্বৰ ভাঁহি উঠিছিল)

ৰিতুঃ আৰে বাবা কিয় বেয়া পাম, তাতে তোমাক হ'বই নোৱাৰে জানা...!

প্ৰায় আধাঘণ্টা গুছি গৈছিল। সেইদিনা দুপৰীয়াৰ ঘণ্টা পৰাৰ সময় শুনা গ'ল— আৰু তিনি মান বজাত শুই পৰিল ৰিতু ঘৰলৈ আহি....। ইফালে প্ৰীতম দুৰৰাৰ চকুত যেন কেৱল ৰিতু..... ৰিতু ..... ৰিতু ......! বসন্তত যৌৱনা ফুলা হৃদয়ত ৰিতুৰ ঠিকনা বিচাৰি যাব যেন.... প্ৰীতম দুৰৰা । এনেকৈ লাহে লাহে পাৰ হৈছিল সিহঁতৰ সম্বন্ধ আৰু হৈছিল গৈ প্ৰেমৰ সিদ্ধান্ত। ইফালে মাতাল হৈ ঘূৰি ফুৰিছিল ৰিতুৰ নামত মদ ভাঙ শুহি ফুৰা দিগন্ত। যিমান বাৰেই প্ৰস্তাৱ দিয়ে সিমানেই আঘাত সানে ৰিতুই দিগন্তক....।

দিগন্ত ঃ Who is the Lucky Boy.....? কোন কোন?
মোৰ Proposel নাকচ কৰে তাই ইমান সাহস
অই...! প্ৰীতম উৰুৱাই দিম তোক চাল্লা মোৰ পৰা
আঁতৰি যা ......... আঁতৰি যা.........

পিছদিনা দিগন্ত Full Speed ত 80 বায়ু বেগেৰে আহি ঘপকৈ ৰৈ গ'ল প্ৰীতম আৰু ৰিতুৰ ওচৰত। ৰিতু চিঞৰি উঠিল।

ৰিতু ঃ অই ......... মোৰ তোমাৰ লগত কথা পতাৰ তেনে কোনো ইচ্ছা নাই গতিকে মোক আমনি নিদিবি।

দিগন্তই হুপিহুপি চিগাৰেট এটা খাই আকৌ বায়ু

বেগেৰে উভতি গ'ল। হেপি বাৰ্থদে প্ৰীতম যেন দৌৰি আহিল— ৰতন অলকেশ আৰে তোমাৰ বাৰ্থডে নেকি....? মোক কোৱা নাই যে

ৰিতু ঃ তুমি ছাগে মোক বেয়া পোৱা নেকি প্ৰীতম?

প্ৰীতম ঃ আহিবা আজি সকলোকে মাতিছো মোৰ ঘৰলৈ জয়া, পম্পীহঁতো আহিব, আহিবা আজি আমি দুয়ো কথা পাতিম বুজিলা।

ৰিতুঃ (এটা লাজকুৰীয়া হাঁহিৰে) হ'ব দিয়া।

সকলোৱে প্ৰীতমৰ ঘৰত চাহ মিঠাই খাই গুছি গ'ল কিন্তু ৰিতু আহি পোৱাহি নাই। এক উত্তেজনাত লাল কাল প্ৰীতমৰ মুখ হাত ভৰি। সেই সময়তেই আহি পালে দিগন্ত।

প্ৰীতম ঃ আৰে দিগন্ত তই আহিছ? দে ব'হ? ভাল নে তোৰ

দিগন্ত ঃ (এটা কুৎচিৎ হাঁহিৰে) আছো দিয়া

প্ৰীতমঃ আঁহ ! মোৰ ৰুমতে বহিবি।

দিগন্ত ঃ সোমাই গ'ল সি ঘৰটো চকুফুৰাই কোনোমতে বিছনাখনত বহি ল'লে।

ইফালে বাহিৰত ৰিতুৰ চিঞৰ প্ৰীতম..... প্ৰীতম .....! প্ৰীতম দৌৰি আহি ৰিতুক আহ্ আহ্ ইমান দেৰি কৰিলা মই ভাবিছেলো তুমি নাহিবাই নেকি.......!

ৰিতুক হাতত ধৰি প্ৰীতমে তাৰ ৰুমলৈ লৈ গ'ল। কাৰেণ্টৰ চাকিটো হঠাৎ নুমুৱাই গ'ল মাথো ৰিতুৰ এটা সৰু চিঞৰ আহ প্ৰীতম I lv u মই মৰিলো.......! প্ৰীতমে খেপিয়াই খেপিয়াই বিচাৰি পালে ৰিতুক প্ৰেমৰ সেন্দুৰ ৰিতুৰ পেটত এখন চোকা চুৰিৰ হাতিয়াৰ.....! তেজেৰে লুতুৰি পুতুৰি হৈ মজিয়াত ঢলি পৰিল ৰিতু লগে লগে দিগন্তই নিজেই চিঞৰি উঠিল হাঁ হাঁ মিষ্টাৰ প্ৰীতম দুৰ্বৰা গুদ বাই "জীৱন বনাম প্ৰেম" তই মোক মাফ কৰি দিবি !! ■

*"Success is a journey, not a destination."* ***- Ben Sweetland***

# ভিত্তিহীন অহংকাৰ

**হিমাংশু হাজৰিকা**
স্নাতক চতুৰ্থ যান্মাসিক (বিজ্ঞান শাখা)

সুস্মিতা এজনী ধনী ঘৰৰ ছোৱালী, যেনেকৈ তাইৰ ঘৰখন আঢ্যৱন্ত, ঠিক তেনেকৈ তাইৰ অহংকাৰো আছে। ৰক্তিম তাইৰ কলেজৰে এজন ৬ষ্ঠ যান্মাষিকৰ ছাত্ৰ আৰু সুস্মিতা চতুৰ্থ যান্মাষিকৰ ছাত্ৰী। এদিন দুদিন কৈ তাৰ সুস্মিতাৰ লগত চিনাকী হ'ল। যদিও তাইৰ পৰা ব্যৱহাৰ কিছু বেয়া পালে তথাপিতো ৰক্তিমে একো নকয় তাইক। কাৰণ সি তাইক মনে মনে ভাল পায় কিন্তু খুলি ক'ব পৰা নাই। কিন্তু সি তাইক বহুত ভাল পায়। এনেতে মনতে সি ভাবিলে, সি দুখীয়া ঘৰৰ ল'ৰা, তাই যদি তাক একো নাই বুলি হাঁহে। চাকৰি-বাকৰি একো নাই বুলি যদি হাঁহে। সেয়েহে সি তাইক মনে মনে ভাল পায়োও থাকিল আৰু চাকৰিৰ সন্ধানতো থাকিল।

এদিন আহিল সেই ভাল খবৰটো, তাৰ চাকৰি হৈছে এটা কোম্পানীত। তাৰ পিছত সি ভাবিলে এতিয়া সি ভালপোৱাৰ কথা প্ৰকাশ কৰিব পাৰিব সুস্মিতাৰ আগত। বহু আশাৰে ৰৈ আছিল সি এই দিনটোৰ বাবে। অৱশেষত সি সুস্মিতাক লগ ধৰি ভালপোৱাৰ কথা ক'লে কিন্তু কি আচৰিত— তাই তাক কলে যে সি এমাহত যিমান দৰমহা পাই সেইখিনি তাইৰ বিউটি পাৰ্লাৰতেই যাব, বিমুখ হ'ল ৰক্তিম, সপোনবোৰ ভাঙি চুৰমাৰ হ'ল। জীৱনত আৰু কোনো ছোৱালীৰ প্ৰেমত নপৰাৰ সিদ্ধান্ত ল'লে।

ইফালে, সুস্মিতাৰ দেউতাকে এগৰাকী ধনী ঘৰৰ লৰাৰ লগত তাইৰ বিয়া থিক কৰিলে। তাৰ নাম সুজিত। বিয়া হৈ গ'ল। সুখৰ সংসাৰ সিহঁতৰ।

প্ৰায় দুবছৰৰ পিছত, সুস্মিতা আৰু সুজিত এদিন বজাৰলৈ গৈছিল। সুজিতে সুস্মিতাক অলপ সময় ৰ'ব দি কিবা আনিবলৈ অলপ দুৰলৈ গ'ল। এনেতে তাই লগ পালে ৰক্তিমক আৰু ক'লে— মোৰ স্বামী এজন ইঞ্জিনিয়াৰ, তেওঁৰ দৰমহা মাহেকত ৮০,০০০ টকা। এতিয়া আপুনি কওঁক মই আপোনাৰ লগত বিয়া নহৈ ভাল কৰিলো নে বেয়া কৰিলো? আৰু কিবা ক'ব খোজোতেই সুজিত আহি পালে আৰু ৰক্তিমক মাতিলে সুজিতঃ "ছাৰ আপুনি ক'ৰবালৈ যায় নেকি?"

এনেকে অলপ সময় কথোপকথনৰ অন্তত দুয়ো দুয়ো ফালে চাই গুছি গ'ল। আহোতে বাটত সুজিতে সুস্মিতাক সুধিলে—

সুজিত ঃ "তুমি ছাৰক কেনেকে চিনি পোৱা?"

সুস্মিতা ঃ "আমি কলেজত একেলগে পঢ়িছিলো।"

সুজিতঃ "ছাৰে এজনী ছোৱালী ভাল পাইছিল কিন্তু তাই ছাৰক ভাল নাপাইছিল। তেতিয়াৰে পৰা ছাৰে বিয়াই পতা নাই। তেওঁ আমাৰ কোম্পানীৰ মুৰব্বী। তেওঁ দৰমহা মাহিলী ২ লাখ টকা। আৰু কিবা কোৱাৰ আগতে তাইৰ দুগালেৰে চকুলো বাগৰি আহিলে আৰু কান্দি পেলালে। সুজিতক তাই সকলো কথা বিৰৰি ক'লে। ■

*(বি.দ্ৰ. জীৱন খন্তেকীয়া অহংকাৰৰ কোনো মূল্য নাই এই জীৱনত। সময়েই সৰ্বশ্ৰেষ্ঠ বিচাৰক, সমালোচক।)*

# এক আধৰুৱা প্ৰেম

**ৰাহুল বসুমতাৰী**
স্নাতক তৃতীয় যান্মাসিক (বাণিজ্য শাখা)

দিনৰ বাৰ বাজি বিশ মিনিট হৈছে। বিচনাৰ পৰা হঠাৎ সাৰ পাই উঠিল সি। আজি ৰীতাৰ বি.এ. ৰ শেষ পৰীক্ষা আছিল। আৰু আজিৰ দিনটোতেই সি পাহৰি থাকি শুই থাকিব লাগেনে। ৰীতাই বা কি ভাবিছে তাক! নিজৰ ওপৰতেই খং উঠিল তাৰ। তাৰ এইটো ভাবি খং উঠিল যে ৰীতাই তাক এবাৰো কিয় ফোন নকৰিলে। ম'বাইলটো চালে সি! ১৯ টা মিচ ক'ল, ১০ টা মেছেজ জমা হৈ আছে ৰীতাৰ। উঠিলানে, এতিয়াও উঠাই নাই নেকি। চাহ খালানে ইত্যাদি ইত্যাদি বোৰ লিখা আছিল মেছেজ বোৰত। গোটেই দোষ তাৰেই গাত। সিনো শুই থাকিব লাগেনে এনেকে। কথাবোৰ ভাবি ভাবি ম'বাইলটো টেবুলত থৈ গা ধুই ৰীতাৰ কলেজলৈ বুলি গ'ল সি।

**দৃশ্য - ২**

ঃ হেল্ল !

ঃ হেল্ল !

ঃ ৰীতা শুনাছোন। ৰীতা ..........

ঃ শুনা মানস, মোৰ সময় নাই। অহা মাহৰ ১২ তাৰিখে মোৰ বিয়া আছে। আহিবা।

টৌ............. টৌ............ টৌ............

**দৃশ্য - ৩**

দৰা অইল ইণ্ডিয়াত চাকৰি কৰে। দেখাত চকুত লগা নহ'লেও তাইৰ লগত মিলিব। দৰা আহি কইনাৰ ঘৰ পাবহিয়েই আৰু। তাইয়ো সাজি কাছি ইতিমধ্যে তৈয়াৰ হৈছেহিয়েই আৰু। ঠিক তেনেতেই পদূলি মুখত এক হুলস্থুলিয়া পৰিৱেশৰ সৃষ্টি হৈছে। কোনোৱাই কোৱা তাইৰ কাণত পৰিল। "নাবাছিব চাগে। বৰ বেয়াকৈ এক্সিডেণ্ট হৈছে।" নিজকে সংযম কৰিব নোৱাৰি এক প্ৰকাৰৰ দৌৰি অহাৰ দৰেই আহিল তাই। থুপ খাই থকা মানুহবোৰৰ মাজেৰে তাইয়ো আহি পৰি থকা মানুহ জনলৈ জুলি চালে। এয়া এয়া কি দেখিছে তাই। পাঁচ বছৰেই তাই যাৰ লগত সম্পৰ্কত আছিল, যাৰ লগত পাঁচ বছৰেই ফাগুণৰ আবেলিত বৰলুইতৰ পাৰত বহি ভৱিষ্যতৰ সপোন দেখিছিল, যাক তাই এসময়ত বহুত ভাল পাইছিল আৰু যাৰ লগত তাই প্ৰায় এবছৰ আগতে সম্পৰ্ক ছেদ কৰিছিল সেই মানুহজন দেখোন তেজেৰে লুতুৰি-পুতুৰি হৈ মাটিত ঢলি পৰি আছে। নজনাকৈয়ে তাইৰ মুখৰ পৰা জোৰকৈ দুযাৰ মাত ওলাই আহিছিল— "মানস! মানস!!" অজ্ঞান হৈ মানসৰ দেহৰ ওপৰত তাই ঢলি পৰিছিল।

তাইৰ পুৰণা প্ৰেমিকে তাৰ মনৰ মানুহজনীৰ বিয়াত আশীৰ্বাদ এটা দিব গৈছিল।। ■

*"I praise loudly; I blame softly."* ***- Queen Catherine II***

# মানৱতাৰ অৱগমন

**অংকুৰ জ্যোতি শৰ্মা**
স্নাতক চতুৰ্থ যান্মাসিক (কলা শাখা)

"মানুহ সমাজপ্ৰিয় জীৱ। মানুহে সু-শৃংখল ভাৱে জীৱন-যাপন কৰিবলৈ সমাজৰ আৱশ্যক হয়। সমাজত মানুহে একে লগে মিলিজুলি বসবাস কৰিব লাগে। ওচৰ-চুবুৰীয়া লগত কাজিয়া পেচাল কৰিব নালাগে। বিপদত এজনে আন এজনক সহায় কৰিব লাগে ইত্যাদি ইত্যাদি............।"

নিখিলে নিজৰ মমোৰ দোকানখনত দুপৰীয়া অকলশৰে বহি সৰুতে স্কুলত পঢ়া এই কথাবোৰ মনে মনে ভাবি আছিল। বহু ভিতৰুৱা, পিছপৰা গাঁৱৰ পৰা সি চহৰখনলৈ আহিছিল। চহৰত এটা সৰু ভাৰাঘৰত সি আৰু তাৰ দেউতাকে কোনোমতে দুবেলা দুমুঠি অৰ্জন কৰি বাস কৰিছিল। সি এখন সৰু মমোৰ দোকান দিছে। আনহাতে তাৰ দেউতাকে সৰু সুৰা হাজিৰা কৰে। কিন্তু সিহঁতে বহু বছৰ আগতে গাওঁত বাস কৰা সময়ত স্বচ্ছল জীৱন যাপন কৰিছিল। তাৰ এতিয়াও মনত পৰে সি সৰু থাকোতে তাৰ ভায়েকৰ লগত কেনেদৰে খেলা-ধূলা, পঢ়া-শুনা আদি কৰিছিল। সিহঁতে একেলগে উমলিছিল, একেলগে পৰিয়ালৰ আটাইকেইটা প্ৰাণীয়ে খোৱা-বোৱা কৰিছিল। দেউতাকে খেতি পথাৰত গ'লে সিও স্কুলৰ পৰা আহি স্কুলবেগটো দলিয়াই থৈ লৰালৰিকৈ ভাত কেইটামান নাকে কাণে গুজি খেতি পথাৰলৈ দৌৰ মাৰিছিল। খেতি পথাৰত বোকা মাতি লুতুৰি-পুতুৰি হৈছিল। ৰাতি পঢ়া টেবুলত টোপনিত লালকাল হওঁতে মাকে তাক মৰমতে দাঙি নি ভাত খুৱাই দিছিল।

বাহ্ কি যে দিন আছিল সেইবোৰ। সোণোৱালী সময় আছিল, দুখ কষ্ট একোৱেই নাছিল। কিন্তু আজি যেন সেইবোৰ একোৱেই নাই। আজি যেন তাৰ জীৱন দুখৰ চাকনৈয়াত সোমাই পৰিছে, সি যেন জীৱনৰ বাট বিচাৰি পোৱা নাই। হঠাৎ তাৰ বন্ধু ৰিতমৰ মাতত তাৰ সম্বিৎ ঘূৰি আহিল। এৰা বন্ধু ৰিতম, সিয়েই তাৰ একমাত্ৰ বন্ধু, প্ৰকৃত বন্ধু, ক'ব গ'লে প্ৰকৃত বিশ্বাসী বন্ধু যাৰ ওপৰত সি ভৰসা কৰে, তাৰ মতে ৰিতমেই 'বন্ধু' শব্দটোৰ উৎকৃষ্ট উদাহৰণ।

"কি হ'ল কি ভাবি আছ, কাৰোবাৰ ঠগন খালি নেকি, কোনোবাই পইছা দিয়া নাই নেকি?" ৰিতমৰ গতানুগতিক প্ৰশ্ন। "নাই অ' আজি চোন সেই সোণোৱালী ঘৰখন, সেই জীপাল গাওঁখনলৈ বৰকৈ মনত পৰিছে। কিয়বা?" নিখিলৰ উত্তৰ।

হয় সেই গাওঁখন সঁচাই আছিল তাৰ বাবে অতিকৈ মৰমৰ অতিকৈ চেনেহৰ অতিকৈ আপোনৰ। কিন্তু তাৰ মানুহখিনিয়ে যেন নিখিলৰ লগত বিশ্বাসঘাত কৰিলে। চোকা অতিকৈ ধাৰযুক্ত এখন চুৰীৰে কৰা আঘাততকৈ যেন বেছি আঘাত দিলে তাৰ কোমল অন্তৰখনত।

অইন দিনাৰ নিচিনাকৈ সেই দিনটোও মধুৰ আছিল তাৰ বাবে অথচ দিনটো শেষ হোৱালৈ অভিশপ্ত হৈ পৰিছিল তাৰ বাবে। আচলতে তাৰ গাওঁত এজন বাবা আহিছিল। বাবা মানে এজন সন্ন্যাসী। ৰামায়ণ, মহাভাৰতত বৰ্ণনা কৰা অনুসাৰে এজন গেৰুৱা বসন পৰিহিত, দাড়িৰে ভোবাকাৰ মুখমণ্ডল, হাতত কমণ্ডলু লোৱা, খৰম পৰিহিত সন্ন্যাসী। গাওঁৰ সকলোৱে সেই সন্ন্যাসীজনক ভগৱানৰ দৰে পূজা

কৰিছিল। তেওঁক সহায় খোৱা বোৱাৰ যোগান ধৰিছিল, তেওঁৰ থকাৰ বাবে আবাস নিৰ্মাণ কৰিছিল। সেই সন্ন্যাসীজনৰ দুজন অনুগামী আছিল। কিন্তু সেই সন্ন্যাসীজনৰ ক'লা অধ্যায়ৰ বিষয়ে কোনোৰে গম পোৱা নাছিল। সি আগতে বহু ঠগ, প্ৰৱঞ্চনা, হত্যা, হিংসা আদিত জড়িত হৈ আছিল। বহুবাৰ কাৰাগাৰৰ পৰা পলাই ছদ্মৱেশ ধৰি মানুহৰ বিশ্বাস আদায় কৰিছিল। পিছত সেই মানুহৰে লগত বিশ্বাসঘাটকতা কৰি লুটি লৈ গৈছিল।

কিন্তু নিখিলৰ গাওঁৰ মানুহবোৰক সি ভুলাব পৰা নাছিল। সেয়ে এটা বেলেগ কৌশল অৱলম্বন কৰিছিল। সি প্ৰচাৰ কৰি দিলে যে নিখিলহঁতৰ গাওঁখনত ডাইনীৰ প্ৰকোপ পৰিছে। যাৰ ফলত গাওঁত অসূয়া অংগল বৃদ্ধি পাইছে। ডাইনী সন্দেহত ভুক্তভোগী হ'ল নিখিলহতৰ ঘৰখন। বাবাৰ নিৰ্দেশত নিখিলৰ মাকক গাওঁৰ মানুহে ডাইনী সজাই ধৰি লৈ আহিল, বিভিন্ন অত্যাচাৰ কৰা হ'ল তেওঁক। যাৰ ফলত নিখিলৰ মাকে মৃত্যুক সাৱটিব লগা হ'ল। সেই সুযোগত বাবা আৰু তেওঁৰ অনুগামী দুজনে নিখিলৰ ঘৰত লুটপাত চলালে। তাৰ একমাত্ৰ মৰমৰ ভায়েকক অপহৰণ কৰি নিলে। নিখিল আৰু তাৰ দেউতাকে কোনোমতে পলাই চহৰলৈ আহিল। বহুদিন অনাই-বনাই, অনাহাৰে ঘূৰাৰ পিছত যেনিবা তেওঁলোকে এজন সুহৃদবান লোকৰ সহায়ত এখন মূৰৰ ওপৰত চালি পালে। আৰু সেইজন মানুহৰে কৃপাত জীৱিকাৰ এটা সন্ধান পালে।

এতিয়া সি সেই তাৰ জীৱিকাৰ একমাত্ৰ সম্বল মমোৰ দোকানখনতে বহি গ্ৰাহক নথকাৰ সময়ত অতীতৰ স্মৃতিবোৰ ৰোমন্থন কৰে। সি ভাবে সমাজত এনকুৱাও মানুহ থাকিব পাৰে যিয়ে আনক কষ্ট দি প্ৰৱঞ্চনা কৰি ভাল পায়। আকৌ সেইবোৰ মানুহেই দেশৰ শাসনত অধিষ্ঠিত হয়। সি ভাবে সমাজৰ অৱনতিৰ বিষয়ে মানুহৰ মাজৰ পৰা হেৰাই যাব ধৰা মৰম, বিশ্বাসৰ বিষয়ে। নিজৰ স্বাৰ্থৰ বাবে আনক অপকাৰ কৰিবলৈ কুণ্ঠাবোধ নকৰা জীৱশ্ৰেষ্ঠ মানুহৰ বিষয়ে। হায় মানৱতা।

*"Your imagination is your preview of life's coming attractions."* ***- Albert Einstein***



# মৌচুমী, মৌচুমী নাম তাইৰ

**ৰাহুল বসুমতাৰী**
স্নাতক দ্বিতীয় ষান্মাসিক (বাণিজ্য শাখা)

শাৰী পাতি আছিলো। গৰমত একেবাৰে অসহ্যকৰ লাগিছিল। এপলকত লাগিছিল ফ্ৰম ফিলাপ এৰি গুচি আহিম নেকি। গৰমত খঙে ৰাগে চুলিৰ আগ পাইছিলগৈ। এনেতে এজাক পচোৱাই অফিচৰুমৰ কৰিদৰত খুন্দাইছিল। হঠাতে তাইলৈ চকু গ'ল মোৰ। তায়ো মোৰ দৰেই গৰমত ইচাত বিচাত কৰিব ধৰিছিল। সুন্দৰ সুঠাম দেহাৰ ভাজে ভাজে নিগৰিছিল এধান মান ঘাম। কি সুন্দৰ চকু, বিতচকুজুৰীয়ে আৰু বেছিকৈয়ে সুন্দৰ কৰি তুলিছিল তাইৰ চকুযুৰিক। নাকটো জোখতকৈ সামান্য দীঘল। ওঁঠত হয়টো গুলপীয়া ৰঙৰ প্ৰলেপ সানিছিল। কঁপালৰ মাজৰ কলা ফুটতো তাইক সঁচাকৈয়ে চকুত লগা কৰি তুলিছিল। তাই ছোৱালীৰ শাৰীত আৰু মই ল'ৰাৰ শাৰীত থিয় দি আছিলো। তাইক লুকাই লুকাই চোৱাৰ প্ৰায়েই প্ৰয়াস কৰিছিলো। তাইৰ চকুযুৰিয়ে মাজে সময়ে ধৰা পেলাইছিল। লাজত ৰঙা চিঙা পৰিছিল তাই। অৱশেষত মই ফ্ৰম জমা দিছিলো। গৰমৰ বাবে সেইদিনা সোনকালেই ৰুমলৈ গুচি আহিছিলো। সেয়াই আছিল তাইক প্ৰথম দেখা। অৱশ্যে মাজে সময়ে তাইক লাইব্ৰেৰীত দেখিছিলো।

এনেকৈয়ে বাগৰিছিল দিনবোৰ। তাই বেলেগ শাখাৰ আৰু মই বেলেগ শাখাৰ। সেই বাবেই হয়টো কলেজৰ সময়ত তাইৰসৈতে দেখা দেখি খুব কমেই হৈছিল। ক্লাছ অফ থকা সময়খিনিত মোৰ চকুযুৰিয়ে তাইক বাৰুকৈয়ে বিচাৰি ফুৰিছিল যদিওঁ বিচাৰি পোৱা নাছিল। খুব কমেই তাইক দেখিছিলো। কেতিয়াবা ৰে'ল লাইনৰ কাষত নতুবা কলেজৰ গেটত। কেতিয়াবা তাইক লগ পোৱাৰ আশাৰে বাছষ্টেণ্ডত ৰৈ থাকিছিলো। কিন্তু তাইৰ সৈতে কথা পতাৰ সুযোগ পোৱা নাছিলো।

লাহে লাহে ক্লাছ শেষ হৈ আহিছিল আৰু পৰীক্ষা আৰম্ভ হৈছিল। দেখা দেখি কমি আহিছিল। তাইৰ নামটোও জনা নাছিলো আনকি তাই কোনটো শাখাৰ সেইটোও গ'ম পোৱা নাছিলো। তেনেতে এদিন হঠাৎ সেই সুযোগটো আহিল। সেইদিনা আমাৰ পৰীক্ষা আছিল আগবেলা। আৰু তাইৰ পৰীক্ষা আছিল পিছবেলা। পৰীক্ষা শেষ কৰি মই লগৰ কেইজনৰ লগত বাছষ্টেণ্ডৰ ফালে আহি আছিলো। তাই বাছৰ পৰা নামি কলেজৰ ফালে আহি আছিল। উলাহতে তাইক দেখি তাইৰ পিছ লৈছিলো। তাই ঘূৰি চাইছিল মোলৈ। মই তাইৰ চকুৰ পৰা সাৰিবলৈ চেষ্টা কৰিছিলো কিন্তু তাইৰ চকুজুৰীয়ে মোক প্ৰত্যেক বাৰেই ধৰা পেলাইছিল। লাজত নে ভয়ত মোৰ বুকুৰ ধপধপনি হঠাতে বাঢ়ি গৈছিল। তথাপিতো তাইৰ পিছা কৰিছিলো। তাই ইতিমধ্যে কলেজৰ বিল্ডিং পাইছিলগৈ। কিন্তু তাইৰ নাম শুধাৰ সাহস তেতিয়াওঁ মোৰ হোৱা নাছিল। তেনেতে হঠাৎ তাইৰ বান্ধৱীয়ে তাইক মাতা শুনিছিলো। নামটো শুনি মই বলীয়া হৈ পৰিছিলো। কি ধুনীয়া নাম তাইৰ। নামটো যেনেই ধুনীয়া, দেখিবলৈও তেনেই সুন্দৰ। মৌচুমী, মৌচুমী আছিল তাইৰ নামটো। নামটো যেনিবা গ'ম পালো কিন্তু তাইৰ উপাধিটোহে গ'ম পোৱা নাছিলো।

সেইদিনাৰ পৰাই ফেচবুকত বিচাৰি আছো তাইক। কিন্তু পোৱা নাই। তাইৰ সৈতে কথাপতাৰ সাহস এতিয়াও হোৱা নাই। মৌচুমী, মৌচুমী নাম তাইৰ। ■

# জীৱনৰ এটা দিন

**দেৱপ্ৰতীম তালুকদাৰ**
স্নাতক দ্বিতীয় যান্মাসিক (বিজ্ঞান শাখা)

আজি ২৭ মে' ৰাতিপুৱা ৯ বজাত আমি কলিকতাৰ বিভিন্ন ঠাই চাবলৈ ওলালো। পোন প্ৰথমে গাড়ীত বহি AC অন কৰি কলিকতাৰ কালি মন্দিৰলৈ ওলালো। ৯.৩০ বজাত আমি কালি মন্দিৰত উপস্থিত হ'লো। বাহিৰৰ পৰা কোনো বিশেষ মন্দিৰ যেন নালাগে। মন্দিৰৰ ফালে খোজ আৰম্ভ কৰিব লওতে আহিল এজন পাণ্ডা আৰু ক'ব ধৰিলে তেওঁ হেনো আমাক গোটেই মন্দিৰ দৰ্শন কৰাব, তাৰ বিনিময়ত আমি নিজ ইচ্ছামতে তেওঁক যি টকা দিম তাতে তেওঁ সন্তুষ্ট হ'ব। প্ৰথমে তেওঁ এখন দোকানৰ পৰা প্ৰসাদ স্বৰূপে কিছু মিঠাই ল'ব দিলে আমিও ল'লো। তাতে চেণ্ডেলবোৰ থব দিয়াত আমি তাত চেণ্ডেলবোৰ থৈ আহিলো। তাৰ পিছত পাণ্ডাজনে আমাক ক'লে ভিতৰত বহুতো পকেটমাৰ থাকে সেয়ে সাৱধান হ'ব ক'লে। তাৰ পিছত মোক জনালে যে গেট পাছ হিচাপে ১০০ টকা দিব লাগিব। সেয়ে মই ১০০ টকা উলিয়াই পাণ্ডাজনক দিলো। তাৰ পিছত মই দেখিলো কোনো গেট পাছ নাই পাণ্ডাজনে ১০০ টকাটো নিজৰ জেপত ভৰালে। তাৰ পিছত ঠেলি হেচি কিবাকৈ মন্দিৰৰ ভিতৰত সোমালো, তাত ক'লে যি দান দিম হাতত ল'ব মইও হাতত টকা অলপ উলিয়াই ল'লো। তাত থকা মানুহ এজনে টকাখিনি ল'লে আৰু এনেকৈ মানুহ বিলাকক বাহিৰ কৰি দিয়ে যেন মানুহবোৰে তাত কিবা চুৰ কৰিবহে গৈছে। তাত অসুস্থ-সুস্থ বুলি কাকো চোৱা নাই। তেতিয়াই যি শ্ৰদ্ধাসহকাৰে মন্দিৰত প্ৰৱেশ কৰিছিলো সকলো নাইকিয়া হৈ গ'ল। তাৰ পিছত আকৌ এটা ঠাইত পাণ্ডাজনে প্ৰৱেশ কৰিব দিলে তাত প্ৰৱেশ কৰি দেখিলো বহুত মানুহে আস্থা সহকাৰে মা কালিৰ মুৰ্ত্তিৰ সন্মুখৰ এখন লোহাৰ দুৱাৰত বিভিন্ন ৰঙৰ ধাগা গাঠি দি আছে আৰু সেই মানুহবিলাকে আকৌ তাত থকা পুৰণী ধাগাবোৰ খুলি ল'ব ধৰিছে। তাৰ পিছত আকৌ এঠাইলৈ পাণ্ডাজনে লৈ গ'ল তাত গৈ এটা কাঠ বা শিলৰ খুটাৰ দৰে আছে তাত মূৰটো লগাই সেৱা কৰিব দিলে তাত মই সেৱা কৰি আহিলো। পিছতহে জানিব পাৰিলো সেইটো কোনো মন্দিৰ নহয়। নিষ্ঠুৰ জীৱ বলি দিয়া বলিশাল, যাৰ বাবে বহুত জীৱ-জন্তুয়ে প্ৰাণ হেৰুৱাব লগা হৈ আহিছে। এয়াও এটা প্ৰথা যি নিজৰ শান্তিৰ বাবে কাৰোবাক বলি দিব পাৰে। তাৰ পিছত আহিলো এডাল গছৰ কাষত এটা ঘৰৰ সজাৰ দৰে সাজি থৈছে। আমি দোকানৰ পৰা প্ৰসাদ লওতে মা-কালিৰ বাবে এটা পেকেট ল'ব দিছিল তাত আছিল এখন কাপোৰ সেন্দুৰৰ টেমা এটা আৰু বিভিন্ন সামগ্ৰী। সেইবোৰ দোকানত থাকোতে পাণ্ডাজান আমাক কৈছিল তাত আমি নিজ হাতেৰে সেইবোৰ মা-কালিৰ গাত পিন্ধাই দিম কিন্তু আমি সেইবোৰ গছডালৰ তলত থৈ সেৱা জনাব ধৰিলো পণ্ডাজনে কোৱা মতে। তাত পাণ্ডাজনে ১১০১ টকা দিব ক'লে তেতিয়া আমি দিবলৈ অলপ অপ্ৰস্তুত হোৱা যেন দেখি মা-কালিক দিলে তেওঁ দুখন হাতেৰে আমাক দিব, অৱশেষত আমি টকাখিনি দি দিলো। আৰু আমাৰ পেকেটত নিয়া বস্তুবোৰ তাত থ'বলৈ দিলে আৰু আমাক জনালে সেইবোৰহেনো পিছত পিন্ধাব। তেতিয়া মই দেখিলো যে ১১০১ টকাটো পাণ্ডাজনে নিজৰ জেপত ভৰালে। তাৰ পিছত আমি ওলাই আহিলো চেণ্ডেল থোৱা দোকানৰ ভিতৰলৈ মাতি

নিলে আৰু তাত পাণ্ডাজনে ক'ব ধৰিলে তেওঁক আমি হেনো এখন ধুতি দান দিব লাগে মানে ধুতিৰ টকাটো দিব লাগে। তাত আমি তেওঁক প্ৰথমে ১০০ টকা দিলো তেওঁ ল'বলৈ অমান্তি কৰিলে তেওঁক ৫০০ টকা দিব লাগে বুলি ক'ব ধৰিলে। অৱশেষত আমি তেওঁক ২০০ টকা দিলো তেওঁ মান্তি হোৱা নাছিল যদিও শেষত ল'লে তাৰ পিছত আমি আমাৰ চেণ্ডেলৰ কথাকোৱাত চেণ্ডেলবোৰ এখন বস্তাৰ পৰা এজনী মহিলাই উলিয়াই দিলে আৰু ২০ টকা ল'লে। তাৰ পিছত ওচৰৰ দোকান এখনত বস্তু চাই থাকোতে মোৰ হাতত লাগি এপাত মাটিৰ খাৰু ভাঙি গ'ল দোকানীজনে ক'ব ধৰিলে এজোৰ খাৰুৰ দাম হেনো ১০০ টকা মই ভাঙিলো যেতিয়া খাৰুৰ দামটো দিবই লাগিব সেয়ে তাক ১০০ টকা দি লগতে কলো যে এনেদৰে ঠগাই খোৱা মানুহৰ উন্নতি নহয় আৰু তাৰ খাৰু তাকে দি গুচি আহিলো।

এতিয়া মই ভাবিছো আচলতে তেনেকুৱাই নেকি ডাঙৰ বা বিখ্যাত মন্দিৰবোৰৰ ভিতৰ ভাগ। আচলতে নামত মানুহক লুটি খাব ধৰিছে। তাৰ পৰিৱৰ্তে মানুহে যদি সেই টকাখিনি পথৰ কাষত থকা ভিক্ষাৰী সকলক খাদ্য প্ৰদান কৰে তেনেহ'লে মোৰ মতে মন্দিৰত গৈ তেনেকুৱা কৈ ভক্তি কৰাতকৈ বহুত পুণ্য হ'ব আৰু পথৰ ভিক্ষাৰী সকলে খালি পেটে শুৱ লগাটো নহ'ব। এতিয়া প্ৰশ্ন হয় আমি দি অহা টকাৰ কিমান টকা মন্দিৰ কৰ্তৃপক্ষই পালে আৰু কিমান টকা পাণ্ডাজনৰ জেপত সোমাল? এয়াই হ'ল আজিৰ যুগৰ ধৰ্মীয় অনুষ্ঠানৰ অৱস্থা য'ত ভিতৰত প্ৰৱেশ কৰোতে মানুহে আস্থা সহকাৰে সোমায় আৰু উলিয়াই আহোতে সম্পূৰ্ণৰূপে আস্থা হেৰুৱাই আহিব লগা হয়। ■

> *"Success is never ending, failure is never final."* **- Dr. Robert Schuller**



# গোপণ সেন্দুৰকণ

**কুলদিপ পাঠক**
স্নাতক দ্বিতীয় যান্মাসিক (বিজ্ঞান শাখা)

— বোৱাৰী।

হঠাৎ শাহুৱেক প্ৰমিলাৰ চিঞৰত উচপ্ খাই উঠিল ৰেখা। অত্যাধিক ক্ৰোধ আৰু ঘৃণাৰ ভাৱেৰে প্ৰমিলা দপ্‌দপাই উঠিল,

— ছিঃ ৰেখা! তুমি এগৰকী বিধৱা নাৰী হৈ সিৰত সেন্দুৰ পিন্ধিছা। তুমি জানানে এইখন সম্ভ্ৰান্ত তথা ভদ্ৰ মানুহৰ ঘৰ। ইমান বছৰে বৈবাহিক জীৱন কটাইও তুমি পতিহীনতাৰ সুযোগ লৈ দ্বিতীয় বিবাহৰ মন মেলিছা। ছিঃ! তুমি কিয় পাহৰি গ'লা; যে তোমাৰ এটি ছবছৰীয়া সন্তান আছে। বিধৱা নাৰী হৈও সেন্দুৰ পিন্ধি তুমি গোটেই জাতিটোক অপমান কৰিছা। নাৰী হৈ তুমি সেন্দুৰৰ মূল্য নুবুজানে? তোমাৰ সিৰত সেন্দুৰে শোভা নাপায়। কোনো প্ৰয়োজন নাই এই সেন্দুৰৰ।

এইবুলি একেবাৰে গৈ ৰেখাৰ কপালৰ সেন্দুৰ মছি দি ক'লে, — এইখন ঘৰত থাকিবলৈ হ'লে ভদ্ৰভাৱে থাকিবা। বিধৱা যেতিয়া বিধৱাৰ দৰে থাকিবলৈ শিকা। অন্যথা ওলাই যোৱা এই ঘৰৰ পৰা। তোমাৰ দৰে কুলক্ষণী এজনীক বোৱাৰী কৰি ৰাখি মই মোৰ Status হানি কৰিব নোৱাৰো। বিয়া হৈয়েই দুয়োটা ল'ৰাৰে মূৰ খাই শান্তি ন'হল, এতিয়া ঘৰখনৰ মান-মৰ্যদাও নিলামত দিবলৈ যত্ন কৰিছ।

— মা .......। কিয় তেনেকৈ কৈছে। আচলতে ..........।

— হ'ব, তুমি এতিয়া মোক নীতিশিক্ষা দিব নালাগে। কোনটো আচল, কোনটো নকল মই ভালদৰে জানো। তোমাৰ কথা শুনাটোও এটা পাপ। ছিঃ।

— একো নাজানে মা। ভাবিছিলো কথাবোৰ গোপনে ৰাখিয়েই জীৱনটো কটাই দিম। কিন্তু আপুনি ক'বলৈ বাধ্য কৰালে যেতিয়া ক'ম, সকলোবোৰ ক'ম।

— মানে? তুমি কোনবোৰ কথাৰ বিষয়ে কৈছা?

— এইখন এখন ডাঙৰ জীৱনী মা। মোৰ আৰু অনলদাৰ সংমিশ্ৰিত এক জীৱন কাহিনী।

— তুমি এইবোৰ কি কৈছা! তোমাৰ আৰু অনলৰ......?

— হয় মা। এয়া মোৰ আৰু অনলদাৰ জীৱনৰ এক ৰহস্যময়ী চলন্ত নাটক। এয়া এক সাঁথৰ। যিটো সাঁথৰৰ প্ৰকৃত এন্‌চাৰ উদ্‌ঘাটন কৰাটো ইমান সহজ নহয়।

— তুমি এইবিলাক কি কৈ আছা, মই একো বুজা নাই।

— নুবুজে মা। ইমান সহজত নুবুজে। মা, অনলদাৰ নিৰুদ্দেশৰ মূল উৎস কোন জানে ...............? আপুনি।

— মুখ চম্ভালি কথা ক'বা। তুমি কাৰ আগত কথা কৈ আছা গম পাইছানে? মই মোৰ ল'ৰাৰ নিৰুদ্দেহৰ মূল উৎস!

— যিটো সত্য তাকেই কৈছো মা। অজানিতে হ'লেও নাটকৰ মূল নায়িকা আপুনি। কাৰণ অনলদাৰ অনুভূতিৰ কথা নাভাবি আপুনি নিজৰ স্বাৰ্থ সিদ্ধিতহে গুৰুত্ব দিছিল। শুনক,

আজিৰ পৰা প্ৰায় দহ-বাৰবছৰ আগৰ কথা। সিদিনা মই গাঁৱৰে স্কুল এখনৰ পৰা Higher Secondary পাছ কৰি প্ৰথম কলেজত ভৰি দিছিলো। কলেজত প্ৰথম দিন, তাতে আকৌ বন্ধু -বান্ধৱীও নাই। গতিকে সংকোচ মনেৰে কলেজত সোমালো। কিছুসময় পিছতেই পাঁচজন লৰা আহি মোক ৰেগিঙৰ নামত অশ্লীল কথা শুনালে। সিহঁতৰ কথা-বতৰা, চাল-চলনত মই পৈশাচিক আনন্দ লক্ষ্য কৰিছিলো। ভয়ত মূৰ্চ্ছা যোৱাৰ উপক্ৰম হ'লো। সেইসময়তে এজন ল'ৰা আহি আন ল'ৰা কেইজনক দাবী ধমকি দি তাৰ পৰা আঁতৰাই মোক উদ্ধাৰ কৰিলে।

চিনাকী হ'লো। তেওঁৰ নাম অনল। সেই কলেজত মোতকৈ দুবছৰ চিনিয়ৰ। এনেকৈয়ে আমাৰ প্ৰথম চাৰিচকুৰ মিলন ঘটে। প্ৰথমে বন্ধুত্ব আৰু লাহে লাহে প্ৰেমৰ সম্পৰ্কই ভুমুকি মাৰিলে।

পিছলৈ গম পালো যে মোৰ দেউতা আৰু কাষৰে আন এখন গাঁৱৰ অনলদাৰ দেউতাক ভাল বন্ধু। সেইসূত্ৰে আমি দুয়ো আনন্দ অনুভৱ কৰিছিলো। কাৰণ আমাৰ বিয়া নোহোৱাৰ কোনো প্ৰশ্নই নুঠে। লাহে লাহে বন্ধুত্বৰ কথা দুয়োখন ঘৰে বুজি উঠিল। অৱশ্যে প্ৰেমৰ সম্পৰ্কৰ কথা তিলামাত্ৰও বুজা নাছিল। অনলদাই মোক য'লৈকে যাবলৈ লগ ধৰে মা-দেউতাই নিঃসংকোচে সন্মতি জনায়।

এনেকৈয়ে আমাৰ প্ৰেমৰ মধুৰ সম্পৰ্ক আগবাঢ়ি গৈ থাকিল। প্ৰতিটো পল-অনুপলতে দুয়োৱে দুয়োকে কাষত বিছাৰো। প্ৰতিদিনে আবেলি দুয়ো ওলাই যাওঁ নদীৰ পাৰৰ সেই ঠাইডোখৰলৈ, য'ত গছকেইজোপা আৰু তাত পৰি থকা চৰাইৰ সৈতে এটা সুন্দৰ নিৰিবিলি পৰিৱেশ। অনলদাই নিৰিবিলি পৰিৱেশ ভাল পায়। সেয়ে আমি তালৈ গৈ মনৰ কথা পাতিছিলো। দুয়ো প্ৰতিজ্ঞাবদ্ধ হৈছিলো যে ইজনে আনজনক এৰি কেতিয়াও আঁতৰি নাযাও। অৱশ্যে প্ৰতিজ্ঞাৰ কোনো অৰ্থ নাই। কাৰণ আমি ইজনে আনজনক এৰি সময় কটোৱাটো অসম্ভৱ হৈ পৰিছে।

এদিনাখন কলেজৰ পৰা আন ছাত্ৰ-ছাত্ৰীৰ সৈতে আমিও গৈছিলো। শৈক্ষিক ভ্ৰমণলৈ। তাত হাঁহি-স্ফূৰ্তি কৰি থকাৰ মাজতে অনলদাই মোক তাত থকা মন্দিৰটোত আজিয়েই দুয়োৰে বিয়াখন পতাৰ প্ৰস্তাৱ দিছিল। অতিমাত্ৰাই আচৰিত হৈছিলো মই। এনেকুৱা এটা কথা আজিয়েই শুনিব লাগিব বুলি মই প্ৰস্তুত নাছিলো। মই ভয় খোৱাত তেওঁ মোৰ ওচৰত সংকল্প লৈছিল যে পঢ়াশুনা শেষ কৰি কৰ্মসংস্থাপন নোপোৱালৈকে কথাবোৰ সকলোৰে পৰা গোপনে ৰাখি আগৰ দৰে বন্ধুৰূপে থাকিব। উপায়বিহীন হৈ অনলদাৰ কথাত সন্মতি জনাবলৈ বাধ্য হৈছিলো মই। সেই শুভ লগনতে হোমাগ্নিক সাক্ষী কৰি অনলদাই মোৰ সিৰত সেন্দুৰ পিন্ধাইছিল। অনলদাৰ মোৰ প্ৰতি থকা ভালপোৱাক সন্মান জনায় মই সিদিনাৰ পৰা গোপনে সিৰত সেন্দুৰ পিন্ধিবলৈ আৰম্ভ কৰিছিলো।

এনেকৈয়ে অতিবাহিত হৈছিল মধুৰ দিনবোৰ। মাজে-সময়ে অনলদাই মোৰ সিৰৰ সেন্দুৰ চুই সংকল্পবদ্ধ হৈছিল, যে দুয়োকে কোনো শক্তিয়ে পৃথক কৰিব নোৱাৰে। পৃথিৱী ওলট্-পালট্ হ'লেও আমাৰ মিলন নিশ্চিত।

এদিনাখন আগৰ দৰে তেওঁ মোৰ হাতত হাত থৈ কৈছিল,

— ৰেখা । মই যি কওঁ তুমি ৰাখিবা ?

— কি কোৱা অনলদা। তোমাৰ প্ৰত্যেকটো কথাই মই আখৰে আখৰে পালন কৰিম।

— যদি মই তোমাক আত্মহত্যা কৰিবলৈ কওঁ ?

— কোৱা ! মই হংাহিমুখে আত্ম বলিদান দিম। কিন্তু তুমি জানো মোক তেনেকৈ কব পাৰিবা ?

মই তেওঁৰ দুচকুলৈ লক্ষ্য কৰি অজান আশংকাত সিয়ঁৰি উঠিছিলো। কিবা এক ভয়াবহ বিপদৰ আগজাননী পাইছিলো অনলদাৰ মুখমণ্ডল। তেওঁৰ তেজাল বুদ্ধিদীপ্ত চকুহাল সেমেকি উঠিছিল। মই নেদেখাকৈ ৰুমালেৰে চকুযোৰ মোহাৰি পিছমূহুৰ্তত হাঁহি কৈছিল।

— যদি তাতকৈও ডাঙৰ কিবা কৰিবলৈ কওঁ ?

— আৰে; এই দুনিয়াত মৰণতকৈ ডাঙৰ কিবা আছে বুলি অন্ততঃ মই নাভাবো।

— আছে ৰেখা, বহুত আছে। অন্ততঃ এহাল সঁচা অন্তৰৰ প্ৰেমিক-প্ৰেমিকাৰ বাবে মৰণতকৈ ডাঙৰ বস্তু বহুত আছে।

মোৰ মনত সন্দেহৰ পোকে ভুমুকি মাৰিলে। অনলদাই প্ৰায়ে এনেকৈ ধেমালিৰ সুৰত কথাবোৰ কয় যদিও আজি যেন অলপ ব্যতিক্ৰম। মোৰ ভয় হৈছিল। সুধিছিলো,

— তোমাৰ কি কৈছে অনলদা ? তুমি কি ক'ব বিছাৰিছা ?

— মই ক'ব বিছাৰিছো যে .......... যে তুমি কি ক'ব বিছাৰিছা ?

— মই ক'ব বিছাৰিচো যে ........ যে তুমি........... তুমি............।

— কি হ'ল তুমি তুমি কৰি থাকিলা যে। পিছৰখিনিও কোৱা।

— তুমি .......... তুমি প্ৰশান্তদাৰ সৈতে বিয়া হৈ যোৱা।

হুকহুকাই কান্দি পেলালে অনলদাই। মোৰো দুচকুৰে ধাৰাসাৰ অশ্ৰু বৰষিব ধৰিলে। অন্ততঃ অনলদাৰ মুখৰ পৰা মই এইষাৰ কথা শুনিম বুলি আশা কৰা নাছিলো। কাৰণ মোক দেউতাই কৈছিল যে, অনলদাৰ দদায়েক প্ৰশান্তৰ বাবে হেনো আপোনালোকে মোক বোৱাৰী কৰিব বিছাৰিছে। মই দেউতাক এতিয়াই বিয়া নহও বুলি কৈ থৈছিলো। ভাবিছিলো দেউতাক আমাৰ গোপন কথাষাৰ কেনেকৈ ক'ম। আজি অনলদাৰ সৈতে এই বিষয়ে আলোচনা কৰাৰ কথা। কিন্তু হিতে বিপৰীতহে হ'ল। অনলদাৰ মুখৰ এইষাৰ কথাই যেন মোৰ মূৰত সৰগখনহে ভাঙি দিলে। উচ্চস্বৰে চিঞৰি কৈছিলো,

— কি........... ? কি কৈছা তুমি এইবোৰ। তুমি বলীয়া হোৱা নাইতো?

— অ' মই বলীয়া হৈছো। বলীয়া হৈছো মই। কিন্তু তুমি মোৰ কথা মানিবই লাগিব।

— কিন্তু কেনেকৈ............? কেনেকৈ মই আনৰ সৈতে বিয়া হ'ম? মোৰ বাবে এয়া অসম্ভৱ!

— কিয় অসম্ভৱ। তুমি ইচ্ছা কৰিলে সকলো সম্ভৱ। চোৱা ৰেখা। এয়া উত্তেজিত হোৱাৰ সময় নহয়। আমি দুয়োৱে দুয়োকে ভালপাও সঁচা আৰু আজীৱন ভালপাই থাকিম। কিন্তু মই মাৰ কথা পেলাব নোৱাৰো ৰেখা। মায়ে কৈছে মই ক'লে হেনো তুমি বুজিবা। আৰু নিয়তিয়েওটো আমাক এনেকৈয়ে থকাটো বিছাৰিছো।

— কিন্তু ............।

— কোনো কিন্তু নাই। চোৱা! আমাৰ প্ৰেম সঁচা প্ৰেম। যদিও মই তোমাক বিয়া পাতিছো এতিয়ালৈকে আমাৰ মাজত পতি-পত্নীৰ সম্পৰ্কই স্থান পোৱা নাই। এতিয়াও আমি এহাল প্ৰেমিক-প্ৰেমিকাই। এজনী প্ৰেমিকাই আন এজন ল'ৰাৰ সৈতে বিবাহ-পাশত আৱদ্ধ হোৱাটো অপৰাধ হ'ব নোৱাৰে।

— কিন্তু মই যে তোমাক ভালপাওঁ। তোমাৰ সৈতে সংসাৰ গঢ়াৰ সপোন দেখিচো। তেনে স্থলত.......। মই তোমাৰ দাদাৰ সৈতে বিয়া হৈ সুখী হ'ব নোৱাৰো, আৰু তুমিওটো মোৰ অবিহনে সুখত থাকিব নোৱাৰা।

— সুখী অসুখীৰ কথা এৰা ৰেখা। কিছুমান কাম দুখদায়ক বুলি জানিও কৰিবলগীয়া হয়। মুঠতে মই কোৱা মতে তুমি কৰা। অলপ আগতেটো কথা দিছিলা যে মোৰ প্ৰতিটো কথা ৰাখিবা। এয়া মোৰ তোমালৈ অন্তিম অনুৰোধ অন্যথা মোক জীৱিতৰূপে নাপাবা। ওলায় আহিব খোজা কান্দোন কোনোমতে নিয়ন্ত্ৰণ কৰি কথাখিনি ক'লে অনলদাই। মই কান্দোন সম্বৰণ কৰিব পৰা নাছিলো। মই বুজিছিলো অনলদাৰ একো বিকল্প নাই। তেওঁ দুহাতেৰে মোৰ নয়নভৰা তপ্ত অশ্ৰু মোহাৰি দিছিল। মই খঙেৰে তাৰ পৰা আঁতৰি আহিছিলো।

আমাৰ এই ঘটনাবোৰ কোনেও দেখা নাছিল, কেৱল নদীৰ পাৰৰ গছ দুজোপা আৰু ডালত বহি থকা কপৌহালৰ বাহিৰে। যিহাল কপৌক মই অহাৰে পৰাই লক্ষ্য কৰিছিলো। আমাৰ দৰে সিহঁত হালেও বৰ স্ফূৰ্টিৰে কিৰীলিয়াই আছিল। নদীৰ পাৰৰ নিৰিবিলি পৰিৱেশত কপৌহালৰ সুমধুৰ কাকলিয়ে সোণত সুৰগা চৰাইছিল। কিছুদূৰ আহি মই উভতি চাইচিলো। অনলদাই নিথৰ আৰু স্তব্ধ হৈ মোৰ ফালে চাই আছিল। তেওঁৰ দুচকুৰে অনৰ্গল চকুলো নিগৰি আছিল। অস্তগামী সূৰুযৰ হেঙুলীয়া আভাৰ পৰশত অনলদাৰ লোতক দুধাৰি মুকুতা-মণিৰ দৰে তিৰবিৰাইছিল। তেনেতে গছত পৰি থকা কপৌহালৰ এটিয়ে আনটোক এৰি ভুৰুংকৈ উৰা মাৰিলে কোনোবা অজান ঠাইলৈ। আনটোৱে নীৰৱে চকুলো টুকিছিল। কোনে জানে; আমাৰ দৰে সিহঁত হালৰো কিজানি একেই অৱস্থা!

সেইদিনাই আছিল মোৰ আৰু অনলদাৰ অন্তিম বাৰ্তালাপ। সেইদিনাৰ পৰা মই অনলদাক লগ পোৱা নাই। কেইবাবাৰো call কৰিছিলো, ফোন লগা নাছিল। শেষত মোৰ সম্পূৰ্ণ অনুমতি অবিহনেই মাত্ৰ পোন্ধৰ দিনমানৰ ভিতৰতে আমাৰ বিয়া হ'ল।

বিয়াৰ দিনাখন ৰাতিপুৱা মোৰ মোবাইলত এটা Unknown নম্বৰৰ পৰা SMS আহিছিল, "তোমালোকৰ যুগ্মজীৱন সুখৰ হওঁক। মই দিয়া আঙুঠিটোৰ সদ্ব্যৱহাৰ কৰিবা। তুমি দিয়াটো মই হিয়াত ৰাখিছো— অনল।" মই লগে লগে callback কৰিও Swicht off পাইছিলো।

বিয়াৰ পিছতহে গম পালো যে, বিয়াৰ আগদিনাখন অনলদাই চাকৰিৰ ইণ্টাৰভিউ থকা বুলি কৈ ঘৰৰ পৰা ওলাই গ'ল। যি গ'ল গলেই। আজিলৈকে একো খবৰ নাই। ইমান বছৰে বা ক'ত আছে, কি কৰিছে, জীয়াই আছে নে নাই? পুলিচেও একো সন্ধান দিব পৰা নাই। এইবোৰতো আপুনি জানেই মা।

কণা বিধাতাই মোৰ কপালত সদায় দুখকে লিখিছিল। বিয়াৰ এবছৰমান পিছত বিবাহৰ চিনস্বৰূপে আমাৰ মাজলৈ আহিল অতনু। অতনু খুটি খাব পৰা নৌহওতেই মোক নিথৰুৱা কৰি প্ৰশান্তও এটা মটৰ দুৰ্ঘটনাত পতিত হৈ শেষ বিদায় মাগিলে। মোৰ ওচৰলৈ পুনৰ শোকৰ বন্যা নামি আহিল। অনলদাৰ সৈতে ঘটা ইমান এটা ডাঙৰ ঘটনাৰ পিছতো মই প্ৰশান্তলৈ চাই জীয়াই থকাৰ ক্ষুদ্ৰ প্ৰেৰণা পাইছিলো। কিন্তু নিষ্ঠুৰ ভগৱানে সেইকণো সহ্য নকৰিলে। প্ৰশান্তৰ বিয়োগে ঠন্ ধৰি উঠিব খোজা মোৰ হৃদয়খন পুনৰ ভাঙি থানবান কৰি পেলালে। কিন্তু মোৰ অনলদাৰ সৈতে হোৱা বিবাহৰ প্ৰতি শ্ৰদ্ধা জনাই মই গোপনে সিৰত সেন্দুৰ পিন্ধিবলৈ আৰম্ভ কৰিলো। নহলে যে মোৰ দুয়োজন স্বামীকে হেৰুওৱা শোক ৰৈ যাব।

— এইবোৰ আমি জনাই নাছিলো বোৱাৰী।

— এইবোৰ কৈ মই আপোনালোকৰো মনত দুখ দিয়াৰ ইচ্ছা

কৰা নাছিলো। মোক ক্ষমা কৰিব। দিশহাৰা হৈছো মই। মোৰ বিবেক, বুদ্ধি লুপ্ত হৈ গৈছে। কাকনো ক'ম এইবোৰ, কোনেনো শুনিব, শুনিলেই বা মোৰনো কি লাভ হ'ব? এইবোৰ ভাবিয়েই মই নিজৰ মনক নিজেই সান্ত্বনা দিও মা, "ভগৱানে যি কৰে ভালেই কৰে।" ভগৱানে মোক ইমানো দুখ নিদিয়ে মা। এদিন তেওঁ নিশ্চয় আহিব। মোৰ মৰমেৰে মাতি তাহানিৰ মিঠা প্ৰেম কাহিনীবোৰ ক'ব মোক জোকাব। তেওঁ আহিব মা। অন্ততঃ আমাৰ সঁচা ভালপোৱাক প্ৰত্যাহ্বান জনাবলৈ তেওঁ এদিন নিশ্চয় আহিব।

এনেতে ৰাস্তাত সৰু ল'ৰা-ছোৱালী কেইটামানে দাড়ি-চুলিৰে ভোবোকাৰ, ফটা-চিৰা মলিয়ন কাপোৰ পৰিহিত পগলাক শিলগুটি মাৰি খেদি লৈ ফুৰা সকলোৰে খিৰীকিৰে দেখা পালে। তেওঁৰ হাতত একপি পুৰণা ফটো আৰু এটা সোণৰ আঙুঠি। ফটোকপি কাৰ চিনিব নোৱাৰি যদিও কোনোবা যে ছোৱালীৰ ফটো সেয়া নিশ্চিত। লগে লগে ৰেখা চিৎকাৰ কৰি উঠিল।

— অনলদা.....। অনলদা সেয়া। তেওঁ আহিছে মোক বিচাৰি। হাতত থকা ফটোকপি মোৰ, আমাৰ বিয়াৰ দিনাখন তোলা আৰু আঙুঠিটো মই তেওঁক উপহাৰ দিয়া। হয় সেয়া অনলদা, সঁচাকৈয়ে অনলদা সেয়া। ঐ ল'ৰাহঁত কিয় মাৰিছ তেওঁক? তেওঁক খেদি নপঠিয়াবি। তেওঁ মোৰ কাষলৈ আহিছে। মোক বিছাৰি আহিছে। অনলদা................।

বিকট চিঞৰ এটা মাৰি ৰেখাই বাহিৰলৈ দৌৰ দিলে। পিছে পিছে শাহুৰেক প্ৰমিলা আৰু অতনু............। ■

*"If you can imagine it, you can create it. If you can dream it, you can become it." **- William Arthur Ward***


ARTICLE



# Prasanta Chandra Mahalanobis: Father of Indian Statistics

**Dr. Rijusmita Sarma**
Assistant Professor
Dept. of Statistics

Prasanta Chandra Mahalanobis, a scientist and an applied statistician better known as the father of Indian Statistics, pioneered the use of statistics in India. He was born in June 29, 1893 in Kolkata to the couple Probodh Chandra and Nirodbashini. Born to an academically oriented and wealthy family, he grew up in a socially active family surrounded by intellectuals. The family being of Brahmo Samaj religion, he pursued his early education in Brahmo Boys school in Kolkata. and passed his matriculation examination from there in 1908. After this he entered Presidency College, Kolkata and graduated with honours in Physics in the year 1912 and went to England for higher studies at the University of London

While waiting for his admission into the B.Sc. course at the University of London, he made a trip to Cambridge and was impressed by the Chapel of King's College. By chance, he missed his train back to London and had to stay the night with a friend. At his friend's place he met a student of King's college, who on learning his fascination about the King's College suggested him to apply there. He did accordingly and was interviewed and offered a place the very next day. He passed out Part I in the mathematical tripos in 1914. He then transferred to natural sciences tripos, obtained a first class pass in Part II in the year 1915 and was awarded a scholarship by King's College. During his stay in Cambridge, he got a chance to interact with the great mathematician Srinivasa Ramanujan.

After his graduation from King's college with specialization in Physics he set up a research project at the Cavendish Laboratory and returned to India for a short holiday in the year 1915, before starting his project. However, once back in India, his uncle who was a professor of Physiology in the Presidency College introduced him to the Principal of the college, upon whose earnest request he took up a temporary post of Physics teacher in the college, but was quite intent of going back to Cambridge to finish his project, once the temporary position ended. But, however, destiny had some other plan and he became so involved with his work in Presidency College that he gave up the idea of going back to Cambridge completely. He was appointed a professor of Physics in the Presidency College in 1922 and continued to teach there for thirty more years.

It was seen that Mahalanobis's involvement in Statistics was completely governed by chance factor, which played a vital role in some other very important decisions of his life. While waiting for his boat back to India, which was delayed due to World War I, Mahalanobis went to the library of King's College where he looked at some copies of Biometrika, a journal of statistics and was quite fascinated by them. He bought a complete set of volumes and took them back to India. He started reading those volumes during the journey and discovered that statistics was a new science with wide application and he was quite positive about the revolutionary effect that could be brought by applying this newly acquired knowledge in his own field. He found some interesting problems in meteorology and physiology and applied this new science and that were the beginning of an era of Statistics in India and a turning point in his own career. Of course, this new interest could not change his original career path, but still ,he was able to bring changes, which influenced the development of Statistics in India.

Mahalanobis devised a measure of comparison between two data sets known as Mahalanobis distance or 'D statistics', which plays an important role in evolving some matereological problems. He introduced innovative techniques for conducting large scale sample surveys. He devised a statistical technique called fractile graphical analysis which could be used to compare the socioeconomic conditions of different groups of people. Mahalanobis established National Sample Survey in 1950 and also established Central Statistical Organisation to coordinate statistical activities in India. He published more than two hundred papers covering a wide range of topics from agriculture to the drinking habits of Indian families.

However the two most important contributions of Mahalanobis were setting up "Indian Statistical Institute" an academic institute of national importance and founding of the Journal "Sankhya", the official publication of ISI. Unofficially ISI was started in the Physics Department of Presidency College in around 1920 under guidance of Mahalanobis. Formally ISI was registered in December, 1931 by Mahalanobis together with professors of economics and professors of Applied Mathematics under the chairmanship of the industrialist Rajendranath Mukharjee, on 28th April 1931. From 1920 to 1931, almost all the statistical work in India was done by Prof. Mahalanobis only. However, with the formation of ISI, new scholars started showing interest in statistics. In 1951, ISI was shifted to its present location in B.T.Road, Kolkatta.

Mahalanabis, a member of the first planning commission of free Indian received many honours for his contribution to the development of statistics in India and the world. He was the president of the "Indian Science Congress" in 1950 and president of the "International Statistical Institute" in 1957. He was elected a fellow of many societies such as 'Royal Society of London" (1945), "Econometric Society United States" (1951), "Royal Statistical Society, U.K" (1954), "Pakistan Statistical Association" (1952), "American Statistical Association' (1961), 'USSR Academy of Science' (1958). He received honourary degree from university of Calcutta (1957), Sofia University (1961), University of Delhi (1964). In 1959 he was elected an honourary fellow of King's College, Cambridge. The Government of India awarded him with "Padmabibhushan", one of India"s highest honours in the year 1968 for his contribution to the science and service to the country.

Mahalanobis was highly influenced by Poet Rabindranath Tagore from his childhood as Rabindranath Tagore's father Debendranath Tagore had been a friend of Mahalanobis's grandfather Gurucharan Mahalanobis. Mahalanobis even served as a secretary to Rabinndranath Tagore, specially during his foreign travels and also worked at his Visva-Bharati University for some time. He had a analytical mind from his very childhood and even Tagore was impressed by Mahalanobis's love of literature as well as his flair for logical analysis.

The Mahalanabis era in statistics, which was started in the early twenties had ended with the demise of this great statistician on 28th June, 1972, a day before his seventy ninth birthday. He was quite active till his death, doing his research work, serving as an honourary Secretary and Director of Indian Statistical Institute and was helping Government of India as a statistical adviser. In India June 29, the birth day of Prof Prasanta Chandra Mahalanobis is still celebrated as the "National Statistics Day' in recognition to his valuable contribution in the field of statistics and economic planning. ■

With the help of

1) Mahalanobis biography-University of St Andrews.
2) Prasanta Chandra Mahalanobis-Wikipedia.

*"I can accept failure but I can't accept not trying."* ***- Michael Jordan***



# Cohabitation

**Dr Manisha Phukan**
Assistant Professor
Department o f Physics

Love, as today's, is hard to be defined. Despite several attempts my prompt intuition made me search for its meaning in the internet. So, as the internet says, "love is a variety of different feelings, states, and attitudes that ranges from interpersonal affection to pleasure. It can refer to an emotion of a strong attraction and personal attachment."

The attempt of defining love from the web, was not to let know its definition, rather to show how simple it is to define the most complex form of emotion using technology. But, today's generation fails to understand and value it. Things are quick these days; a simple text message from someone you admire can make you fall for that person. Or, very interestingly, that person's voice can make your knees wobble and bring butterflies to your stomach.

In today's days of where lives are conqueredby science and technology, people can even fall for a total stranger. Well, it is hard to define, as even in our ancient system of arranged marriages, people marry strangers and spend their entire life with someone they didn't know in any point of their life before they got married. But here is a point that is totally different from today's love marriages. Since a past few decades, today's generation has adopted the trend of cohabitation, or as it's said, living together. There is the definition of cohabitation in Google, but it is not as complex as love, so it can be defined and understood. Two people, a boy and a girl, choose to live together before getting married. It is somewhat a trial and testing period for them, where they whether or not they are compatible with each other. Gone are those days where the boy would say that he can simply live looking at her smile!

There is definitely no problem in living together. It is good, as people can know each other before getting married. They get to know all the pluses and minuses of their partners. A person can never be all good. Even God can't be, at least as I believe. So, may be if the guy has got allergy from *Bhindi* or the girl has got allergy from *Rajmah,* then it's better to know beforehand, than being cursed for making it. But, apart from these, there are many other angles from which this *living together* can be looked at. It's is not always sharing the rent or the grocery bill! Research says, the trend of living together has increased since the past few decades. All trends of west don't lit into the east.

Living, together increases the compatibility

between two people. but is it all enough for two sweethearts to live happily ever after? People get so used to about their partners that they no longer care, and this props up quarrel between them. Today's generation need their own space, and any less than that is not accepted. It is just like riding a brand new car that you just bought from the showroom a few days back. At the very first you'll be very conscious while driving it, but as days roll by, you won't think before bumping on its seats or emotions would turn out to be less if you bump your car in the parking lot.

The patience in the relationship gets reduced. As in the arranged marriages, people try to adjust themselves with the likes and dislikes of their partners, here people can't even think of that. Things have become like a contract, emotions can be switched on and off. Less of patience and emotional attachments, often lead to unsuccessful marriages later on. This also gives rise many number of divorce cases.

Broken marriages, broken families, don't reflect a healthy state of the society. Many a times, couples fail to consider their marriage as a vital part of their life which ultimately results in failed marriages. This not simply harms the emotional quotients of an individual, but also cracks heavily upon their children. The small children being the audience of broken marriages or sometimes failed relationships don't understand the values of a family. They remain barred from all the love and affection.

As a part of some research, it has also been found that couples who were living together prior to their marriage, face the problem of emotional detachment, low interaction in the later period of the relationship etcetera. Societal values and norms are required to be looked upon for any individual to live in a society.

As very coin has two sides, therefore, everything has two faces. We people cannot be the judges of something being right or wrong, but probably, the society can use its moral to decide upon things, before accepting any trend. ■

*"No matter how small, acknowledge the achievement."*

***- Greg Henry Quinn***

# MAHI CHANDRA MIRI : *The Man Behind* Kaziranga National Park

**Dr. Mitamoni Sarma**
Assistant Professor
Department of Electronics

Mahi Chandra Miri is a name little known to the present generation of readers. He was the first Science graduate, the first administrative officer from the Mising tribe, who played a major role in the formation of Kaziranga National Park.

Kaziranga is one of the assets which carries the identity of Assam all over World. Kaziranga is world's one and only place where one can find one-horned Rhino. Lord Curzon came to Assam in December 1900, accompanied by Lady Curzon. Lady Curzon came to Assam with a mission to see the rare Asian rhino at Kaziranga. But she could see only the hoof marks of rhinos. She was the person who persuaded the government for its conservation and in 1905 Kaziranga was declared as proposed Reserve Forest. Mohi Chandra Miri conducted the survey and mapped Kaziranga for the first time taking Bagori as base point. He was appointed as the extra assistant conservator of forest of Assam. Kaziranga National Park was opened for the Public and the World in the year 1938, with the help of Mahi Miri.

Mahi Chandra Miri was born in 1903 at village Alimur situated at Dhakuakhana. He was the first son of Doley Miri, who was a leading man of his community. Doley Miri was uneducated, but he encouraged his sons to pursue



higher education. Mahi Miri was brought up in the midst of scenic beauty of nature that shaped his young mind. Mohi Miri was a brilliant student and passed his matriculation examination in 1923 from Sibsagar Govt. H.E. School. He passed BSc from Cotton College securing second class 14th position in Physics (honours) in 1927. He was not only academically brilliant but also an expert in shooting, fishing, elephant riding and snake catching. In 1929, he was selected for Imperial Forest Service and sent to Rangoon for training in the Forest College there. After training at Rangoon, Mahi Miri was posted at Guwahati in 1931 as extra assistant conservator of forest. In 1932, Sonadhar Senapati's eldest daughter Indira, was married to Mahi Chandra Miri in the face of serious social persecution. In the year 1934 he was transferred to Bagari Range of

Forest, Kaziranga Sanctuary with the head Quarter at Golaghat to look after the long neglected sanctuary . Kaziranga was not having any infrastructure or facility like today. It was full of wetland and grasses and leeches, where the elephants dared not to enter. His posting there was a historic one and since then, the sanctuary got a new lease of life. He took up the difficult task of surveying and organizing the Game Sanctuary. But poaching was there for one horned

Rhino. Mahi was so dedicated to his work that he used to get up early and roamed around the dense forest grassland of Kaziranga on elephant back and took pain to resist the poachers in inhuman condition. By virtue of his constant vigil and hard labour, he put a check on the illegal activities of poachers who roamed freely in then inaccessible jungles of Kaziranga. He used to sit on the top of a hill in the adjacent Karbi Anglong district and as soon as he saw poachers, he rushed on elephant back to catch them at the risk of his life. That is why the area has been named after him by the forest department of Assam.

Mahi Chandra was a man of honour and hard work. But alas! Because of his inhuman labour in the inhospitable place like Kaziranga, Mahi Chandra caught black water fever and succumbed to his death, leaving behind his young wife and children on July 29,1939. Thus, the life of a young and brilliant Assamese forest officer ended.

In Mahi Miri's death, conservator Makernes Sahab wrote: "We have lost the jewel of the forest department." Mahi Chandra Miri's untimely demise was undoubtedly a great loss to Assam. He dedicated his life to the conservation of the wild life of his land. ■



*"Ability may take you to the top, but it takes character to stay there."*
***- William Blake***

# COSMIC INFLATION

**Bishal Das**
B.Sc 6th Semester

**Definition**

Typical meaning of inflation is to cause to inflate or to expand. Inflation do have a similar role to play in Cosmology. Cosmic Inflation describes how the Universe may have expanded from the state of nothing to the state of everything as we see it today.

**"Homogeneous Universe"- The Big Puzzle**

In order to understand what Cosmic Inflation really deals in, we first need to know why the need to put forward such an extraordinary theory like Cosmic Inflation arose. And for that we need to go through one of the greatest puzzle of Cosmology, which is the homogeneous behaviour of the Universe. In simple language, it means that no matter whichever direction we may look at in the vast Universe, it always looks the same in all direction. The observable universe is one causal patch of a much larger unobservable universe. Other parts of the Universe cannot communicate with Earth yet. These parts of the Universe are outside our current cosmological horizon. In the standard hot big bang model, without inflation, the cosmological horizon moves out, bringing new regions into view. Yet as a local observer sees such a region for the first time, it looks no different from any other region of space the local observer has already seen. Its background radiation is at nearly the same temperature as the background radiation of other regions, and its space-time curvature is evolving lock-step with the others. This presents a mystery: How did these new regions know what temperature and curvature they were supposed to have? They couldn't have learned it by getting signals, because they were not previously in communication with our past light cone.

**Alan H. Guth's- "The Inflationary Universe"**

To solve this challenging puzzle of the homogeneity of the Universe, in the year 1979, Dr. Alan H. Guth came up with a brand-new idea. He proposed the Theory of Inflationary Universe. When the Universe was much smaller than it is now, it was much easier for all of the bits to mix together and for the environment to become uniform. Dr. Guth's crucial idea is to imagine that **"Gravity can be Repulsive"** due to which after the Universe became uniform, it grew incredibly quickly thus locking in the uniformity. This happened at a time of about 10' secs after the Big Bang, the Universe began to

grow, doubling at every $10^{-37}$ secs. So, at first, the Universe doubled at 10' secs, second, the Universe was four times its original size and third, the Universe was eight times bigger and so on. That is, according to the Theory of Inflationary Universe, if

X= {12" **n W, n 0·91**

then the progression X must have to undergo at least 100 doubling periods in order to explain the present state of uniformity of the Universe. In that period of time, the Universe went from a billionth of the size of a proton to about the size of a marble. After that, the crazy first expansion of the Universe start and the Universe expanded in the ordinary way that we usually mean when we talk about the Big Bang.

Some questions which arises from this are: -

1. How fast was the expansion speed of the Universe?

   Well, if we take the **size of the Universe** to be at the size of a marble at 10' secs to be **1 cm = 0.01 m** and **expansion time =$10^{-35}$ secs** then,

   But according to Special Relativity, nothing can go faster than light in space which is about **3 x $10^8$ m/s.** Therefore, this value of the expansion speed seems absurd according to STR.

